### জাননী

ইয়াৰ দ্বাৰা সংশ্লিষ্ট সকলো পক্ষক অৱগত কৰোৱা হ'ল যে কাগজকে ধৰি ছপা সামগ্ৰীৰ মূল্যবৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত ১ জুলাই (বুধবাৰ)ৰ পৰা প্ৰযোজ্য হোৱাকৈ বিজ্ঞাপনৰ নিৰিখ বৃদ্ধি কৰা হৈছে। সেই অনুসৰি ক্লাছিফাইড বিজ্ঞাপনৰ নূন্যতম মূল্য ৫০০ টকা ধাৰ্য কৰা হৈছে।

*বিজ্ঞাপন শাখা*



দৈনিক
# বাতৰি কাকত
সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 231 ত্ৰিবিংশ বছৰ, সংখ্যা- ২৩১, ২০ জুলাই, সোমবাৰ, ২০২৬, ৩ শাওন, ১৯৪৫ শক, BATORI KAKOT, Monday, 20July, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা




## ভূ-স্বৰ্গত প্ৰকৃতিৰ ৰুদ্ৰৰূপ

# জম্মু-কাশ্মীৰৰ ৰাজৌৰীত হাহাকাৰ পৰিস্থিতি

### প্ৰলয়ংকৰী বানৰ সোঁতে উটুৱাই নিলে শতাধিক বাহন

**জম্মু-কাশ্মীৰ, ১৯ জুলাই ঃ** ধাৰাষাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা ভয়াৱহ বানে একপ্ৰকাৰ তছনছ কৰি পেলাইছে ৰাজৌৰী জিলা। পুৱতি নিশা অহা প্ৰলয়ংকৰী বানৰ সোঁতে উটুৱাই লৈ গৈছে ৪ শতাধিক বাহন। আনহাতে, বতৰৰ প্ৰতিকূলতাৰ বাবে সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে পবিত্ৰ অমৰনাথ যাত্ৰা। ভূ-স্বৰ্গত প্ৰকৃতিৰ ৰুদ্ৰৰূপ। ধাৰাষাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা ভয়াৱহ বানে একপ্ৰকাৰ তছনছ কৰি পেলাইছে ৰাজৌৰী জিলা। পুৱতি নিশা অহা প্ৰলয়ংকৰী ■ *এঘাৰ পৃষ্ঠাত*



### সংসদৰ বৰ্ষাকালীন অধিবেশনৰ পূৰ্বে সংসদ ভৱনত সৰ্বদলীয় বৈঠক



**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৯ জুলাই ঃ** কাইলৈ আৰম্ভ হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিবেশনৰ পূৰ্বে সংসদ ভৱন চৌহদত আজি চৰকাৰৰ আহ্বানমৰ্মে এখন সৰ্বদলীয় বৈঠক ■ *এঘাৰ পৃষ্ঠাত*

### পুনৰ মহানগৰ আৰক্ষীৰ এনকাউণ্টাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৯ জুলাই ঃ** পুনৰ মহানগৰ আৰক্ষীৰ এনকাউণ্টাৰ। আৰক্ষীৰ গুলীত ঢলি পৰিল কুখ্যাত চোৰ। মালিগাঁৱৰ আদিংগিৰি পুৱতি নিশা জালুকবাৰী আৰক্ষীৰ গুলীচালনা। ■ *এঘাৰ পৃষ্ঠাত*

### এজাক বৰষুণ আহিলে পানীত ডুব যায় কঠিয়াতলী

**বাতৰি কাকত, কঠিয়াতলী, ১৯ জুলাই ঃ** এজাক বৰষুণতে সৃষ্টি হ'ল কৃত্ৰিম বান, ঘৰৰ বাহিৰে ভিতৰে পানী আৰু পানী। কঠিয়াতলী ওপৰবৰ লালুং গাঁৱৰ লাচিত নগৰৰ উপপথ সমূহ ডুব গৈছে পানীত। ঠিকাদাৰৰ হেমাহিৰ বিৰুদ্ধে ■ *এঘাৰ পৃষ্ঠাত*

### কৃষকৰ সৈতে মত বিনিময়

## খুমটাই সমষ্টিৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৃষি মন্ত্ৰী পীযুষ হাজৰিকাৰ



**গোলাঘাট,১৯ জুলাই ঃ** অসমৰ কৃষি মন্ত্ৰী পীযুষ হাজৰিকা আজি বতৰৰ প্ৰতিকুল পৰিস্থিতি নেওচি নেৰানেপেৰা বৰষুণৰ মাজতে খুমটাই বিধানসভা সমষ্টিত উপস্থিত হয়। মন্ত্ৰী গৰাকীয়ে খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াক লগত লৈ সমষ্টিবাসীৰ খেতিয়কসকলৰ অভাৱ - অভিযোগ সম্পৰ্কে জনাৰ ইচ্ছাৰে ৰঙাজানৰ বৰগছত কৃষকসকলৰ সৈতে মত বিনিময় কৰে। তাৰপাছত থুৰামুখৰ বুঢ়া লিকচন অঞ্চলত ৰাইজৰ লগত কৃষি বিষয়ত ■ *এঘাৰ পৃষ্ঠাত*

### বৰদৌলগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নাগেশ্বৰ চহৰীয়াৰ দেহাৱসান

**বাতৰি কাকত, ছিপাঝাৰ, ১৯ জুলাই ঃ** বৰদৌলগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত কোষাগাৰ অধীক্ষক, ছিপাঝাৰৰ বৰ আঠিয়াবাৰী গাঁৱৰ ফুটকিতলী চুবুৰি নিৱাসী ■ *এঘাৰ পৃষ্ঠাত*

### চৌদিশে ট্ৰেক্টৰ -পাৱাৰটিলাৰৰ দপদপনি

## কোন দিশে ধাৱমান অসমীয়া কৃষক !

**ইন্দাদুল হক, ছিপাঝাৰ, ১৯ জুলাই ঃ** এতিয়া কৃষক ৰাইজৰ শালিখেতিৰ ভৰপক বতৰ। আহাৰ -শাওন -ভাদ মাহৰ শালি ধানৰ কঠিয়া ৰোপন কৰা বতৰত পুৱাৰে পৰা গধূলিলৈকে কৃষক ৰাইজ নিজৰ খেতিপথাৰত কঠীয়া ৰোপণ কৰাত ব্যস্ত হৈ পৰে।পুৱাতে গোহালি ঘৰৰ বেৰৰ জখলাত থোৱা কেকোৰা নাঙল কান্ধতলৈ গোহালি ঘৰৰ পৰা হালোৱা গৰুহাল যুতিলৈ হাতত লৰু, মূৰত জাপি, আৰু জুইৰ উকুৰা এটা হাতত লৈ খেতি পথাৰত মাটি চহোৱাত লাগি পৰে। মাটি চহোৱাৰ সময়ত হালোৱা হালক ঘূৰ- ঘূৰ, হ -হ, যা বগা যা, যা ক'লা যা, হ'ল যা অলপ আছে বুলি হালোৱাৰ নেগুৰত ধৰি পকাই দিয়াৰ দৃশ্য অতি মনোৰম। বেলি ওলোৱাৰ পিছত ঘৰৰ গৃহিণীয়ে কৃষকলৈ বুলি চাহ -জলপান নিয়ে। ■ *এঘাৰ পৃষ্ঠাত*

### আজিও সম্পূৰ্ণ নহ'ল চাইডবামৰ কাম

## বিহামপুৰ-বগলচ ৰোডৰ নিৰ্মাণকাৰ্যত ব্যাপক দুৰ্নীতিৰ অভিযোগ

**বাতৰি কাকত, বৰনৰ্দ্দী, ১৯ জুলাই ঃ** চৰকাৰে ৰাস্তা-ঘাট উন্নয়নৰ নামত কোটি কোটি টকা ব্যয় কৰাৰ দাবী কৰি অহাৰ সময়তে নলবাৰী জিলাৰ এটি গুৰুত্বপূৰ্ণ পথৰ নিৰ্মাণকাৰ্যত চৰম ভেঁকোভাওনা প্ৰত্যক্ষ কৰা গৈছে। জিলাখনৰ টিহু সমষ্টিৰ (পূৰ্বৰ ধৰ্মপুৰ) বিহামপুৰ বিস্কুটভাটি চ'কৰ পৰা বগলচ ৰোড সংলগ্ন পথটোৰ সম্প্ৰসাৰণ তথা সৰলীকৰণ কাৰ্যই এতিয়া স্থানীয় ৰাইজক অতিষ্ঠ ■ *এঘাৰ পৃষ্ঠাত*








### সাৰৰ মূল্যবৃদ্ধি আৰু টেগিঙৰ বিৰুদ্ধে চৰকাৰৰ কঠোৰ নিৰ্দেশনা

## ওদালগুৰিত খুচুৰা সাৰ ব্যৱসায়ী সস্থাৰ সভা



**ওদালগুৰি , ১৯ জুলাই ঃ** বিধানসভাৰ বাজেট অধিৱেশনত কৃষি মন্ত্ৰীয়ে সাৰক লৈ উত্থাপিত কৰা বিষয়ক লৈ বিমোৰত পৰিছে খুচুৰা সাৰ ব্যৱসায়ীসকল। অসমত সাৰ ব্যৱসায়ক লৈ চলি থকা বিভিন্ন অনিয়ম আৰু অসাধু চক্ৰৰ দৌৰাত্ম্য ৰোধৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ মাজতে শনিবাৰে ওদালগুৰিত সদৌ অসম খুচুৰা সাৰ বিক্ৰেতা ওদালগুৰি জিলা সমিতিয়ে এক গুৰুত্বপূৰ্ণ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে । ৰাজ্যত সাৰৰ বজাৰত নিৰ্ধাৰিত খুচুৰা বিক্ৰী মূল্যতকৈ এম আৰ পি অধিক দাম লোৱা, ইউৰিয়াৰ সৈতে অন্যান্য সামগ্ৰী ল'বলৈ কৃষকক বাধ্য কৰা (টেগিং) আৰু কৃত্ৰিম নাটনি সৃষ্টি কৰি মুনাফা অৰ্জন কৰাৰ দৰে গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে । ■ *এঘাৰ পৃষ্ঠাত*

### নগাঁও পৌৰসভা পৃষ্ঠপোষকতাতে নেহেৰুবালিৰ পৰিবেশ বিনষ্ট হোৱাৰ উপক্ৰম

**বাতৰি কাকত, বিশেষ নগাঁও, ১৯ জুলাই ঃ** নগাঁও পৌৰসভাৰ পৃষ্ঠপোষকতাতে ঐতিহাসিক নেহৰুবালীয়ে এক কদৰ্য ৰূপ পাবলৈ বৰ্তমান সক্ষম হৈছে। কিয়নো নগাঁও পৌৰসভা আৰু জিলা প্ৰশাসনৰ অনুমতি লাভ কৰি নগাঁও নেহৰুবালীত চলিত বছৰৰ ■ *এঘাৰ পৃষ্ঠাত*



### নাজিৰাৰ শিমলুগুৰিত আৰক্ষীৰ অভিযানত ড্ৰাগছসহ এহাল যুৱক-যুৱতীক গ্ৰেপ্তাৰ

**বাতৰি কাকত, নাজিৰা, ১৯ জুলাই ঃ** নাজিৰা সমজিলাৰ শিমলুগুৰি এলেকাত শিমলুগুৰি আৰক্ষীৰ এক অভিযানত ড্ৰাগছসহ এহাল যুৱক-এগৰাকী যুৱতীক আটক কৰা হয়। বিশেষ সূত্ৰৰ তথ্য অনুসৰি বিহুবৰ ফালৰ পৰা শিমলুগুৰি অভিমুখে এখন স্কুটিত এজন যুৱকআৰু এগৰাকী যুৱতীয়ে ড্ৰাগছ কঢ়িয়াই আনিছিল। তথ্যৰ ভিত্তিত শিমলুগুৰি ৰেলৱে ক্ৰছিঙৰ ওচৰত নাকা পৰীক্ষা স্থাপন ■ *এঘাৰ পৃষ্ঠাত*

### নিৰ্বিকাৰ কৰ্তৃপক্ষ ঃ ৰাইজে বন্ধ কৰিলে পথ

## দিখৌ নদীৰ মথাউৰিৰ খহনীয়াই নাজিৰালৈ আনিছে ভয়ংকৰ বিপদ



**ষ্টাফ ৰিপ'ৰ্টাৰ, নাজিৰা, ১৯ জুলাই ঃ** বাৰিষা আৰম্ভ হক্সলেই বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানপানী আৰু দিখৌ নদীৰ বাঢ়নী পানীয়ে বিভিন্ন প্ৰান্তৰ মথাউৰি খহনীয়াই নাজিৰা বাসী লৈ ■ *এঘাৰ পৃষ্ঠাত*

# বৰভাগত আদৰ্শ অংগনবাড়ী কেন্দ্ৰ মুকলি-কৃষি সমস্যা শীৰ্ষক আলোচনাত বিধায়ক নাৰায়ণ ডেকা

**বাতৰি কাকত, বাহাৰঘাট, ১৯ জুলাই ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত আৰঙ্গমৌত আই চি ডি এচ আঁচনিৰ অধিনত ২৫ লাখ টকা ব্যয় সপক্ষে নিৰ্মাণ কৰা ১৮ নং আৰঙ্গমৌ আদৰ্শ অঙ্গনাবাড়ী কেন্দ্ৰৰ আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। বিশিষ্ট ব্যক্তি তথা বিভাগীয় কৰ্তৃপক্ষৰ লগতে স্থানীয় ৰাইজৰ উপস্থিতিত কেন্দ্ৰটো মুকলি কৰে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই। নলবাৰী জিলা পৰিষদৰ সভাপতি গীতুমণি বৈশ্য,৪৫ নং উপৰ বৰভাগ গাওঁ পঞ্চায়তৰ সভাপতি মৃন্ময় দাস, আঞ্চলিক গাওঁ পঞ্চায়তৰ সভাপতি ডলিমা কলিতা, বিজেপিৰ নলবাৰী জিলা সমিতিৰ সম্পাদক লক্ষী কলিতা আদি দলীয় নেতা কৰ্মী, বিশিষ্ট ব্যক্তিসকলৰ লগতে অঞ্চলটোৰ স্থানীয় লোক আৰু কেন্দ্ৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰা মুকলি অনুষ্ঠানত বিধায়ক নাৰায়ণ ডেকাই মনৰ ভাব প্ৰকাশ কৰি গ্ৰাম্যাঞ্চলৰ শিশুসকলৰ মানসিক বৌদ্ধিক তথা শাৰীৰিক বিকাশ সাধন কৰাৰ উদ্দেশ্যে আগত ৰাখি বিজেপি নেতৃত্বাধীন চৰকাৰে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পুৰণি ওৰলি যোৱা টিনপাতৰ চালিৰ পৰিবৰ্তে আদৰ্শ অংগনবাড়ী কেন্দ্ৰ স্থাপন কৰিছে। আৰঙ্গমৌ অঞ্চলৰ শিশু সকলে এই কেন্দ্ৰটোৰ জৰিয়তে শাৰীৰিক মানসিক আৰু বৌদ্ধিক দিশত আগুৱাই যোৱাৰ ক্ষেত্ৰত যথেষ্ট সহায় হ'ব বুলি মন্তব্য প্ৰদান কৰাৰ লগতে কেন্দ্ৰটো সুন্দৰ ভাৱে পৰিচালনা কৰাৰ বাবে ৰাইজক সহায় সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায় বিধায়ক নাৰায়ণ ডেকাই। আনহাতে দুপৰীয়া ভাগত পুব বৰভাগ কৃষক সমাজৰ উদ্যোগত ৪৫ নং গাওঁ পঞ্চায়তৰ কাৰ্যালয় প্ৰাংগণত কৃষি সমস্যাৰ ওপৰত এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰভাত তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আলোচনা চক্ৰত মুখ্য অতিথি হিচাবে উপস্থিত থাকে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাই।পুব বৰভাগ কৃষক সমাজৰ সভাপতি হৰমোহন কলিতাই আতধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত কৃষক সকলৰ অভাব অভিযোগ উত্থাপন কৰি বিষদভাৱে আলোচনা কৰাৰ লগতে পুব বৰভাগ কৃষক সমাজৰ পাছদফীয়া সমস্যা পুৰণৰ দাবী চনদ মুখ্য অতিথি তথা বিধায়ক নাৰায়ণ ডেকাৰ হাতত প্ৰদান কৰাৰ লগতে কৃষক সকলৰ সমস্যা সমূহ সমাধান কৰাৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে কৃষক সমাজে মেজুন্দ পথাৰৰ মাজেৰে বৈ



যোৱা জান খন্দাৰ ব্যৱস্থা কৰা,বছৰত অতি কমেও দুবাৰ খেতি কৰিব পৰা পানীৰ ব্যৱস্থা কৰা, প্ৰয়োজনীয় কৃষি বান্ধবোৰত কালভাৰ্ট নিৰ্মাণ কৰি মেৰামতি কৰা, প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ পৰা বঞ্চিত লোকসকলক অন্তৰ্ভুক্ত কৰা আৰু ৰবি শস্য কৰাৰ বাবে কৃষি বিভাগৰ পৰা ৰাজসাহায্য প্ৰাপ্ত পাৱাৰ টিলাৰ কৃষক সকলক প্ৰদান কৰিবলৈ স্মাৰক পত্ৰ যোগে বিধায়ক নাৰায়ণ ডেকাক আহ্বান জনায়। এই আলোচনা চক্ৰত নলবাৰী জিলা পৰিষদৰ সভাপতি গীতুমণি বৈশ্য, আঞ্চলিক পঞ্চায়তৰ সভাপতি ডলিমা কলিতা, বিজেপিৰ নলবাৰী জিলা সমিতিৰ সম্পাদক লক্ষী কলিতা, ৪৫ নং উপৰ বৰভাগ গাওঁ পঞ্চায়তৰ সভাপতি মৃণাল কলিতা, ৪৬ নং উপৰ বৰভাগ গাওঁ পঞ্চায়তৰ সভাপতি মৃন্ময় দাস, ৪৩ নং উপৰ বৰভাগ গাওঁ পঞ্চায়তৰ সভাপতি শ্যামন্ত ডেকা, জলসিঞ্চন আৰু কৃষি বিভাগৰ বিভাগীয় বিষয়া সহ শতাধিক কৃষক ৰাইজ উপস্থিত থাকে।

# লায়ন্স ক্লাব অৱ তিনিচুকীয়াৰ নতুন কাৰ্যবাহী সমিতিৰ অভিষেক সম্পন্ন

**বাতৰি কাকত, তিনিচুকীয়া, ১৯ জুলাই ঃ** তিনিচুকীয়াৰ অন্যতম পুৰণি আৰু আগশাৰীৰ সেৱামূলক সংগঠন লায়ন্স ক্লাব অৱ তিনিচুকীয়াৰ ২০২৬-২৭ লায়নিষ্টিক বৰ্ষৰ নতুন কাৰ্যবাহী সমিতিৰ অভিষেক অনুষ্ঠান শনিবাৰে হোটেল এৰোমা ৰেছিডেঞ্চীত গাম্ভীৰ্য আৰু উৎসাহ-উদ্দীপনাৰে অনুষ্ঠিত হয়। অনুষ্ঠানত অভিষেক বিষয়া পিডিজি লায়ন ডাঃ অনিমেষ বৰুৱাই নৱনিৰ্বাচিত কাৰ্যবাহী সমিতিক শপতবাক্য পাঠ কৰাই আনুষ্ঠানিকভাৱে দায়িত্ব অৰ্পণ কৰে। লায়ন মোক্ষদেৱ দাসে একেৰাহে দ্বিতীয়বাৰৰ বাবে সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। লায়ন কে কে গুপ্তা সম্পাদক আৰু লায়ন অনুপ কুমাৰ গোস্বামী কোষাধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ লগতে আন বিষয়ববীয়াসকলেও নিজ নিজ দায়িত্ব গ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মংগলাচৰণ আৰু লায়ন্স ইনভ'কেচন পৰিবেশন কৰা হয়। ইয়াৰ পিছতে সভাপতি লায়ন মোক্ষদেৱ দাসে বিগত বৰ্ষৰ বিভিন্ন সেৱামূলক কাৰ্যসূচী আৰু ক্লাবৰ উল্লেখযোগ্য সাফল্যসমূহৰ ওপৰত আলোকপাত কৰি বাৰ্ষিক প্ৰতিবেদন দাখিল কৰে। নিজৰ ভাষণত সভাপতি লায়ন মোক্ষদেৱ দাসে সদস্যসকলৰ আস্থা আৰু সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি আগন্তুক বৰ্ষত সমাজসেৱামূলক কাৰ্যসূচী অধিক বিস্তাৰ, সদস্যসকলৰ মাজত ঐক্য আৰু সম্প্ৰীতি সুদৃঢ় কৰাৰ অংগীকাৰ ব্যক্ত কৰে। অভিষেক বিষয়া পিডিজি লায়ন ডাঃ অনিমেষ বৰুৱাই নতুন কাৰ্যবাহী সমিতিক অভিনন্দন জনাই লায়নিজমৰ আদৰ্শ অনুসৰি নিষ্ঠা আৰু সেৱাৰ মনোভাৱেৰে সমাজৰ কল্যাণত আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত সমাজলৈ বিশেষ অৱদান আগবঢ়োৱা কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে ৫০ বছৰতকৈ অধিক সময় ধৰি লায়ন্স আন্দোলনৰ সৈতে জড়িত জ্যেষ্ঠ সদস্যসকলক বিশেষভাৱে সন্মানিত কৰা হয়। লায়ন গিৰিধাৰলাল পাৰেখে সঞ্চালনা কৰা অনুষ্ঠানটি সাংস্কৃতিক পৰিবেশনা, সৌহাদ্য মিলন আৰু নৈশভোজৰ মাজেৰে সামৰণি পৰে।

# অসম নাট্য সন্মিলন 'কলংপাৰ' শাখাৰ শিশু নাট কৰ্মশালা

**বাতৰি কাকত, বঢ়মপুৰ, ১৯ জুলাইঃ** অসম নাট্য সন্মিলন 'কলংপাৰ' শাখাৰ ব্যৱস্থাপনাত গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ত আজি দহদিনীয়া শিশুনাট কৰ্মশালা অনুষ্ঠিত হৈছে। এই উপলক্ষে কাৰ্যসূচী অনুসৰি পুৱা বন্তি প্ৰজ্জ্বলনৰ লগতে সন্মিলনৰ পতাকা উত্তোলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী কমলাকান্ত বৰা আৰু কলংপাৰ শাখাৰ সভাপতি মাধৱ চন্দ্ৰ বৰাই। ইয়াৰ পাছতে জনতাৰ শিল্পী বিষুওপ্ৰসাদ ৰাভা,ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা,প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জ্বলন আৰু পুষ্পা?লি অৰ্পণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী থুলেশ্বৰ বৰা, অসম নাট্য সন্মিলন নগাঁও জিলা সমিতিৰ সভাপতি প্ৰশান্ত শৰ্মা,নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজ কুমাৰ শইকীয়া আৰু গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰত্নেশ্বৰ বৰাই। তাৰ পাছতেই বিদ্যালয়ৰখনৰ চৌহদত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত নাহৰৰ পুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে নাট্যকৰ্মী সোনাৰাম বৰাই।তেওঁৰ লগতে স্কুলৰ চৌহদত অৱসৰপ্ৰাপ্ত শিক্ষক দুলাল চন্দ্ৰ শৰ্মা আৰু সমাজকৰ্মী সোনাৰাম বৰাই একোটাকৈ গছপুলি ৰোপণ কৰে।ইয়াৰ অন্তত শিশুনাট কৰ্মশালাৰ শুভ উদ্বোধন কৰে বিজেপি নেতা তথা বিশিষ্ট সমাজকৰ্মী অনিল শইকীয়াই। ভাষণত উদ্বোধক শইকীয়াই অসম নাট্য সন্মিলৰ 'কলংপাৰ' শাখাই যুৱ প্ৰজন্মক নাট্য সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰা বাবে শিশুনাট কৰ্মশালাৰ




আয়োজন কৰাৰ পদক্ষেপক শলাগ লয়।শাখাৰ সম্পাদক গোলাপ বৰা আৰু সহঃ সম্পাদক নিপুল বৰাই আঁত ধৰা অনুষ্ঠানত নাট্যকৰ্মী হেমকান্ত বৰুৱা, শিল্পী, কবি তথা লেখক গোলাপ বৰা,সূত জাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ তৰুণ চন্দ্ৰ বৰা,অভিনেতা অতুল বৰা,বঢ়মপুৰ শ্বহীদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দীপক চন্দ্ৰ বৰা, সমাজকৰ্মী নৰেন্দ্ৰনাথ বৰা,চন্দ্ৰকান্ত বৰা, অভিনেতা তথা পৰিচালক ৰাজেন ফুকন,ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ প্ৰশিক্ষণপ্ৰাপ্ত অভিনেত্ৰী সুস্মিতা শইকীয়া, সাংস্কৃতিক কৰ্মী দিলীপ দাস, প্ৰশিক্ষক শোণিত কুমাৰ বৰা প্ৰমুখ্যে বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# নাজিৰা কবি সন্মিলনৰ সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যক স্মৰণঃ 'কবিতা কানন' শীৰ্ষক অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, নাজিৰা, ১৯ জুলাই ঃ** নাজিৰা কবি সন্মিলনৰ ডিজিটেল উপ-সমিতিৰ উদ্যোগত সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ পৱিত্ৰ সোঁৱৰণত 'কবিতা কানন' শীৰ্ষক অনলাইন (গুগল মীট) বক্তৃতা আৰু কবিতা পাঠৰ এটি অনুষ্ঠান ১৮ জুলাইৰ সন্ধিয়া অনুষ্ঠিত কৰা হয়। নাজিৰা কবি সন্মিলনৰ সম্পাদক মঞ্জু ঘৰফলীয়া বড়াই আদৰণি বক্তব্য তথা উদ্যেশ্য ব্যাখ্যা আগবঢ়োৱা অনুষ্ঠানটিত সভানেত্ৰী বিচিত্ৰা বৰা ভূএগ্ৰাই সুগন্ধি পখিলাৰ কবিগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনাই এটি কবিতা আবৃত্তিৰে অনুষ্ঠানটি শুভাৰম্ভ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি হেমন্ত ৰাজখোৱা, লেখিকা সংস্থা অসমৰ প্ৰাক্তন উপ সভানেত্ৰী চৈয়দা নুৰজাহানে নাজিৰা কবি সন্মিলনৰ অনলাইন অনুষ্ঠান তথা কবিতাৰ সৃষ্টি সম্পৰ্কে বক্তব্য আগবঢ়ায় আৰু ক্ৰমে লিমাৰিক আৰু কবিতা পাঠ কৰে।ডিজিটেল সমিতিৰ সমন্বয়ক চৈয়দ মুকিবুৰ ৰহমানে আঁত ধৰা অনুষ্ঠানত 'হীৰুদাৰ কবিতা আৰু জীৱনশৈলীঃ অনুভৱৰ পৰা দৰ্শনলৈ' শীৰ্ষক বিষয়ত মুখ্য বক্তাৰ ভাষণ আগবঢ়ায় শিৱসাগৰৰ বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ দিলীপ ফুকনে। নিৰ্দিষ্ট বক্তাৰ ভাষণত ফুকনে কবি হীৰেন ভট্টাচাৰ্যৰ ব্যক্তিগত জীৱন, সামাজিক জীৱন তথা কবিতাৰ উদ্ধিতিসহ বহু গুৰুত্বপূৰ্ণ তথ্য ব্যক্ত কৰে। বক্তব্যত তেখেতে হীৰুদাক 'শব্দৰ খনিকৰ' আখ্যা দি বিভিন্ন সময়ত সৃষ্টি হোৱা কবিতা তথা কবিতাসমূহৰ বিষয়বস্তু সম্পৰ্কে বিশ্লেষণ আগবঢ়ায়।ইয়াৰ পাছতে প্ৰশ্নোত্তৰ শিতানত অংশ লয় হেমন্ত ৰাজখোৱা আৰু ইলা বৰগোহাঁইয়ে। অনুষ্ঠানত অসমৰ বিভিন্ন ঠাইৰ পৰা সহযোগিতা আগবঢ়োৱা তথা কবিতা পাঠত অংশ লোৱা একাংশ কবি-সাহিত্যিকসকল হৈছে ক্ৰমে গায়ত্ৰী দেৱী (কুঁৱৰীটোল), সুদক্ষিণা বৰদলৈ (ডিব্ৰুগড়), ভাৰতী বৰঠাকুৰ (দেৰগাঁও), নাৱাব নাৰ্জী ইছলাম, ৰাখী বড়া, দিপালী ৰাধিকা, লাবণ্য দত্ত (নাজিৰা কবি সন্মিলন।), চৈয়দা ফায়েজা ফাইৰুজ (শিৱসাগৰ), নিজৰা কোঁৱৰ (সৰুপথাৰ), ব্ৰজেন বৰুৱা (শদিয়া), যোগদা মহন্ত, দিপালী দিহিঙীয়া, চৈয়দা ৰৌজী বেগম, দিপালী স্বৰ্গীয়াৰী, দিলীপ হাজৰিকা, চৈয়দা ফাহমিদা ৰহমান, কল্পনা বুঢ়াগোহাঁই, গীতালি গগৈ (নাজিৰা), পোনা মহন্ত (দিল্লী), ড° কৃষ্ণা বৰ্মণ, পূৰবী ফুকন, ৰিজু কাকতি, গীতাঞ্জলি বৰ্মণ ডেকা, নুৰজাহান বেগম, দিপালী পাটগিৰি, চেনেহী ডেকা, নমিতা কোঁৱৰ, ৰিণা হাজৰিকা, মিনিমা দাস, নিহাল দাস (গুৱাহাটী), জ্বলি দত্ত (যোৰহাট), জুমি চিৰিং, ৰূপজ্যোতি বৰুৱা (গোগামুখ), দেৱযানী শৰ্মা পাঠক (দেৰগাঁও),ৰুণুমী মহন্ত (নাহৰকটীয়া), মিনতি বৰঠাকুৰ (যোৰহাট), ৰেণু শৰ্মা (ডিব্ৰুগড়), কীৰ্তি প্ৰসাদ চলিহা (তিনিচুকীয়া), পদ্মিনী বৰা (নগাঁও), ৰঞ্জু (কাকপথাৰ), হিমা চহাৰীয়া (ছিপাঝাৰ), ধনমনি শৰ্মা শচগোৱালপাৰাগ্ন, ৰূপালী ডেকা বৰগোহাঁই (ধেমাজি), হামিদা বেগম (ডিমৌ)। অনুষ্ঠানত কৃতজ্ঞতা পত্ৰ পাঠ আৰু শলাগৰ শৰাই আগবঢ়াই ক্ৰমে - খাদিমুদ্দিন আহমেদ, মঞ্জু ঘৰফলীয়া বড়া আৰু ৰেণু গোৱালাই। শেষত হাৰেজা বেগমৰ সহযোগত কাব্য মন্ত্ৰ পাঠেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# নীটত গোলাঘাটৰ দীপাংকৰ বৰাৰ সাফল্য

**গোলাঘাট, ১৯ জুলাই ঃ** ৰাষ্ট্ৰীয় যোগ্যতা তথা চিকিৎসা প্ৰৱেশিকা পৰীক্ষা নীট (ইউ জি) ২০২৬ত সফলতা অৰ্জন কৰি গোলাঘাট জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে গোলাঘাট বৰফুকন খাটৰ নিবাসী দীপাংকৰ বৰাই। ৭২০ নম্বৰৰ ভিতৰত ৫৮৭ নম্বৰ লাভ কৰি দীপাংকৰ বৰাই ৯৯.২৪৭৪১০৫ পাৰ্চেন্টাইল অৰ্জন কৰাৰ লগতে সৰ্বভাৰতীয় ৰেংক ৰছ্ছ,ছপুৰ দখল কৰিবলৈ সক্ষম হয়। আনহাতে, OBC-NCL (Central List) শ্ৰেণীত তেওঁৰ ৰেংক ৬,৮০১ প্ৰকাশিত ফলাফল অনুসৰি, জীৱবিজ্ঞানত ৯৯.৮৯৭৩৯৪৬ পাৰ্চেন্টাইল, ৰসায়ন বিজ্ঞানত ৯৮.১২৩৫৫১৫ পাৰ্চেন্টাইল আৰু পদাৰ্থ বিজ্ঞানত ৯৮.৬৯৪৮৩১৫ পাৰ্চেন্টাইল লাভ কৰি দীপাংকৰ বৰাই নিজৰ মেধাৰ পৰিচয় দাঙি ধৰিছে। গোলাঘাট বৰফুকন খাটৰ অজিত বৰা আৰু উৰ্বশী বৰাৰ পুত্ৰ দীপাংকৰ বৰাই কছাৰীহাট জাতীয় বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত তিতাবৰৰ প্ৰাক-জ্যোতিকা জুনিয়ৰ কলেজৰ পৰা উচ্চতৰ মাধ্যমিক শিক্ষা সম্পূৰ্ণ কৰে। নীট পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে তেওঁ অনলাইন শিক্ষণ মঞ্চ 'আনএকাডেমী'ৰ জৰিয়তে নিয়মীয়া কচিং গ্ৰহণ কৰিছিল। দীপাংকৰ বৰাৰ এই সাফল্যই তেওঁৰ পৰিয়াল, শিক্ষক-শিক্ষয়িত্ৰী, শুভাকাংক্ষী তথা সমগ্ৰ গোলাঘাট জিলাবাসীৰ মাজত আনন্দৰ জোৱাৰ সৃষ্টি কৰিছে। তেওঁৰ এই কৃতিত্বৰ বাবে বিভিন্নজনে অভিনন্দন জ্ঞাপন কৰাৰ লগতে ভৱিষ্যতে চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত অধিক সফলতা লাভৰ বাবে শুভেচ্ছা জনাইছে।

# গোলাঘাটত জাপানীজ এনকেফেলাইটিছৰ আতংক ঃ দুজনৰ মৃত্যু

**গোলাঘাট, ১৯ জুলাইঃ** গোলাঘাট জিলাত ক্ৰমাৎ ভয়ংকৰ ৰূপ ধাৰণ কৰিছে জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগৰ সংক্ৰমণে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি, জিলাখনত এই পৰ্যন্ত ৰোগত আক্ৰান্ত হৈ এগৰাকী মহিলা আৰু এটি পাঁচ বছৰীয়া শিশুৰ মৃত্যু হৈছে। জিলাখনৰ বোকাখাত, মিছামৰা, কমাৰবন্ধা আদি অঞ্চলত ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱাৰ তথ্য পোহৰলৈ আহিছে। গোলাঘাট জিলা চাৰ্ভেলেন্স বিষয়া ডাঃ ৰঞ্জিত হাজৰিকাই জানিবলৈ দিয়া অনুসৰি, জিলাখনত বৰ্তমানলৈকে ৪৬গৰাকী পুৰুষ, মহিলা আৰু শিশুৰ জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হোৱাৰ তথ্য পোৱা গৈছে। ইয়াৰে ১৪জন ৰোগীক চিকিৎসা প্ৰদান কৰা হৈছে আৰু চাৰিজন ৰোগী বৰ্তমান যোৰহাট চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। আনহাতে, এই ৰোগত আক্ৰান্ত হৈ গোলাঘাট নগৰৰ এগৰাকী মহিলাৰ লগতে এটি পাঁচ বছৰীয়া শিশুৰ মৃত্যু হৈছে। বিশেষকৈ গোলাঘাট নগৰৰ মাজমজিয়াত এই ৰোগত আক্ৰান্ত হৈ মৃত্যুৰ ঘটনা সংঘটিত হোৱাত চিন্তিত হৈ পৰিছে নগৰবাসী। ৰোগৰ প্ৰাদুৰ্ভাৱৰ নিয়ন্ত্ৰণৰ বাবে জিলা স্বাস্থ্য বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ সমান্তৰালভাৱে, স্বাস্থ্য বিভাগে প্ৰতিটো পৰিয়ালকে নিজৰ নিজৰ চৌপাশৰ পৰিৱেশ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত সজাগ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

# নাজিৰাত কৃত্ৰিম বানত বুৰ গ'ল বিদ্যালয়-চিকিৎসালয়- পথ-উপপথ-বাসগৃহ

**ষ্টাফ ৰিপ'ৰ্টাৰ; নাজিৰা, ১৯ জুলাই ঃ** যোৱা নিশাৰে পৰা হোৱা মূষলধাৰ বৰষুণে অচল কৰি তুলিলে নাজিৰা নগৰৰ প্ৰতিটো অংশ। এই বৰষুণৰ ফলত কৃত্ৰিম বানত বুৰিল বিদ্যালয়, চিকিৎসালয় , পথ - উপপথ , ঘৰ - দোৱাৰ ।এহাতেদি চিকিৎসালয়ৰ বাৰাণ্ডাত চিকিৎসা বিচাৰি অপেক্ষা কৰা ৰোগীৰ কৃত্ৰিম বানত থাকিবলৈ স্থান নোহোৱা অৱস্থা । আনফালে ৰাজপথত একাঁঠু পৰ্যন্ত বানপানীয়ে অচল কৰি তোলে একাদিক্ৰমে নাজিৰা নগৰৰ নগা আলি, কলেজ তিনিআলি, গেলেকী তিনিআলি, হাতীসৰকা, লখিমী আলি, ফুলেশ্বৰ সন্দিকৈ পথ, বাপুজী পথ, হবিবুৰ ৰহমান পথ, লক্ষ্মীনাথ বেজবৰুৱা পথ, বৰআলি, টকৌ আলি সংযোগী পথ সৰ্বত্ৰে বানৰ তাণ্ডৱে জনজীৱন অচল কৰি তোলে ।নাজিৰাৰ টকৌ আলিৰ কাষত অৱস্থিত অসম কোম্পানী লক্সৰা প্ৰাথমিক বিদ্যালয়ৰ ক্ৰেণী কোঠাত বানপানী উঠাত আৰব্ধ হৈ পৰে কণ কণ ছাত্ৰ-ছাত্ৰীসকল। কাষতে অৱস্থিত আনখন নাজিৰা নগৰ বালিকা প্ৰাথমিক বিদ্যালয়ৰো চোতালত পানী উপচি পৰে। ১০৭ গৰাকী কণমাণি শিশুক শিক্ষাদান কৰি অহা লক্সৰা প্ৰাথমিক বিদ্যালয় আৰু ৰপ্তৰ গৰাকী শিশু ছাত্ৰ-ছাত্ৰীক লৈ শিক্ষাদান কৰি অহা বালিকা প্ৰাথমিক বিদ্যালয়ৰ দুই প্ৰধান শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে জ্ঞান দেৱী পাৰগাম আৰু তাজুদ্দিন শইকীয়াই প্ৰশাসন তথা নাজিৰা পৌৰসভা কৰ্তৃপক্ষক শিশুৰ শিক্ষাদানৰ বিদ্যালয়ৰ চৌহদ হঠাৎ হোৱা কৃত্ৰিম বানপানীৰ দুৰঞ্জয্যোগৰপৰা সুৰক্ষিত ৰাখিবলৈ অনুৰোধ জনাইছে। আনহাতে কেৱল উচ্চতৰ শাখাৰ ছাত্ৰ-ছাত্ৰীক বাদ দি বিদ্যালয়ৰ সাধাৰণ শ্ৰেণীকোঠাত চলি থকা ঐতিহাসিক নাজিৰা উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰপৰা একাদশ পৰ্যন্ত শ শ ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী কোঠা সমূহ পানীৰে ভৰি পৰাত অবৰ্ণনীয় পৰিস্থিতিৰ উদ্ভৱ হয়। শিক্ষকৰ কমনৰুমত প্ৰচুৰ কাগজ-পত্ৰ আলমাৰি বুৰ যোৱাত নষ্ট হয় বুলি জানিব পৰা গৈছে। আনহাতে নগৰৰ মাজ মজিয়াত অৱস্থিত চৰকাৰী সাহায্য প্ৰাপ্ত চিকিৎসালয়ৰ বাৰাণ্ডাত চিকিৎসা লাভৰ বাবে শাৰী পাতি ৰোৱা ৰোগী আৰু ৰোগীৰ অভিভাৱকসকল কিংকৰ্ত্তব্য বিমূঢ় হৈ পৰে কৃত্ৰিম বানৰ কবলত বাৰাণ্ডা পানীৰে বুৰি যোৱাৰ পাছত চিকিৎসালয়ৰ কোঠাৰ ভিতৰত কৃত্ৰিম বানৰ পানীয়ে একাঁঠু উচ্চতা পায়গৈ ।এনে পৰিস্থিতিত চিকিৎসকে ৰোগীসকলৰ স্বাস্থ্যপৰীক্ষা কৰিবলৈ স্থানৰ অভাৱ ঘটে। জৰুৰী পৰিস্থিতিত চিকিৎসকে ওখ ঠাই বিচাৰি বিকল্প স্থানত ৰোগীৰ পৰীক্ষা কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয় । প্ৰতিকুল পৰিস্থিতিত চিকিৎসালয়ৰ দুৱাৰ বন্ধ কৰিব লগীয়া হয়। আনহাতে ব'ৰ্ডিং ৰোডত অৱস্থিত নাজিৰা পৌৰসভাৰ কাৰ্যালয় চৌহদ, নাজিৰা পশু চিকিসালয়ৰ চৌহদ কৃত্ৰিম বানে বিধৌত কৰি



পশু চিকিৎসালয়ৰ কাম কাজ অচল কৰি তোলে। ইফালে নাজিৰা নগৰৰ সমগ্ৰ বাপুজী পথ বানৰ কবলত পৰি বুৰ যোৱাৰ লগতে লখিমী আলি, দেওধাই পথ, নগৰৰ গুৰুত্বপূৰ্ণ লক্ষ্মীনাথ বেজবৰুৱা পথ, নাজিৰাৰ নগা আলি, বৰআলি সৰ্বত্ৰে পথ আৰু উপপথ বুৰি যাত্ৰী, পথাচাৰী সকলোৰে আতিশয্য বঢ়াই তোলে। হাতী সৰকা তথা নাজিৰা কলেজ তিনিআলিৰ কাষত ৰাজপথ একাঁঠু পানীত বুৰ গৈ যাতায়ত স্থবিৰ কৰি তোলে। সমগ্ৰ নগৰখনক কৃত্ৰিম বানে জুৰুলা কৰাৰ গুৰিতে সকলো নাগৰিকে একমুখে পৌৰসভাৰ দ্বাৰা পৰিচালিত নলা-নৰ্দমা নিৰ্মাণ প্ৰক্ৰিয়া বিজ্ঞান সন্মতভাৱে বিকাশ নঘটাৰ দিশলৈ আঙুলীয়াই দিছে। নলা কেৱল নিৰ্মাণৰ নামত নিৰ্মাণ হোৱাৰ বাবেই লখিমী আলি, বাপুজী পথ, লক্ষ্মীনাথ বেজবৰুৱা পথ আদিত পথৰ পানী নলাত পৰি দ স্থানলৈ যোৱাৰ পথ ৰুদ্ধ হৈ পৰিছে বুলি এই প্ৰতিবেদকক বহুকেইজন নাগৰিকে আঙুলীয়াই দিয়ে। এই ক্ষেত্ৰত নাজিৰা পৌৰসভাই বিজ্ঞান সন্মত উপায় অৱলম্বন কৰাটো নাজিৰা বাসীয়ে কামনা কৰিছে।৭

দৈনিক বাতৰি কাকত সত্য আৰু ন্যায়ৰ সপক্ষে

# সতীৰ্থ সন্মিলন ৪৪ বছৰ অন্তত একত্ৰিত ১৯৮২ শিক্ষাবৰ্ষৰ সতীৰ্থ

**বাতৰি কাকত, বৰনদী, ১৯ জুলাই ঃ** নলবাৰী জিলাৰ পানীগাঁওস্থিত মিলন হাইস্কুলত আজি ১৯৮২ শিক্ষাবৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ এখন সতীৰ্থ সন্মিলন অনুষ্ঠিত হৈ যায়। শিক্ষা, সাহিত্য আৰু ক্ৰীড়াৰ ক্ষেত্ৰত আগবঢ়া নিজ পকোৱা, পানীগাঁও আৰু সন্ধেলীৰ সমন্বয়ৰ মিলন চ'কৰ গাতে লাগি থকা মিলন হাইস্কুলত সুদীৰ্ঘ প্ৰায় ৪৪ বছৰৰ অন্তত কৰ্মসূত্ৰে বিভিন্ন প্ৰান্তত থাকিলেও আজি সতীৰ্থসকল তদানীন্তন বিদ্যালয়খনৰ শিক্ষাগুৰু (বৰ্তমান অৱসৰপ্ৰাপ্ত) সকলৰ শ্ৰীচৰণত এটি ভক্তিপূত সেৱা জনোৱা, শ্ৰদ্ধা জনোৱা আৰু এধানিমান আশীৰ্বাদ লোৱাৰ উদ্দেশ্যি একত্ৰিত হয় এই হাইস্কুলখনত। সতীৰ্থসকলৰ এই মিলনমেলাই এক আৱেগঘন আৰু আনন্দমুখৰ পৰিৱেশ সৃষ্টি কৰি তোলে। দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই সতীৰ্থ সন্মিলনৰ পুৱা ৯ বজাত বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সম্পাদক তথা প্ৰধান শিক্ষক প্ৰয়াত শৰৎ চন্দ্ৰ শৰ্মা, প্ৰতিষ্ঠিপক সভাপতি প্ৰয়াত প্ৰভাত চন্দ্ৰ শৰ্মা আৰু সহযোগী প্ৰতিষ্ঠাপক প্ৰয়াত মমাত আলীৰ স্মৃতিসৌধত বন্তি প্ৰজ্বলনত প্ৰজ্বালক হিচাপে ভাগ লয় ক্ৰমে প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট চিত্ৰশিল্পী খচনুৰ আহমেদ , সাংবাদিক নগেন তালুকদাৰ আৰু ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যই । ইয়াৰ পিচত শিলচৰ পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক গোকুল চন্দ্ৰ দত্তই অসমীয়াৰ হিয়াৰ আমঠু বিশ্বকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি পজ্বলন কৰে । বিদ্যালয়খনৰ চৌহদতে এটি গছপুলি বিশিষ্ট চিত্ৰশিল্পী খচনুৰ আহমেদৰ জৰিয়তে ৰোপন কৰি ১৯৮২ শিক্ষাবৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱত্তীৰ্ণ এই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়খনত এটি স্মৃতি ৰাখি থৈ যায়। ইয়াৰ পিচত বিদ্যালয়খনৰ প্ৰয়াত শিক্ষাগুৰু আৰু সহপাঠী সকলৰ স্মৃতি তৰ্পণত বন্তি প্ৰজ্বালক হিচাপে ভাগ লয় বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ক্ৰমে প্ৰবীণ দত্ত আৰু অমূল্য নাথ শৰ্মাই । পিচত প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক থানেশ্বৰ সাউদ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ক্ৰমে প্ৰবীণ দত্ত, অমূল্য নাথ শৰ্মা, সহকাৰী শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে গিৰিশ কুমাৰ সাউদ,মুনীন্দ্ৰ বৰ্মন , ফনীন্দ্ৰ বৰ্মন, পদুমী মজুমদাৰ, অনিমা দত্ত আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰী নৰপতি বৈশ্য , পদ্মা তালুকদাৰক চেলেং চাদৰ, ফুলাম জাপি সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱাৰ লগতে বৰ্তমানৰ বিদ্যালয়খনৰ প্ৰধান শিক্ষক অলকেশ মজুমদাৰ , বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য মজিদ আলী আৰু বিদ্যালয়খনৰ অবৈতনিক চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নৃপেন বৰ্মনকো ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সম্বৰ্ধনা গ্ৰহণ কৰি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰবীণ দত্তই ১৯৮২ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে আয়োজন কৰা এই সতীৰ্থ সন্মিলনখনৰ স্মৃতিয়ে শিক্ষাগুৰুসকলৰ আয়ুস বহুখিনি বঢ়োৱা বুলি ভাষণত উল্লেখ কৰে । লগতে দত্তই কয় শিক্ষক সকলে কোনো ছাত্ৰ-ছাত্ৰীৰ পৰা একো নিবিচাৰে , মাত্ৰ প্ৰতিগৰাকীৰ উজ্বল ভৱিষ্যত কামনাহে কৰে ।ইয়াৰোপৰি সমাজৰ সুস্থ বতাহ বোৱাই সমাজৰ প্ৰতিগৰাকী লোককে নৈতিক চৰিত্ৰবান কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত সমাজত আগভাগ ল'বলৈ আহ্বান জনায়। সম্বৰ্ধনা গ্ৰহণ কৰা প্ৰতিগৰাকী শ্ৰদ্ধাৰ শিক্ষাগুৰুৱে বহু তত্বগধুৰ ভাষণে একালৰ ছাত্ৰ-ছাত্ৰীসকলক আৱেগিক কৰি তোলে এই সতীৰ্থ সন্মিলনত। সতীৰ্থসকলৰ মাজত বিভিন্ন গীত-মাতৰ অনুষ্ঠানত ৰীতা দাস, ৰুবুল দত্ত, হীয়া কাশ্যপ , ত্ৰিনয়না শৰ্মাকে আদি কৰি কেবাগৰাকী সতীৰ্থই বিভিন্ন গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰি তোলে । সমূহ কাৰ্যসূচীৰ আঁত ধৰা সতীৰ্থ অঞ্জন ৰায় চৌধুৰীয়ে শেষত শলাগৰ শৰাই আগবঢ়াই সতীৰ্থ সন্মিলনৰ সমূহ কাৰ্যসূচীৰ সফল সামৰণি মাৰে।

## টংলাৰ ৰাজ সৰকাৰৰ কৃতিত্ব অৰ্জন



**ষ্টাফ ৰিপৰ্টাৰ টংলা, ১৯ জুলাই ঃ** ওদালগুৰি জিলাৰ শৈক্ষিক নগৰী টংলালৈ গৌৰৱ কঢ়িয়াই আনিলে মেধাৱী ছাত্ৰ ৰাজ সৰকাৰে।সৰ্বভাৰতীয় নীট পৰীক্ষাত অৱতীৰ্ণ হৈ টংলাৰ চমুৱাপাৰা গাঁৱৰ মেধাবী ছাত্ৰ ৰাজ সৰকাৰে ৫৫৫ নম্বৰ লাভ কৰি সফলতা অৰ্জন কৰা বাবে পিতৃ - মাতৃ ,গাঁওবাসী উৎফুল্লিত।চমুৱাপাৰা গাঁৱৰ বাবুল সৰকাৰ আৰু বিনা সৰকাৰৰ পুত্ৰ ৰাজ সৰকাৰে কৃতিত্ব অৰ্জন কৰা বাবে বিভিন্ন দল সংগঠন , টংলা প্ৰেছ ক্লাব, ডিমাকুছি ই মিডিয়া ফৰাম , টংলা সমষ্টিৰ বিধায়ক বিকন চন্দ্ৰ ডেকা,বিটিচিৰ পাৰিষদ অৰ্জুন দৈমাৰী আদিয়ে উষ্ম অভিনন্দন জ্ঞাপন কৰিছে

## ১৭৩৫ নং বালিকুৰি পশ্চিম কলনী পল্লী মণ্ডল প্ৰাঃ বিদ্যালয়ত চুৰি কাণ্ড সংঘটিত

**বাতৰি কাকত কলগাছিয়া, ১৯ জুলাই ঃ** বৰপেটা জিলাৰ মন্দিয়া প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ১৭৩৫ নং বালিকুৰি পশ্চিম কলনী পল্লী মণ্ডল প্ৰাথমিক বিদ্যালয়ত সংঘটিত হোৱা চুৰি কাণ্ডক কেন্দ্ৰ কৰি বিদ্যালয় খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী, অভিভাৱক -অভিভাৱিকা সকল আৰু শিক্ষক -শিক্ষয়িত্ৰী সকলৰ মাজত এক চাঞ্চল্যৰ সৃষ্টি হৈছে। বিদ্যালয় খনৰ প্ৰধান শিক্ষক শিকদাৰ খইমুদ্দিনে জনোৱা মতে যোৱা নিশা অব্যাহত থকা নেৰানেপাৰা বৰষুণৰ মাজত বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ কোঠালীৰ খিৰিকী ভাঙি ঘৰৰ ভিতৰত কোনোবা অজ্ঞাত চোৰে প্ৰৱেশ কৰি কোঠালীৰ ভিতৰত থকা দুখন চিলিং ফেন ভাঙি পেলায় আৰু ফেনৰ ভিতৰত থকা কয়েল, আৰু বৈদ্যুতিক তাঁৰ চুৰ কৰি লৈ যায়। উল্লেখযোগ্য যে, বিদ্যালয় খনৰ গাতে লাগি থকা ১৮ৰ নং বালিকুৰি পশ্চিম কলনী অংগনবাদী কেন্দ্ৰৰ খিৰিকী ভাঙি ঘৰৰ ভিতৰত সোমাই গেছ ছিলিণ্ডাৰৰ তাঁৰ কাটি ছিলিণ্ডাৰখন বাহিৰলৈ আনিব খোজে যদিও কষ্টকৰ ঠাইৰ বাবে বাহিৰ কৰিব পৰা নাই। ইয়াৰোপৰি কন কন ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যৱহাৰিত শিক্ষন শিকণ সামগ্ৰী সমূহ চুৰ কৰি লৈ যায়।অতি পৰিতাপৰ বিষয় যে, মানৱ সম্পদ গঢ়া পৱিত্ৰ শিক্ষানুষ্ঠানত এনেকুৱা চুৰি কাণ্ড সংঘটিত হোৱাত স্থানীয় ৰাইজে অধিক চিন্তিত হোৱা পৰিলক্ষিত হৈছে। অৱশ্যে পূৰ্বেও এই দুখন বিদ্যালয়ত চুৰি হোৱা বুলি প্ৰধান শিক্ষক গৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে। এই সংক্ৰান্তত বালিকুৰি আৰক্ষী চকীত এখন এজাৰৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। বিদ্যালয় কৰ্তৃপক্ষ ও স্থানীয় ৰাইজে এই সংক্ৰান্তত স্থানীয় প্ৰশাসনৰ দৃষ্টি আকৰ্ষণ বিচাৰিছে।

## নীটত জুৰীয়াৰ ৫ শিক্ষাৰ্থীৰ সাফল্য বিধায়ক নুৰুল হুদাৰ সম্বৰ্দ্ধনা

**বাতৰি কাকত, ৰূপহীহাট, ১৯ জুলাই ঃ** সদ্য ঘোষিত NEET-26 ৰ ফলাফলত জিলিকি উঠিল জুৰীয়া ৰূপহী হাটৰ - জুৰীয়াৰ ৫ শিক্ষাৰ্থীৰ চমকপ্ৰদ সাফল্য সমগ্ৰ জুৰীয়া অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। চিকিৎসক হোৱাৰ সপোন দেখা ৫ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক বিধায়ক নুৰুল হুদাৰ সম্বৰ্দ্ধনা। কৃতী ছাত্ৰ চাহিল মহম্মদ ইলাহী, মনিৰুল কবি, জুবেইৰ আহমেদ চৌধুৰীৰ ঘৰত উপস্থিত বিধায়ক। ছাত্ৰ-ছাত্ৰীসকলৰ কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ক ব্যক্তিগতভাৱে স্বীকাৰোক্তি বিধায়কগৰাকীৰ। চিকিৎসা সেৱাৰ জৰিয়তে সমাজলৈ অৱদান আগবঢ়াবলৈ আহ্বান জনালে বিধায়ক নুৰুল হুদাই।

## নীট পৰীক্ষাত উজ্বলিল মেধাৱী ছাত্ৰ নিবিৰ বৰ্মন



**বাতৰি কাকত, জাগীৰোড, ১৯ জুলাই ঃ** কঠোৰ পৰিশ্ৰম,ধৈৰ্য, একাগ্ৰতা আৰু অধ্যৱসায়ৰ জড়িয়তে যে সফলতাৰ আকাশ চুমিব পাৰি তাৰেই যেন পুনৰবাৰ প্ৰমাণ কৰিলে জাগী ভকতগাঁৱৰ এগৰাকী কৃৰ্তীমান ছাত্ৰই। সদ্যঘোষিত ২০২৬ ৰ সৰ্বভাৰতীয় নীট' পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ জাগী ভকতগাঁৱলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয় নিবিৰ বৰ্মন নামৰ মেধাৱী ছাত্ৰজনে। পিতৃ, সফল ব্যৱসায়ী বুবুল বৰ্মন আৰু মাতৃ তথা শিক্ষয়িত্ৰী নিজৰা শইকীয়াৰ একমাত্ৰ সন্তান নিবিৰে 'নীট' পৰীক্ষাত অৱতীৰ্ণ হৈ ৪৮৬ নম্বৰ লাভ কৰি মৰিগাঁও জিলা তথা জাগী ভকতগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনে। নিবিৰৰ এনে সফলতাই গাঁওবাসীৰ লগতে জাগীভকত গাঁও শাখা সাহিত্য সভাৰ সভাপতি মিনতি দেৱী, সম্পাদক হিমু বৰা, সামাজিক সংস্থা সুন্দৰমৰ অধ্যক্ষ জয়ন্ত সাগৰ শইকীয়া, সচিব ৰাজীৱ চহৰীয়া, সদৌ অসম কৃষক সংঘৰ মুখ্য সমন্বয়ক তুলসী ডেকা, কলং কপিলী শাখা কবি সন্মিলন সভাপতি ৰণ্টুমনি শইকীয়া, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ জাগীভকতগাঁও আঞ্চলিক সমিতিৰ লগতে জিলা সমিতিৰ উপদেষ্টা জ্যোতিৰ্ময় গোস্বামীয়ে কৃৰ্তীমান ছাত্ৰজনলৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। আনহাতে 'দৈনিক বাতৰি কাকত'ৰে হোৱা এক টেলিফোনিক বাৰ্তালাপত নিজৰ সফলতাৰ আৰত পিতৃ-মাতৃৰ লগতে শিক্ষাগুৰু তথা শুভাকাংক্ষী বন্ধু-বান্ধৱীৰ শলাগ লয় মেধাসম্পন্ন ছাত্ৰ নিবিৰে। লগতে ৰাইজৰ অকৃত্ৰিম মৰম,শ্নেহ আৰু ভক্তিভৰা আশীৰ্বাদ শিৰত লৈ অদূৰ ভৱিষ্যতে এগৰাকী সু-চিকিৎসক হৈ মানৱ কল্যানৰ হকে সেৱা কৰাৰ দুৰ্বাৰ আকাংক্ষাৰ কথাও সদৰী কৰে ছাত্ৰ নিবিৰ বৰ্মনে।

## ৰঙিয়া কৃষক শ্বহীদ ভৱনত এক্স ৰাই জেদ কথাছবিৰ কৰ্মশালা

**বাতৰি কাকত, মহেন্দ্ৰ কলিতা, ১৯ জুলাই ঃ** আজি ৰঙিয়া কৃষক শ্বহীদ ভৱনত উপস্থিত থাকে অসমীয়া কথাছবি এক্স ৰাই জেদ ৰঙিয়া বিশেষ প্ৰতিনিধি ৰঙিয়া কলাকুশলীসকল। কৃষক শ্বহীদ ভৱনত চলি থকা নটৰাজ নাট্যগোষ্ঠীৰ প্ৰশিক্ষাৰ্থীসকলে অসমীয়া চলচ্চিত্ৰৰ নৱৈ বছৰীয়া যাত্ৰা, উত্থান-পতন সম্পৰ্কে গীত আৰু কথাৰ মাধ্যমেৰে উপস্থাপন কৰি উপস্থিত দৰ্শক তথা টীম এক্স ৰাই জেদক আহ্লাদিত কৰে। কৰ্মশালাৰ প্ৰশিক্ষাৰ্থীসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ জয়মতী নিৰ্মাণৰ পৰা আৰম্ভ কৰি লক্ষ্যধৰ চৌধুৰী, ড° ভবেন্দ্ৰনাথ শইকীয়া, মুনীন বৰুৱা, অশোক কুমাৰ বিষয়া, জুবিন গাৰ্গ, ৰীমা দাস ইত্যাদি অসমীয়া কথাছবি নিৰ্মাতাসকলৰ অৱদান কৃতজ্ঞতাৰে সুঁৱৰি পৰিচালক হিমাংশু প্ৰসাদ দাসৰ মুক্তি পাবলগীয়া চম এক্স ৰাই জেদলৈ শুভেচ্ছা জ্ঞাপন কৰে। উক্ত কাৰ্যসূচীত উপস্থিত থাকে এক্স ৰাই জেদৰ প্ৰযোজক হেমন্ত কলিতা, অভিনেত্ৰী পল্লবী ফুকন, অভিনেতা চন্দন দাস, অপূৰ্ব বৰ্মন, প্ৰদীপ দত্ত, কুল কুলদ্বীপ, প্ৰদ্যুৎ বিকাশ, গৌৰৱজ্যোতি দাস, দিংকু, ইৰফান আৰু ছবি সম্পাদনাকাৰী হাৰ্দিক কাশ্যপ। ছবি পৰিচালক হেমন্ত কলিতাই মত প্ৰকাশ কৰে যে, বিগত সময়ৰ অসমীয়া কথাছবিসমূহক ৰঙিয়াৰ ৰাইজে যি ধৰণে আদৰি লৈছে, একেদৰে ৰঙিয়াৰ কেইবাগৰাকীও অভিনেতাই অভিনয় কৰা এই এক্স ৰাই জেদ কথাছবিখনো ৰাইজে আদৰি ল'ব।

## শিৱসাগৰত সাংস্কৃতিক মহাসভা অসমৰ কেন্দ্ৰীয় সাংস্কৃতিক উৎসৱ



**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ১৯ জুলাই ঃ** সাংস্কৃতিক মহাসভা অসমৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত শিৱসাগৰ বাসী ৰাইজৰ সহযোগত গত বছৰৰ দৰে এইবাৰো বিংশতিতম কেন্দ্ৰীয় সাংস্কৃতিক উৎসৱ অনুষ্ঠিত কৰিবৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। শিৱসাগৰ নগৰস্থ কে পি চাৰি আলি কালী প্ৰসাদ মেম'ৰিয়েল প্ৰেক্ষাগৃহৎ ২৫ জুলাই শনিবাৰে উৎসৱ ভাগি অনুষ্ঠিত হ'ব । এই উপলক্ষে শ্ৰদ্ধাঞ্জলি , মুকলি সভা, সম্বৰ্ধনা, স্মৃতিগ্ৰন্থ, সাংস্কৃতিক অনুষ্ঠান আদি সকলো দিশ সামৰি গুণগত মানদণ্ড অটুত ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰী মন মগজু স্পন্দন আৰু বিকাশ সাধনত পুৱা ৯ বজাৰ পৰা ৰাজ্যিক ভিত্তিত তিনিটা শাখাত দ্বাদশ শ্ৰেণীলৈকে নিজৰ পচন্দত চিত্ৰাংকনক্ত দ্বাদশ শ্ৰেণী লৈকে দুটা শাখাত অসমীয়া গীতৰ আধাৰত একক সৃষ্টিশীল, এটা শাখাত দলীয় সৃষ্টিশীল নৃত্য আৰু ষষ্ঠ শ্ৰেণীলৈকে এটা শাখাত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হক্সব । প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰী সকলক ২৩ জুলাই ভিতৰত যোগদান নিশ্চিত কৰিবৰ বাবে অনুৰোধ জনাইছে । তদুপৰি একালৰ শিৱসাগৰ জিলা খনৰ অধিকাংশ সচেতন মহলৰ শিক্ষা গুৰু, ৰাজহুৱা সমাজ জীৱনত তেখেতৰ অৱদান , পৰিচিত আৰু সকলোৰে সন্মানীয় পুৰোধা ব্যক্তি, শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ শচবৰ্তমান শিৱসাগৰ বিশ্ববিদ্যালয় ড° প্ৰকাশ কটকী দেৱক 'শিৱসাগৰ সমাজ ৰত্ন' বঁটা ২৫ জুলাই ২০২৬ তাৰিখ শনিবাৰে দিনৰ ২ বজাত জিলা সাংস্কৃতিক মহাসভাৰ সভাপতি প্ৰেম গগৈ দেৱৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা এক গাম্ভীৰ্য পূৰ্ণ মুকলি সভাত প্ৰদান কৰা হ'ব ।স্মৰ্তব্য যে, সেইদিনা বিয়লি ৩-৩০ বজাৰ পৰা পুণৰ প্ৰতিযোগিতা সমূহ সমান্তৰাল ভাৱে অনুষ্ঠিত হ'ব। উক্ত মুকলি সভাত বহু গন্যমাণ্য ব্যক্তিৰ উপস্থিতিৰ লগতে সাংস্কৃতিক মহাসভা অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পৱিত্ৰ কুমাৰ শৰ্মা, সন্মানীয় অতিথি জিলা আয়ুক্ত শ্ৰীযুত মৃদুল য়াদৱ , বিশিষ্ট অতিথি আৰক্ষী অধীক্ষক শ্ৰীযুতা পাপৰি চেতিয়া, জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক ড° সমীৰন বৰা উপস্থিত থকাৰ লগতে মুখ্যবক্তা শিৱসাগৰ প্ৰেছ ক্লাৱৰ সভাপতি, বিশিষ্ট নিৱন্ধকাৰ তথা গঞ্জগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই মুখ্যবক্তা হিচাপে বক্তব্য প্ৰদান কৰিব । সবিশেষ জানিবৰ বাবে ৮৪৮৬৭০৯৫৫৫, ৯৩৬৫৯১১০৫৬, ৯১০১১৭৩০১৪ যোগাযোগ কৰিব পাৰিব। সকলো কাৰ্যসূচী সাফল্য মণ্ডিত কৰি তুলিবৰ বাবে উদযাপন সমিতিৰ সভাপতি ডাঃ পি পি চেতিয়া (প্ৰবুদ্ধ প্ৰসাদ চেতিয়া) , কাৰ্যকৰী সভাপতি খাইৰুদ্দিন আহমেদ, ড° বন্তি বৰগোহাঁই ভূঞা আৰু প্ৰধান সম্পাদক ত্ৰৈলোক্য দত্তই আন্তৰিকতাৰে উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে ।

## নীটত ৫৩৬ নম্বৰ লাভ কৰি গৌৰৱ কঢ়িয়াই আনিলে ইউহানা পাৰবিনে

**বাতৰি কাকত, কচুগাওঁ, ১৯ জুলাই ঃ** সদ্য ঘোষিত সৰ্বভাৰতীয় চিকিৎসা প্ৰৱেশিকা পৰীক্ষাত ৫৩৬ নম্বৰ লাভ কৰি গোসাঁইগাঁও মহকুমাৰ পদ্মবিল অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে ইউহানা পাৰবিনে। পাৰবিন গোসাঁইগাঁও মহকুমাৰ পদ্মবিলৰ মধ্যবিত্ত পৰিয়ালৰ মোঃ ইনছান আলী শেখ আৰু মাজিদা খাতুনৰ সুযোগ্যা কন্যা। কঠোৰ



পৰিশ্ৰম, অধ্যৱসায় আৰু একাগ্ৰতাৰ বলতেই তেওঁ এই উজ্জ্বল সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইউহানাৰ এই কৃতিত্বই কেৱল তেওঁৰ পৰিয়ালটোকেই নহয়, সমগ্ৰ পদ্মবিল অঞ্চল তথা গোসাইগাঁওবাসীকো গৌৰৱান্বিত কৰিছে। তেওঁৰ এই সফলতাত আত্মীয়-স্বজন, শিক্ষক-শিক্ষয়িত্ৰী, শুভাকাংক্ষী আৰু স্থানীয় ৰাইজে আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে উজ্জ্বল ভৱিষ্যতৰ বাবে শুভেচ্ছা আৰু শুভকামনা জনাইছে। অঞ্চলটোত ইউহানা পাৰবিনৰ এই উল্লেখযোগ্য সাফল্যই আন বহু শিক্ষাৰ্থীকো উচ্চলক্ষ্য নিৰ্ধাৰণ কৰি অধ্যৱসায়েৰে আগবাঢ়ি বলৈ অনুপ্ৰেৰণা যোগাব বুলি উল্লেখ কৰিছে স্থানীয় সচেতন ৰাইজে।


## নীটত নগাঁৱৰ ডাছোৱানী ইনষ্টিটিউটৰ শিক্ষাৰ্থীৰ সাফল্য




**বাতৰি কাকত, নগাঁও, ১৯ জুলাই ঃ** প্ৰত্যেক বছৰৰ দৰে এই বছৰো সদ্যঘোষিত সৰ্বভাৰতীয় মেডিকেল প্ৰবেশ পৰীক্ষাত নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান ডাছোৱানী ক্লাছেছৰ সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। প্ৰতিষ্ঠানখনৰ পৰা এই বছৰত মুঠ অৱতীৰ্ণ হোৱা ১০০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০০জনেই মেডিকেল প্ৰবেশ পৰীক্ষাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে নীটত সফলতা লাভ কৰা সৰ্বমুঠ চৰ গৰাকী ছাত্ৰছাত্ৰীয়ে চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰ সুবিধা লাভ কৰিব ।ইপিনে নীটত সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলৰ ভিতৰত সৰ্বোচ্চ নাম্বাৰ লাভ কৰা কেইজনমান ছাত্ৰ-ছাত্ৰী হৈছে ক্ৰমে নাছিফ আহমেদ ৫৭৭(সাধাৰণ),ছামিম আলম ৫৪৪(সাধাৰণ), অকুৰ কলিতা ৫৩৪ (সাধাৰণ),অন্যন্যা ৰয় ৫৮৮) সাধাৰণঠ), হিতেশ ঘোষ ৪৮) (অ,বি,চি-এন,চি,এন (সাধাৰণ) আৰু বিনীত পুকায়স্থ ৫১১, (সাধাৰণ) নাম্বাৰ লাভ কৰিবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠান খনৰ পৰিচালক ড° প্ৰাঞ্জল কুমাৰ বৰাই জানিবলৈ দিয়া মতে ১৮ বছৰৰ অভিজ্ঞতাৰে শিক্ষাদান আগঢ়োৱা ডাছোৱানীৰ এই সাফল্যই জিলাখনলৈ এক সুনাম কঢ়িয়াই অনাৰ লগতে প্ৰতিষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱকসকলৰ মাজত এক আনন্দৰ পৰিৱেশ বিৰাজ কৰে।

## নীটত উত্তৰ-পূবৰ ভিতৰত দ্বিতীয় লীয়ন তালুকদাৰ

**বাতৰি কাকত, কুমুদ বৰ্মন, ১৯ জুলাই ঃ** নলবাৰী জিলাৰ টিহুৰ শিয়ালমাৰীৰ চিকিৎসক দম্পতী ডাঃ মনোজ তালুকদাৰ আৰু ডাঃ বনশ্ৰী পাঠকৰ সু-সন্তান লীয়ন তালুকদাৰে সৰ্বভাৰতীয় নীট-ইউ জিত মুঠ ৬৮ৰ নম্বৰ আহৰণ কৰি সৰ্বভাৰতীয় ৰেংকত ২৪৩ সংখ্যক স্থান আহৰণ কৰাৰ লগতে উত্তৰ-পূব ভাৰতৰ দ্বিতীয় স্থান প্ৰাপ্তিৰে সফলতা লাভ কৰিছে। সৰুৰ পৰা চিকিৎসক পিতৃ-মাতৃক মানুহৰ সেৱা কৰা দেখি মনত চিকিৎসক হোৱাৰ সপোন পুহি ৰখা লীয়ন তালুকদাৰে কঠোৰ অধ্যয়ন আৰু পৰিশ্ৰমৰ ফলতে চিকিৎসা বিজ্ঞানত অধ্যয়ন কৰিবলৈ প্ৰৱেশ পৰীক্ষাত উত্তীৰ্ণ হোৱাত ঘৰখনৰ লগতে গাঁওখনতো আনন্দমুখৰ পৰিৱেশ সৃষ্টি হৈছে। আনফালে, ছাত্ৰগৰাকীৰ এই সাফল্যই শিয়ালমাৰী আৰু ইয়াৰ ওচৰৰ অঞ্চলসমূহৰ শিক্ষা ক্ষেত্ৰলৈ নতুন আশা আৰু অনুপ্ৰেৰণা কঢ়িয়াই আনিব বুলি আশা কৰা হৈছে। সমান্তৰালভাৱে চিকিৎসক হোৱাৰ সপোন দেখা অসংখ্য শিক্ষাৰ্থীৰ বাবে লীয়ন তালুকদাৰৰ এই কৃতিত্ব নিঃসন্দেহে অনুকৰণীয় দৃষ্টান্ত হিচাপে পৰিগণিত হৈছে। গুৱাহাটীৰ বীৰকুছি নাৰেংগীস্থিত মাৰিয়া পাব্লিক স্কুলৰ মেধাসম্পন্ন ছাত্ৰ লীয়নৰ এনে সাফল্যত বিভিন্ন ব্যক্তি, আত্মীয়-স্বজন, বন্ধুবৰ্গৰ লগতে ককা আইতা ক্ৰমে মাখিবাহাৰ নিবাসী অনাতাঁৰ আৰু দূৰদৰ্শন কেন্দ্ৰৰ



স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ, ঔপন্যাসিক ৰামচৰণ পাঠক আৰু ইভা পাঠক, মোহিনী তালুকদাৰে আনন্দিত হৈ তেওঁক অভিনন্দন জনায়।

## ঘগ্ৰাপাৰত ৰেলৰ খুন্দাত নিহত যুৱক



**বাতৰি কাকত, ঘগ্ৰাপাৰ, ১৯ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰেল ষ্টেচনত যোৱা কালি সন্ধিয়া এগৰাকী যুৱকক ৰেলে মহতিয়াই নিয়ে । উক্ত যুৱকজন ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত গলিয়া গাৱৰ প্ৰণৱ কলিতা (পৰেশ) (৩৮) বুলি চিনাক্ত হৈছে। উল্লেখ্য যে বৃহস্পতিবাৰে নামনিমুৱা বন্দেভাৰত ৰেল গাড়ীখনে ঘগ্ৰাপাৰ ৰেল ষ্টেচনৰ কাষতে এগৰাকী যুৱকক মহতিয়াই নিয়াৰ ফলত লোকজনৰ শৰীৰটো ছিন্নভিন্ন হৈ পৰে । ঘটনাস্থলীত ৰেল কৰ্তৃপক্ষই মৃত লোকজনৰ সন্ধান চলোৱাৰ পিছত আজি যুৱকজনক চিনাক্ত কৰিব সক্ষম হয়। নিশাটো নলবাৰী শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰাখি আজি মৰণোত্তৰ পৰীক্ষাৰ অন্তত ৰাজহুৱা বাবে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত সদৌ নলবাৰী জিলা সাংবাদিক সন্থা,ঘগ্ৰাপাৰ প্ৰেছ ক্লাব, গলিয়া গাঁও উন্নয়ন সমিতি, নিমুৱা বুঢ়া গোঁসাই থান পৰিচালনা সমিতি, বৃহত্তৰ নলবাৰী গণ সেৱা সংস্থা আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পিতৃ মাতৃ, সাংবাদিক ককায়েক ৰবীন্দ্ৰনাথ কলিতা সহ অনেক গুণ মুগ্ধক ইহসংসাৰত এৰি যায়।

## ধুবুৰীত ড্ৰাগছ সহ চাৰিজন আটক

**ষ্টাফ ৰিপৰ্টাৰ, ধুবুৰী, ১৯ জুলাই ঃ** ধুবুৰী আৰক্ষী ড্ৰাগছৰ বিৰুদ্ধে যিমানেই সক্ষম হৈছে তাৰ বিপৰীতে ড্ৰাগছ ব্যৱসায়ীয়েও সিমানেই চতুৰ হৈ পৰিছে। এইবাৰ নিজৰ ঘৰৰ ভিতৰতে নিচাজাতীয় ড্ৰাগছ সেৱন কৰাৰ ঘাটি খুলি লোৱাৰ লগতে চলাই গৈছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। বিক্ৰী আৰু খোৱা একেলগে উপলব্ধ। আজি আবেলিৰ ভাগত ধুবুৰী আৰক্ষীৰ এক গোপন তথ্যৰ ভিত্তিত চহৰ খনৰ ৬ নং ৱাৰ্ডত অভিযান চলাই ড্ৰাগছ সহ চাৰিজনকৈ লোকক আটক কৰিবলৈ সক্ষম হয়। ধৃত চাৰিজন নুৰ খান (৫০), জাহাংগীৰ আলম (৪৬), ছাইফুল ইছলাম (৩৪) আৰু মমিনুৰ ইছলাম (৫২)। ধৃত চাৰিজনৰ পৰা নিচাজাতীয় য়ুবা টেবলেট ৬০০টা আৰু নিচাজাতীয় কফ চিৰাফ জব্দ কৰিবলৈ সক্ষম হয়। পিছত আৰক্ষীয়ে চাৰিওজনক আটক কৰি ধুবুৰী সদৰ থানালৈ আনি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## মুখা নিৰ্মাণ আবৃত্তি-নাট কৰ্মশালাৰ সামৰণি

**বাতৰি কাকত, গোৰেশ্বৰ, ১৯ জুলাই ঃ** তামুলপুৰ জিলাৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গোৰেশ্বৰ মহাবিদ্যালয়ত , গোৰেশ্বৰ মহাবিদ্যালয়, চিফুং দ্যা আৰ্ট্টিষ্ট আৰু পাখি প্ৰডাকচনৰ উদ্যোগত সাতদিনীয়াকৈ অনুষ্ঠিত মুখা নিৰ্মাণ, আবৃত্তি আৰু নাট কৰ্মশালাৰ আজি সফল সামৰণি পৰে । নামনি অসমত মুখা নিৰ্মাণ প্ৰাচুৰ্যতাৰ হেতু মুখা নিৰ্মাণ, কবিতা আবৃত্তি আৰু নাটকৰ সাম্যক জ্ঞান দিয়াৰ উদ্দেশ্যে পৰী শৰণীয়াৰ তত্বাৱধানত উপম শইকীয়া আৰু মিণ্টু বড়াই শতাধিক শিক্ষাৰ্থীক গোৰেশ্বৰ মহাবিদ্যালয়ত কৰ্মশালাত প্ৰশিক্ষণ দিয়ে। আজি সামৰণি অনুষ্ঠানত উপস্থিত থাকে গোৰেশ্বৰ বিধানসভা সমষ্টিৰ বিধায়ক ভিক্টৰ কুমাৰ দাস, গোৰেশ্বৰ মহাবিদ্যালয়ৰ ড° প্ৰতিভা পাটোৱাৰী আৰু ডাঃ নয়নজ্যোতি শৰ্মাই ভাষণ প্ৰদান কৰি শিক্ষাৰ্থী সকলক উৎসাহিত কৰে।

# সম্পাদকীয় বিশেষ

## সৰ্প দংশন ঃ চিকিৎসা সুৰক্ষা আৰু প্ৰতিৰোধ

■ ডাঃ মৃদুল কুমাৰ নাথ

মৌচুমী বতাহৰ আগমনৰ লগে লগে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বৰ্ষা ঋতুৰ আগমন হয়। বাবিষা অহাৰ লগে লগে বানপানী, ভূমিস্খলনৰ দৰে প্ৰাকৃতিক দুৰ্যোগ আদি সকলোৰে হেঁচা মাৰি ধৰে। বিভিন্ন মহামাৰীৰ লগতে সৰ্পদংশন হোৱা ৰোগীৰ সংখ্যাও এই সময় বিলাকত বৃদ্ধি পায়।

বিশ্বস্বাস্থ্য সংস্থাই সৰ্পদংশনক অৱহেলিত ৰোগৰ (Neglected Disease) ৰ শাৰীত স্থান দিছে। এই সমীক্ষাত তেওঁলোকে কৈছে যে, বিশ্বত প্ৰতি মিনিটত প্ৰায় ১৫৮ জন লোকৰ সৰ্পদংশনত মৃত্যু হয়।

**সৰ্পদংশন নো কি**

সৰ্প বহুবিধ আছে যদিও প্ৰকৃতাৰ্থত বহুলভাৱে মুখ্যত দুটা ভাগত ভগাব পাৰি- বিষাক্ত প্ৰজাতি আৰু অবিষাক্ত প্ৰজাতি। আমাৰ অসমত সাধাৰণতে ছয়বিধ বিষাক্ত সৰ্প থকাৰ উমান পোৱা গৈছে। সেইবিলাক হ'ল- পিট ভাইপাৰ (Pit Viper), চকৰীফেঁটী (Monocled Cobra) কলা গোৰালা বা কলা শংখচূৰ (Black Krait) বাটৰাজ বা ৰঙামুৰীয়া সাপ (Red Necked Keelback) গোৰালা বা শংখা শাপ (Branded Krait) আৰু ৰাজ ফেঁটী (King Cobra)। এতিয়া আহো এই বিষাক্ত সাপ বিলাকে দংশন কৰিলেনো আমাৰ কি হয়! বিষাক্ত সাপে দংশন কৰিলে যদি বিষ (Poison) আমাৰ শৰীৰত নিদিয়ে, তেনেহলে আমাৰ শৰীৰৰ একো অপকাৰ নহয়, তেনেধৰণৰ অৱস্থাক শুকান দংশন (Dry Bite) বুলি কোৱা হয়। তাৰ পিছত আহো যদি বিষ আমাৰ শৰীৰত সোমায় তেনেহলে কি হ'ব পাৰে? সাপৰ বিষ মূলত তিনিধৰণৰ হয়- এবিধে স্নায়বিক প্ৰক্ৰিয়াক আক্ৰান্ত কৰে (Neuroparalytic)। অন্য এবিধ বিষে মাংসপেশীক আক্ৰান্ত কৰে। তেনেবিধক Myotoxic Poisoং বুলি কোৱা হয়। শেষবিধ হৈছে ৰক্তকনিকাক আক্ৰান্ত কৰা Haemolytic Poison।

**সৰ্পদংশন হ'লে কি কৰিব লাগে**

১। সাপটোৰ কাষৰ পৰা ব্যক্তিগৰাকীক আঁতৰাই আনিব লাগে। পাৰিলে সাপটোৰ এখন ফটো উঠাই ৰাখিব লাগে।

২। সাপে কামুৰিলে আতংকিত হ'ব নালাগে আৰু তেনে ব্যক্তিক পৰাপক্ষত সাহস যোগাব লাগে।

৩। সাপে কামোৰা অংশ লৰচৰ নকৰাকৈ ৰাখিব লাগে।

৪। সাপে কামোৰা অংশৰ ওচৰত পিন্ধি থকা আঙুঠি, খাৰু, বেল্ট আদি টিলা কৰি দিব লাগে।

৫। তৎক্ষণাত এম্বুলেঞ্চলৈ ফোন কৰিব লাগে। যদি এম্বুলেঞ্চ নাথাকে তেনেহ'লে ব্যক্তিগৰাকীক বেছি লৰচৰ নকৰাকৈ নিকটৱৰ্তী স্বাস্থ্য কেন্দ্ৰলৈ লৈ যোৱা উচিত।

৬। সাপে কামোৰা ব্যক্তি গৰাকীক পৰাপক্ষত বাঁওফালে মুৰ দি শুৱাব লাগে।

সাপে কামোৰাৰ আশংকা কেতিয়া থাকে

১। খালী ভৰিৰে খেতি পথাৰ নাইবা বাগিছা ইত্যাদিৰ কাম কৰিলে।

২। মৃত অথবা জীয়াই থকা সাপডাল হাতেৰে ধৰিবলৈ চেষ্টা কৰা।

৩। পুখুৰী বা নদীত গাধোৱা, কাপোৰ ধোৱা, ইত্যাদি।

৪। আঠুৱা ব্যৱহাৰ নকৰাকৈ মাটিত শুই থকা।

৫। ঘৰ বা চোতালত এন্দুৰ, নিগনি আদি থাকিলে।

৬। শুকান খৰি, ঘাঁহ, গৰু-ছাগলীৰ খাদ্য আদি সংগ্ৰহ কৰিবলৈ গ'লে।

৭। টৰ্চৰ পোহৰ নোহোৱাকৈ আন্ধাৰত খোজ কঢ়া।

৮। মুকলি ঠাইত শৌচ কৰা।

৯। খোলা ভৰিৰে ভুলবশত সাপৰ ওপৰত ভৰি দিয়া।

১০। ঘৰ, শৌচালয়, পথ, পাৰ্কিং আদি স্থানত পোহৰৰ ভাল ব্যৱস্থা নথকা।

**সৰ্প দংশনৰ পুৰণি বিশ্বাস**

তাহানিৰ ৰামায়ণ, মহাভাৰতৰ যুগৰ পৰা আৰম্ভ কৰি লক্ষীন্দৰ বেউলাৰ কাহিনীলৈকে আমি সকলোৰে জ্ঞাত যে, বিষাক্ত সৰ্প দংশন হ'লে চিকিৎসা কৰি কোনো লাভ নাই। আনকি এনেকুৱা কিছুমান অন্ধবিশ্বাস আৰু লোকবিশ্বাস আছে যে, সৰ্পদংশনৰ ফলত মৃত্যু হোৱা লোকজনৰ চিতা জ্বলোৱা বা কবৰ দিয়া নহয়। বোৱতী নদীত কলৰ ভেল বনাই উটুৱাই দিয়া হয়-

বিশ্বাসত যে, কৰবাত হয়তো তেওঁ জীয়াই উঠিব!!

**সৰ্প দংশনৰ আধুনিক চিকিৎসা**

আধুনিক চিকিৎসা বিজ্ঞানৰ গৱেষণাৰ ফলত সৰ্পদংশনৰ চিকিৎসা বহুখিনি উন্নত তথা নিখুঁতভাৱে গঢ় লৈ উঠিছে। বৰ্তমান সৰ্পবিষৰ বিৰুদ্ধে Antisnake Venom (ASV) আৱিষ্কাৰ হৈছে; যিয়ে মৃত্যুমুখী ৰোগীক নিশ্চিত মৃত্যু মুখৰ পৰা ঘূৰাই আনিব পাৰে। তদুপৰি মায়াপাইৰোলেট (Myopyrolate) কেলচিয়াম গ্লুকুনেট (Calcium Gluconate) আদি জাতীয় ঔষধেও সৰ্প দংশনৰ চিকিৎসাত উল্লেখযোগ্য ভূমিকা লোৱা দেখা যায়।

**চৰকাৰী পদক্ষেপ**

ভাৰত তথা অসম চৰকাৰে সৰ্প দংশনৰ ক্ষেত্ৰত যথেষ্ট পদক্ষেপ লোৱা দেখা গৈছে। যোৱা ২০২৪ চনৰ মাৰ্চৰ পৰা ভাৰত তথা অসম চৰকাৰে Snake Bite Control Programme আৰম্ভ কৰিছে।

**সৰ্প দিৱস**

সাপৰ লগত সংগতি ৰাখি সমগ্ৰ বিশ্বৰ লগতে অসম তথা ভাৰতবৰ্ষত ১৯ ছেপ্তেম্বৰ দিনটো 'সৰ্প দংশন সজাগতা দিৱস (Snake Bite Awareness Day) হিচাবে উদযাপন কৰা হয়। তদুপৰি জুলাই মাহৰ ১৬ তাৰিখ দিনটো 'বিশ্ব সৰ্প দিৱসশ্চ World Snake Day) হিচাবে পালন কৰা হয়।

**উপ সংহাৰ**

সৰ্প দংশন এবিধ মৃত্যুমুখী Life Threatening দুৰ্যোগ। অসম চৰকাৰে অলপতে ইয়াক Notifiable Disease ৰ তালিকাভুক্ত কৰিছে। সজাগতা, তৎপৰতা আৰু আধুনিক উন্নত মানৰ চিকিৎসাই বিষাক্ত সাপৰ দংশনৰ ৰোগীকো আৰোগ্ৰঞ্জয কৰা সম্ভৱ কৰি তুলিছে।

দূৰভাষ নং- ৯৪৩৫০৭০৮৩৬

## লাজ বনাম লাচ ঃ অসমীয়াৰ স্বাৱলম্বিতাৰ সংকট

■ জয়দীপ লস্কৰ

বৰ্তমান সময়ত অসমীয়া সমাজ খন এক গভীৰ অৰ্থনৈতিক আৰু মানসিক সংকটৰ মাজেৰে অতিবাহিত হৈছে। অনুভৱ হয় ভৱিষ্যতলৈ অমানিশাৰ ঘোৰ অন্ধকাৰৰ দিশে গতি কৰিছে। বৰ্তমান সময়ত এফালে থলুৱা যুৱক-যুৱতীৰ কৰ্ম সংস্থাপনৰ অভাৱ আৰু আনফালে কৰ্মৰ মৰ্যাদা ধূলিসাৎ কৰা আমাৰ সমাজৰ একাংশ লোকৰ ভণ্ডামিপূৰ্ণ মানসিকতাই যেন বাৰে বাৰে হাত বাউলি দি মাতিছে আন্ধাৰৰ গহ্বৰলৈ। এই দুই বিপৰীতমুখী সোঁতে যেন সমাজ খনক এফালৰ পৰা পংগু কৰি পেলাইছে। সাম্প্ৰতিক সময়ত আমাৰ মাজৰে একাংশ লোকৰ মাজত দেখা পোৱা এক দুমুখীয়া নীতিয়ে সমাজৰ প্ৰগতিশীলতাক তীব্ৰ ভাৱে প্ৰত্যাহ্বান জনাইছে। আমাৰ সমাজত দেখা যায় যে, একাংশ ডেকাই বগা চোলা পিন্ধি হাতত ৰচিদ বহি লৈ চান্দা উঠাবলৈ কুণ্ঠাবোধ নকৰে। একাংশই অসমীয়া সাজ পৰিধান কৰি ৰাস্তাত গাড়ী ৰখাই ৰচিদ বহী লৈ কেতিয়াবা ধৰ্মৰ নামত, কেতিয়াবা কোনো উৎসব পালনৰ নামত চান্দা তোলা পৰিলক্ষিত হয়। আচলতে সেইবোৰ তেওঁলোকে এক সামাজিক দায়িত্ব বা অধিকাৰ বুলি গণ্য কৰে। কোনো শ্ৰম নকৰাকৈ সহজ ধনৰ পিছত দৌৰিব বিচাৰে। অপ্ৰিয় হ'লেও সত্য যে একাংশই কিন্তু দিনৰ দিনটো এনে কৰ্ম কৰিয়ে মদে ভাতে খাই মানসিক ভাৰসাম্য হেৰুৱাই সমাজত বিষবাষ্প বিয়পোৱাৰ উদাহৰণ নথকা নহয়। প্ৰকৃতাৰ্থত কৰ্মবিমুখতা বা শ্ৰমৰ প্ৰতি থকা অনিহাৰ বাবেই ৰাজ্যখনৰ অৰ্থনীতি আৰু ব্যৱহাৰিক ক্ষেত্ৰসমূহ লাহে লাহে বহিৰাগত লোকৰ হাতলৈ গুচি গৈছে। আনহাতে, ইয়াৰ আঁৰত কেৱল 'এলেহুৱা স্বভাৱ' নহয়, বৰং উপযুক্ত বৃত্তিমূলক শিক্ষাৰ অভাৱ, কৰ্মসংস্থাপনৰ সঠিক পৰিৱেশ, চৰকাৰী বিনামূলীয়া আঁচনি আৰু মানসিকতাৰ দৰে বহুতো সামাজিক-অৰ্থনৈতিক কাৰণো জড়িত হৈ আছে। কিন্তু সেই একে সকল যুৱকে যেতিয়া ছাগলী মঙহৰ দোকান এখন দি বা পশুপালনৰ ব্যৱসায় কৰি স্বাৱলম্বী হ'বলৈ বিচাৰে, তেতিয়া তেওঁলোকক সমাজৰ পৰা বিভিন্ন কাৰণত সমালোচনা, ককৰ্থনা বা অপমানিত কৰা হয়। গতিকে কৰ্ম সংস্কৃতিৰ ইয়াতকৈ অধঃপতন আৰু কি হ'ব পাৰে? কিয়নো সৎ উপ উপাৰ্জনেৰে জীয়াই থকাটো কোনো লাজৰ কথা নহয়, বৰঞ্চ আনৰ উপাৰ্জিত ধনৰ ওপৰত গুন্দাগিৰি কৰি সমাজৰ পৰা চান্দা তুলি ফুৰাটোহে আটাইতকৈ ডাঙৰ লাজৰ কথা হোৱা উচিত আছিল। ধৰ্ম আৰু সামাজিক নিয়মৰ নামত চলি থকা আন এক অন্ধতাই আমাৰ থলুৱা অৰ্থনীতিক ধ্বংসৰ মুখলৈ ঠেলি দিছে। অসমীয়া মানুহে মাংস খাবলৈ পালে একো অসুবিধা নাপায়, কিন্তু পোহপাল কৰিবলৈ গ'লেই ধৰ্মৰ কথাকৈ বিভিন্ন ধৰনে ককৰ্থনা কৰাও পৰিলক্ষিত হয়। কুকুৰা পুহিলে সমাজৰ একাংশই আজিও ধৰ্মৰ নামত এঘৰীয়া কৰাৰ ভাবুকি দিয়ে। বৰ্তমান সময়ত গৰু-ছাগলী পুহিবলৈও এলাহ চোৰৰ উৎপাত বাঢ়িছে আৰু আমাৰ পাম সমূহো উদং হৈ পৰিছে। ইয়াৰ পৰিণাম কি হৈছে? আজি অসমৰ মাংস, কণী, মাছ আৰু গাখীৰৰ বজাৰখন সম্পূৰ্ণৰূপে বহিঃৰাজ্যৰ ব্যৱসায়ীৰ নিয়ন্ত্ৰণলৈ গুচি গৈছে। সঁচা কথা ক'বলৈ গ'লে আমি খাবলৈ ভাল পাওঁ, কিন্তু উৎপাদন কৰিবলৈ লাজ পাওঁ- এই আত্মঘাতী মানসিকতাই যেন অসমক অৰ্থনৈতিকভাৱে সম্পূৰ্ণ ৰূপে পংগু কৰি তুলিছে। কিন্তু সেইবোৰ দৃষ্টি দিবলৈ আমাৰ সময়ৰ আহৰি নাই। কেৱল যেন আমি চৰকাৰৰ বিনামূলীয়া আঁচনি আৰু সহজ ধনৰ পিছত দৌৰি ফুৰিছোঁ। অসমীয়া জাতিৰ সংকটৰ সময়ত চিন্তা কৰিবলৈ অকনমান সময়ৰ আহৰি হবনে? বৰ্তমান জাতিৰ সংকটৰ সময় আহি পৰিছে, হে অসমীয়া ৰাইজ, আপোনালোক সাৰ পাওক আৰু গভীৰ ভাৱে চিন্তা কৰক। ধৰ্ম আৰু সমাজ কেতিয়াও প্ৰগতিৰ হেঙাৰ হ'ব নোৱাৰে। শ্ৰমৰ কোনো জাতি বা ধৰ্ম নাথাকে। যিদিনা আমাৰ সমাজে বিনামূলীয়া আঁচনি, চান্দা সংস্কৃতিক পৰিত্যাগ কৰি পশুপালন, কৃষি আৰু থলুৱা ব্যৱসায়ত আত্মনিয়োগ কৰা যুৱক সকলক বুকুত সাৱটি ল'ব, সেই দিনাহে অসমীয়া জাতিৰ বসতিৰ স্থল অসম প্ৰকৃত অৰ্থত স্বাৱলম্বী আৰু সৰ্বাংগীণ উন্নয়নৰ ধাৰা বিকশিত হ'ব। এই কুসংস্কাৰ আৰু দুমুখীয়া নীতি ত্যাগ নকৰিলে অনাগত দিনত থলুৱা মানুহ নিজৰ মাটিতেই অৰ্থনৈতিক দাসত্বৰ বলি হ'বলগীয়া হ'ব। আজিৰ অসমীয়াই নিজক নিচিনিলে অসমতে ভগনীয়া যে হ'ব এই কথা অপ্ৰিয় হ'লেও নিশ্চিত সত্য।

## জীৱনৰ সংগ্ৰামে শিকোৱা অমূল্য কথাবোৰ

হিমাংশু ৰণঞ্জজন ভূঞা

*০০০ জীৱনৰ সংগ্ৰামে কৃতজ্ঞতাৰ গুৰুত্বও শিকায়। যিসকলে সংগ্ৰামৰ সন্মুখীন হৈছে, সিহঁতে জীৱনৰ সৰু সৰু আনন্দবোৰৰ মূল্য অধিক বুজে। যিজনে আৰ্থিক সংকট অনুভৱ কৰিছে, তেওঁ আৰ্থিক স্থিৰতাৰ মূল্য বেছিকৈ বুজে। যিজনে নিঃসংগতাৰ সন্মুখীন হৈছে, তেওঁ অৰ্থপূৰ্ণ সম্পৰ্কবোৰক অধিক মূল্য দিয়ে। যিসকলে ৰোগৰ সন্মুখীন হৈছে, সিহঁতে সুস্থতাৰ মূল্য বুজে, যিটো আনেহে হেলাৰ ভাৱে ল'ব পাৰে। সংগ্ৰামে জীৱনৰ সঁচা অৰ্থবোৰক পোহৰলৈ আনে, ব্যক্তিক বস্তুবাদী ইচ্ছাৰ পৰা জীৱনৰ মৌলিক দিশলৈ লৈ যায়। ই স্মৰণ কৰাই দিয়ে যে যি আছে তাৰ বাবে কৃতজ্ঞ হোৱা উচিত, নাই তাৰ বাবে হতাশ হোৱা উচিত নহয়।০০০*

জীৱন এক অনিশ্চিত যাত্ৰা, য'ত সংগ্ৰাম এক অবিচ্ছেদ্য অংগ । প্ৰতিজন ব্যক্তি, তেওঁৰ পটভূমি, স্থিতি বা আকাংক্ষা যি নহওক কিয়, সংগ্ৰামৰ সন্মুখীন হৈছে বা হ'বলগীয়া হয়। এই সংগ্ৰাম আৰ্থিক, মানসিক, সামাজিক বা ব্যক্তিগত যিকোনো ৰূপত জীৱনলৈ আহিব পাৰে, ই কেৱল বাধা নহয়, ইয়াৰ দ্বাৰা ব্যক্তিৰ চৰিত্ৰ গঢ় লয়, দৃষ্টিভংগী পৰিশোধিত হয় আৰু সহনশীলতা দৃঢ় হয়। প্ৰকৃততে এই সংগ্ৰাম, যন্ত্ৰণা, ব্যৰ্থতা আৰু প্ৰতিকূলতাৰ মাজেদি জীৱনে প্ৰতিজন মানুহক এনে জ্ঞান দিয়ে, যি কোনো কিতাপ বা শ্ৰেণীকোঠাই দিব নোৱাৰে। এই সংগ্ৰামবোৰে ধৈৰ্য্য, সহিষ্ণুতা, নম্ৰতা আৰু সংকটৰ মাজতো উভতি অহাৰ ক্ষমতা শিকায়।

সংগ্ৰামৰ পৰা প্ৰথম আৰু সম্ভৱতঃ আটাইতকৈ গভীৰ শিক্ষা হ'ল সহনশীলতা। মানুহ অতি সহজতে পৰিৱৰ্তনৰ সৈতে খাপ খুৱাব পৰা প্ৰাণী, আৰু সংগ্ৰামৰ মাজেদিয়েই নিজৰ অন্তৰ্নিহিত শক্তি আৱিষ্কাৰ কৰে। প্ৰত্যাহ্বানবোৰে এজন ব্যক্তিৰ সহ্যক্ষমতা আৰু চাপ, হতাশা আৰু অনিশ্চয়তা সহ্য কৰাৰ ক্ষমতা পৰীক্ষা কৰে। যিজনে কেতিয়াও কষ্টৰ সন্মুখীন হোৱা নাই, তেওঁ জীৱনৰ অনিশ্চিত পথত আগবাঢ়িবলৈ প্ৰয়োজনীয় দৃঢ়তাৰ অভাৱ হ'ব পাৰে। যিসকলে যন্ত্ৰণা আৰু সংগ্ৰাম সহ্য কৰিছে, সিহঁতে ভৱিষ্যতৰ প্ৰত্যাহ্বানবোৰৰ সন্মুখীন হ'বলৈ অধিক আত্মবিশ্বাসী হয়। প্ৰতিকূলতাই সহনশীলতা গঢ়ি তোলে, যিয়ে ব্যক্তিক আগতকৈও শক্তিশালী হৈ উভতি আহিবলৈ সাহস দিয়ে।

সংগ্ৰামে ধৈয্যৰ মূল্য শিকায়। বৰ্তমান যুগটোত প্ৰতিক্ষেত্ৰত তৎক্ষণাত সন্তুষ্টি বিচৰা হয়, ধৈয্যক প্ৰায়ে উপেক্ষা কৰা হয়। কিন্তু কঠিন সময়বোৰে দেখুৱায় যে সকলো কথা ত্বৰিতভাৱে সিদ্ধি হ'ব নোৱাৰে, আৰু সঁচা প্ৰগতিত সময় লাগে। ধনৰ অভাৱ অতিক্ৰম কৰা, মানসিক আঘাতৰ পৰা সুস্থ হোৱা বা কেৰিয়াৰ গঢ়ি তোলা-এইবোৰত ধৈয্য অতি প্ৰয়োজনীয়। সংগ্ৰামে স্মৰণ কৰাই দিয়ে যে সফলতা আৰু সুখ সদায় তৎক্ষণাত নাথাকে; ইয়াৰ বাবে প্ৰচেষ্টা, ধাৰাবাহিকতা আৰু অধ্যৱসায়ৰ প্ৰয়োজন। যিসকলে ব্যৰ্থতাৰ সন্মুখীন হৈছে, সিহঁতে বুজে যে ভাল বস্তুবোৰ সাধাৰণতে সময় লয়, আৰু ইয়াৰ দ্বাৰা দীৰ্ঘম্যাদী প্ৰতিশ্ৰুতিৰ ভাৱ জাগ্ৰত হয়। সংগ্ৰামৰ পৰা আহৰণ কৰা আন এক গুৰুত্বপূৰ্ণ শিক্ষা হ'ল নম্ৰতা। সংগ্ৰামে ব্যক্তিক নম্ৰ কৰে, অহংকাৰ আৰু অধিকাৰবোধ আঁতৰাই দিয়ে। যেতিয়া এজন ব্যক্তিয়ে ক্ষতি, ব্যৰ্থতা বা হতাশা অনুভৱ কৰে, তেতিয়া তেওঁ জীৱনৰ অনিশ্চয়তাৰ বিষয়ে গভীৰভাৱে বুজিবলৈ সক্ষম হয়। তেওঁ উপলব্ধি কৰে যে সংগ্ৰামৰ পৰা কোনোৱেই মুক্ত নহয়, আৰু এই উপলব্ধিয়ে সহানুভূতি আৰু দয়াৰ ভাৱ জগায়। যিসকলে কষ্ট ভোগ কৰিছে, তেওঁলোক অধিক দয়ালু, সহানুভূতিশীল আৰু নিৰপেক্ষ হ'বলৈ শিকে। সংগ্ৰামে মানুহৰ মাজৰ দূৰত্ব কমাই আনে, সিহঁতক স্মৰণ কৰাই দিয়ে যে সকলোৱে একে মানৱীয় অনুভূতি ভোগ কৰে, আৰু ইয়াৰ দ্বাৰা মানুহে আনৰ পৰা পোৱা সহায় আৰু সহযোগিতাৰ মূল্য বুজে।

ব্যৰ্থতা, যাক প্ৰায়ে নেতিবাচক ফলাফল বুলি গণ্য কৰা হয়, জীৱনৰ আটাইতকৈ ডাঙৰ শিক্ষক। বহুতে ব্যৰ্থতাৰ পৰা ভয় খায় আৰু ইয়াক এৰাই চলিবলৈ চেষ্টা কৰে, কিন্তু ব্যৰ্থতাই আত্ম-উন্নতি আৰু সফলতাৰ চাবি-কাঠি ধৰি ৰাখে। প্ৰতিটো প্ৰত্যাহ্বানে উন্নতিৰ সুযোগ দিয়ে, ব্যক্তিক তেওঁলোকৰ ভুলবোৰ বিশ্লেষণ কৰিবলৈ, তেওঁলোকৰ কৌশলবোৰ পৰিশোধিত কৰিবলৈ আৰু উন্নত পদ্ধতি বিকাশ কৰিবলৈ অনুমতি দিয়ে। বিজ্ঞান, সাহিত্য, ব্যৱসায় বা ক্ৰীড়াৰ ক্ষেত্ৰত ইতিহাসৰ আটাইতকৈ সফল ব্যক্তিসকলেও মহানতা লাভ কৰাৰ আগতে বহু ব্যৰ্থতাৰ সন্মুখীন হৈছে। তেওঁলোকে বুজিছিল যে ব্যৰ্থতা এক শেষ নহয়, বৰঞ্চ এক পদক্ষেপ মাত্ৰ। সংগ্ৰামে শিকায় যে প্ৰত্যাহ্বানবোৰক পৰাজয় হিচাপে নাচাব লাগে, বৰঞ্চ ইয়াক শিকা আৰু উন্নতিৰ সুযোগ হিচাপে গণ্য কৰিব লাগে।

জীৱনৰ সংগ্ৰামে কৃতজ্ঞতাৰ গুৰুত্বও শিকায়। যিসকলে সংগ্ৰামৰ সন্মুখীন হৈছে, সিহঁতে জীৱনৰ সৰু সৰু আনন্দবোৰৰ মূল্য অধিক বুজে। যিজনে আৰ্থিক সংকট অনুভৱ কৰিছে, তেওঁ আৰ্থিক স্থিৰতাৰ মূল্য বেছিকৈ বুজে। যিজনে নিঃসংগতাৰ সন্মুখীন হৈছে, তেওঁ অৰ্থপূৰ্ণ সম্পৰ্কবোৰক অধিক মূল্য দিয়ে। যিসকলে ৰোগৰ সন্মুখীন হৈছে, সিহঁতে সুস্থতাৰ মূল্য বুজে, যিটো আনেহে হেলাৰ ভাৱে ল'ব পাৰে। সংগ্ৰামে জীৱনৰ সঁচা অৰ্থবোৰক পোহৰলৈ আনে, ব্যক্তিক বস্তুবাদী ইচ্ছাৰ পৰা জীৱনৰ মৌলিক দিশলৈ লৈ যায়। ই স্মৰণ কৰাই দিয়ে যে যি আছে তাৰ বাবে কৃতজ্ঞ হোৱা উচিত, নাই তাৰ বাবে হতাশ হোৱা উচিত নহয়।

সংগ্ৰামৰ আটাইতকৈ পৰিৱৰ্তনকাৰী দিশ হ'ল আভ্যন্তৰীণ শক্তিৰ আৱিষ্কাৰ। বহুতে নিজৰ সহনশীলতাৰ বিষয়ে অজ্ঞাত থাকে, যেতিয়ালৈকে তেওঁলোকে কঠিন পৰিস্থিতিৰ সন্মুখীন নহয়। সংগ্ৰামে ব্যক্তিক তেওঁলোকৰ সীমাবদ্ধতাৰ পৰা আঁতৰাই আনে, তেওঁলোকৰ অজ্ঞাত শক্তিৰ সৈতে পৰিচয় কৰাই দিয়ে। হৃদয়ভংগ, আৰ্থিক সংকট বা আত্ম-সন্দেহৰ সন্মুখীন হোৱা ব্যক্তিয়ে দেখে যে মানুহে কল্পনা কৰাতকৈও অধিক সামথ্যৰ অধিকাৰী। এই উপলব্ধিয়ে কেৱল আত্মবিশ্বাস বৃদ্ধি নকৰে, বৰঞ্চ এনে এক ক্ষমতাৰ ভাৱ জগায়, যিয়ে জীৱনজুৰি থাকে। একেদৰে সংগ্ৰামে অগ্ৰাধিকাৰবোৰক পুনৰ সংজ্ঞায়িত কৰে। জীৱন সহজ হ'লে, তুচ্ছ চিন্তাবোৰে মানুহক আগুৰি ধৰে। কিন্তু যেতিয়া প্ৰতিকূলতা আহে, ই ব্যক্তিক পুনৰ মূল্যায়ন কৰিবলৈ বাধ্য কৰে যে কি সঁচাকৈয়ে গুৰুত্বপূৰ্ণ। ক্ষতিৰ সন্মুখীন হোৱা এজন ব্যক্তিয়ে জীৱনৰ নাজুক অৱস্থা বুজি সম্পৰ্কবোৰক অধিক মূল্য দিয়ে। ব্যৰ্থতাৰ সৈতে সংগ্ৰাম কৰা এজনে বাহ্যিক প্ৰশংসাতকৈ প্ৰচেষ্টা আৰু অধ্যৱসায়ক অগ্ৰাধিকাৰ দিয়ে। সংগ্ৰামে বিক্ষেপবোৰ আঁতৰাই আনে আৰু ব্যক্তিক জীৱনৰ সঁচা অৰ্থবোৰৰ ওপৰত গুৰুত্ব দিবলৈ বাধ্য কৰে। ই ক্ষণস্থায়ী সফলতাৰ পৰিৱৰ্তে প্ৰেম আৰু ব্যক্তিগত সন্তুষ্টিৰ স্থায়ী মূল্যক প্ৰকাশ কৰে।

সংগ্ৰামৰ পৰা আহৰণ কৰা আন এক গুৰুত্বপূৰ্ণ পাঠ হ'ল সহানুভূতি। যিসকলে যন্ত্ৰণা আৰু সংগ্ৰামৰ সন্মুখীন হৈছে, তেওঁলোকে আনৰ কষ্টবোৰৰ প্ৰতি অধিক সহানুভূতিশীল হয়। তেওঁলোকে আন মানুহে কৰা নীৰৱ সংগ্ৰামবোৰ বুজি পায় আৰু দ্ৰুত বিচাৰ নকৰে। প্ৰত্যাখ্যানৰ সন্মুখীন হোৱা এজনে বাদ পৰাৰ যন্ত্ৰণা বুজে। শোকৰ সন্মুখীন হোৱা এজনে আনৰ দুখৰ গভীৰতা বুজে। সংগ্ৰামে মানৱতাৰ সৈতে গভীৰ সম্পৰ্ক স্থাপন কৰে, ব্যক্তিক অধিক সহানুভূতিশীল আৰু সহায়কাৰী হ'বলৈ শিকায়। ই শিকায় যে আনৰ কঠিন সময়ত তেওঁলোকৰ পাশত থিয় হ'বলৈ গুৰুত্ব আছে, সহায়ৰ হাত আগবঢ়োৱাৰ গুৰুত্ব আছে।

বহুতে বিশ্বাস কৰে যে তেওঁলোকে নিজৰ জীৱন সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিব পাৰে, কিন্তু সংগ্ৰামে অস্তিত্বৰ অনিশ্চয়তা প্ৰকাশ কৰে। অনাকাংক্ষিত প্ৰত্যাহ্বান, ক্ষতি বা ব্যৰ্থতাই স্মৰণ কৰাই দিয়ে যে সকলো কথা তেওঁলোকৰ হাতত নাথাকে। যদিও প্ৰচেষ্টা আৰু সংকল্প গুৰুত্বপূৰ্ণ, কিছুমান পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰত থাকে। এই উপলব্ধিয়ে অস্বস্তিকৰ হ'ব পাৰে, কিন্তু ই মুক্তিদায়কো হ'ব পাৰে। জীৱনৰ অনিশ্চয়তাৰ সৈতে মানি লোৱাই ব্যক্তিক বৰ্তমান মুহূৰ্তক উপভোগ কৰিবলৈ শিকায়, ভৱিষ্যতৰ চিন্তাত অতিৰিক্ত মনোনিৱেশ নকৰাকৈ। ই শিকায় যে যি পৰিৱৰ্তন কৰিব পাৰি, তাৰ ওপৰত গুৰুত্ব দিব লাগে, আৰু যি পৰিৱৰ্তন কৰিব নোৱাৰি, তাক এৰি দিব লাগে।

সংগ্ৰামে সৃষ্টিশীলতা আৰু উদ্ভাৱনকো উৎসাহিত কৰে। বিশ্বৰ আটাইতকৈ ডাঙৰ আৱিষ্কাৰ, কলা-কৃষ্টি আৰু সাহিত্যিক শ্ৰেষ্ঠকৰ্মবোৰ সংগ্ৰামৰ পৰাই ওলাই আহিছে। কঠিন পৰিস্থিতিয়ে ব্যক্তিক নতুন সমাধান বিচাৰিবলৈ, তেওঁলোকৰ যন্ত্ৰণাৰ পৰা অৰ্থপূৰ্ণ বস্তু সৃষ্টি কৰিবলৈ বাধ্য কৰে। লেখকসকলে তেওঁলোকৰ সংগ্ৰামক কাহিনীলৈ ৰূপান্তৰিত কৰে, সংগীতজ্ঞসকলে হৃদয়ভংগক গীতলৈ ৰূপান্তৰিত কৰে, উদ্যোগীসকলে ব্যৰ্থতাক অভিনৱ ধাৰণালৈ ৰূপান্তৰিত কৰে। সংগ্ৰামে ব্যক্তিৰ ভিতৰত এক জুই জ্বলাই তোলে, যিয়ে তেওঁলোকক তেওঁলোকৰ যন্ত্ৰণাৰ পৰা অৰ্থ আৰু অভিব্যক্তি বিচাৰিবলৈ উদগনি দিয়ে।

সংগ্ৰামে আত্মনিৰ্ভৰশীলতাৰ গুৰুত্বও শিকায়। আনৰ পৰা সহায় অমূল্য যদিও, কেতিয়াবা নিজেই থিয় হ'বলগীয়া হয়। নিৰন্তৰ বাহ্যিক প্ৰশংসা নোপোৱাকৈ সংগ্ৰামৰ সন্মুখীন হোৱাই আত্মবিশ্বাস আৰু স্বাৱলম্বিতা গঢ়ি তোলে। যিসকলে নিঃসংগতা, প্ৰত্যাখ্যান বা ক্ষতিৰ সন্মুখীন হৈছে, সিহঁতে আত্মনিৰ্ভৰশীলতাৰ প্ৰয়োজনীয়তা বুজে। সিহঁতে আনৰ পৰা সুখ আৰু স্থিৰতা বিচৰাৰ পৰিৱৰ্তে নিজৰ আভ্যন্তৰীণ সম্পদৰ ওপৰত নিৰ্ভৰ কৰিবলৈ শিকে। এই আত্মনিৰ্ভৰশীলতাই গভীৰ আত্মবিশ্বাসৰ ভাৱ জগায় আৰু ভৱিষ্যতৰ প্ৰত্যাহ্বানবোৰৰ সৈতে সাহসেৰে মোকাবিলা কৰিবলৈ প্ৰস্তুত কৰে।

এটা কথা মনত ৰখা উচিত যে, কোনো সংগ্ৰাম চিৰস্থায়ী নহয়। আটাইতকৈ অন্ধকাৰ মুহূৰ্ততো সময় আগবাঢ়ি যায় আৰু এটা সময়ত পৰিৱৰ্তন আৰু সুস্থতা লৈ আহে। এই উপলব্ধিয়ে আশাৰ সঞ্চাৰ কৰে, স্মৰণ কৰাই দিয়ে যে যন্ত্ৰণা আৰু প্ৰতিকূলতা স্থায়ী অৱস্থা নহয়, বৰঞ্চ ই এক পৰ্যায় মাত্ৰ, যি পাৰ হৈ যায়। যিসকলে সংগ্ৰামৰ সন্মুখীন হৈছে, সিহঁতে বুজে যে আটাইতকৈ কঠিন পৰিস্থিতিতো আগবাঢ়িবলৈ এক পথ থাকে। এই দৃষ্টিভংগীয়ে সিহঁতক অধিক সহনশীলতাৰ সৈতে সংগ্ৰাম সহ্য কৰিবলৈ সাহস দিয়ে, কাৰণ সিহঁতে জানে যে ভাল দিনবোৰ আগত আছে।

সংগ্ৰামেই হ'ল জীৱনৰ সঁচা শিক্ষক, যিয়ে আমাক আমাৰ প্ৰকৃত সম্ভাৱনাৰ সৈতে পৰিচয় কৰাই দিয়ে। গতিকে, সংগ্ৰামক ভয় নকৰি ইয়াক এক শিক্ষাৰ সুযোগ হিচাপে গ্ৰহণ কৰাৰ লগতে ইয়াৰ পৰা শিকা আৰু আগবাঢ়ি যোৱাহে প্ৰকৃত মানুহৰ কাম। সংগ্ৰামে আমাক শিকায় যে জীৱনৰ প্ৰতিটো মুহূৰ্তই মূল্যৱান। ইয়াক সঠিকভাৱে ব্যৱহাৰ কৰিব লাগে, প্ৰতিটো সুযোগক গ্ৰহণ কৰিব লাগে আৰু প্ৰতিটো পৰিস্থিতিৰ পৰা শিকা উচিত। সংগ্ৰামৰ মাজেদিয়েই আমি আমাৰ জীৱনক সফল কৰিব পাৰোঁ, আমাৰ লক্ষ্যবোৰ সাকাৰ কৰিব পাৰোঁ আৰু আমাৰ চাৰিওফালৰ মানুহৰ জীৱনত এক ইতিবাচক পৰিৱৰ্তন আনিব পাৰোঁ। ই আমাক শিকায় যে জীৱনৰ সঁচা সুখ বাহ্যিক সফলতাৰ উৰ্ধত নহয়, বৰঞ্চ আত্মিক শান্তি আৰু মানৱীয় সম্পৰ্কৰ ওপৰত নিৰ্ভৰ কৰে।

সংগ্ৰামৰ মাজেদিয়েই আমি শিকোঁ যে আমাৰ নিয়ন্ত্ৰণৰ বাহিৰত বহুতো কথা আছে, কিন্তু আমাৰ প্ৰতিক্ৰিয়া আমাৰ হাতত। ই আমাক শিকায় যে প্ৰতিটো পৰিস্থিতিৰ পৰা শিকা আৰু আগবাঢ়িবলৈ এক সুযোগ আছে। সংগ্ৰামে আমাক শক্তিশালী কৰে, আমাক অধিক সংবেদনশীল কৰে আৰু আমাক আমাৰ সত্যিকাৰ মূল্যবোধবোৰৰ ওপৰত গুৰুত্ব দিবলৈ শিকায়।

শেষত, সংগ্ৰামে আমাক শিকায় যে জীৱন এক মূল্যবান উপহাৰ। ইয়াক সম্পূৰ্ণৰূপে জীয়াই ল'ব লাগে, প্ৰতিটো মুহূৰ্তক উপভোগ কৰিব লাগে আৰু প্ৰতিটো সংগ্ৰামক এক শিক্ষাৰ সুযোগ হিচাপে গ্ৰহণ কৰিব লাগে। সংগ্ৰামৰ মাজেদিয়েই আমি আমাৰ জীৱনক অৰ্থপূৰ্ণ কৰিব পাৰোঁ, আমাৰ স্বপ্নবোৰ সাকাৰ কৰিব পাৰোঁ আৰু আমাৰ চাৰিওফালৰ মানুহৰ জীৱনত এক ইতিবাচক পৰিৱৰ্তন আনিব পাৰোঁ।

**দূৰভাষ ঃ** ৮৪৮৬৪-০০১৫৭

# চৌতাৰাত বিদ্যুৎ উপ সংমণ্ডুলত ছাড়েন ভিজিট বিধায়কৰ



**বাতৰি কাকত, কচুগাঁও, ১৯ জুলাই ঃ** ৰাইজৰ অভাৱ-অভিযোগৰ ভিত্তিত বাওঁখুংগুৱী সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ ৰায়ে শনিবাৰে গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত চৌতাৰা-ঘোৰামাৰা বিদ্যুৎ উপ-সংমণ্ডুলত আকস্মিক পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত ঘোৰামাৰাত চলি থকা নিৰ্মাণকাৰ্যৰ অগ্ৰগতি পৰ্যালোচনা কৰি বিভাগীয় কৰ্তৃপক্ষক এমাহৰ ভিতৰত সকলো কাম সম্পূৰ্ণ কৰি উপ-সংমণ্ডুলটো মুকলি কৰাৰ কঠোৰ নিৰ্দেশ প্ৰদান কৰে। উল্লেখ্য যে, অঞ্চলটোৰ ২৮খন গাঁৱলৈ উন্নত বিদ্যুৎ যোগান নিশ্চিত কৰাৰ লক্ষ্যৰে চৌতাৰা-ঘোৰামাৰা বিদ্যুৎ প্ৰকল্পৰ কাম প্ৰায় দুবছৰ পূৰ্বে আৰম্ভ হৈছিল। কিন্তু নিৰ্ধাৰিত সময়ৰ পিছতো প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ নোহোৱাত স্থানীয় ৰাইজে দীৰ্ঘদিন ধৰি বিদ্যুৎ সেৱাৰ ক্ষেত্ৰত নানা সমস্যাৰ সন্মুখীন হৈ আহিছে। পৰিদৰ্শনকালত বিধায়ক ৰূপম চন্দ্ৰ ৰায়ে স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ আশ্বাস প্ৰদান কৰে। লগতে অঞ্চলটোৰ জৰাজীৰ্ণ পথৰ অৱস্থাও তেওঁ পৰিদৰ্শন কৰে। বিধায়কৰ লগত স্থানীয় পাৰিষদ এন্তাজ আলিয়েও বিধায়কগৰাকীক সহযোগিতা কৰে। বিধায়কগৰাকীয়ে স্পষ্টভাৱে কয় যে, কোনো ঠিকাদাৰে যদি কাম আধৰুৱাকৈ এৰি থয় বা দায়িত্বত গাফিলতি কৰে, তেন্তে বিভাগীয়ভাৱে কঠোৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নিৰ্মাণকাৰ্য সময়মতে সম্পূৰ্ণ কৰি ৰাইজক উন্নত বিদ্যুৎ সেৱা প্ৰদান নিশ্চিত কৰিবলৈ বিধায়ক গৰাকীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

## গোলাঘাটত মুষলধাৰ বৰষুণত জনজীৱন ব্যাহত

**বাতৰি কাকত, গোলাঘাট, ১৯ জুলাই ঃ** দেওবাৰে পুৱতি নিশাৰ পৰা ধাৰাসাৰভাৱে হোৱা বৰষুণে গোলাঘাট নগৰৰ জনজীৱন সম্পূৰ্ণৰূপে বিপৰ্যস্ত কৰি তুলিছে। প্ৰচণ্ড বৰষুণৰ ফলত নগৰৰ বহু অঞ্চলত ভয়াবহ জলাবদ্ধতাৰ সৃষ্টি হোৱাত সাধাৰণ ৰাইজে যথেষ্ট দুৰ্ভোগ ভুগিবলগীয়া হৈছে। অবিৰত বৰষুণৰ ফলত নগৰৰ নলাবোৰ সম্পূৰ্ণৰূপে পানীৰে উপচি পৰে। ফলস্বৰূপে বৰষুণৰ পানী ৰাজপথ আৰু গলিবোৰত বিয়পি পৰি নগৰৰ মাজমজিয়াত অৱস্থিত চক বজাৰ, শ্ৰীমন্ত নগৰ, কৃষ্ণ নগৰ, তপন নগৰ, শান্তিপুৰ, কুমাৰপট্টি আৰু হিন্দী স্কুল চাৰিআলিকে ধৰি কেইবাটাও অঞ্চলত কৃত্ৰিম বানৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। জলাবদ্ধতাৰ ফলত যান-বাহন চলাচল ব্যাহত হৈছে। বহু ঠাইত পথ-ঘাট পানীৰ তলত ডুব যোৱাত যানবাহন চালক আৰু পথচাৰীয়ে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। আনহাতে, উল্লিখিত অঞ্চলসমূহৰ বহু বাসগৃহতো বৰষুণৰ পানী সোমাই পৰাত স্থানীয় বাসিন্দাসকলৰ দুৰ্ভোগ অধিক বৃদ্ধি পাইছে। বহু পৰিয়ালে ঘৰুৱা সামগ্ৰী সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰাৰ লগতে দৈনন্দিন কাম-কাজ সম্পন্ন কৰাতো যথেষ্ট সমস্যাৰ সন্মুখীন হৈছে। স্থানীয় ৰাইজে প্ৰশাসনক নলা-নৰ্দমাৰ পানী নিষ্কাশন ব্যৱস্থা উন্নত কৰাৰ লগতে জলাবদ্ধতাৰ সমস্যাৰ স্থায়ী সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। একে ধৰণে বৰষুণ অব্যাহত থাকিলে পৰিস্থিতি আৰু অধিক জটিল হোৱাৰ আশংকা প্ৰকাশ কৰা হৈছে।

## অসমীয়া প্ৰতিদিনৰ সাংবাদিক কনক বৈশ্যক শুৱালকুছি ক'লা সন্মান বঁটা

**বাতৰি কাকত, শুৱালকুছি, বাতৰি কাকত, সৰুপথাৰ, ১৯ জুলাই ঃ** শুৱালকুছি নটৰাজ ক'লা কেন্দ্ৰৰ উদ্যোগত আৰু ৰাইভি ইন্টাৰনেছনেল সংস্থাৰ সহযোগত শুৱালকুছি ৰাজহুৱা প্ৰেক্ষাগৃহত ১৭ আৰু ১৮ জুলাইত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শুৱালকুছি কক্সলা মহোৎসৱৰ যোৱা নিশা সামৰণি পৰে। যোৱা নিশা অনুষ্ঠিত সামৰণি অনুষ্ঠানত আন কেইবাগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে অসমীয়া প্ৰতিদিনৰ শুৱালকুছিৰ সাংবাদিক কনক বৈশ্যক শুৱালকুছি ক'লা সন্মান বঁটা প্ৰদান কৰে। জ্যেষ্ঠ সাংবাদিক গৰাকীয়ে লাভ কৰা এনে সন্মানৰ বাবে শুৱালকুছি প্ৰেছ এছোচিয়েচনৰ সভাপতি দিলীপ মেধী আৰু সম্পাদক বিশ্বজিৎ দাসে শুভেচ্ছা জনাইছে। ক'লা সন্মান বঁটা লাভ কৰা আন ব্যক্তিসকল ক্ৰমে শংকৰী ক'লা কৃষ্টিৰ সাধক মলিন কলিতা, বিশিষ্ট সাংস্কৃতিক কৰ্মী হেমন্ত কলিতা। শুৱালকুছি গ্ৰাম্য সূৰ্য বঁটা প্ৰদান কৰা হয় হাজো শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, শুৱালকুছি ক'লা শিৰোমণি সন্মান আগবঢ়োৱা হয় আন্তঃৰাষ্ট্ৰীয় সত্ৰিয় নৃত্য শিল্পী ৰামকৃষ্ণ তালুকদাৰ, সংগীত নাটক একাডেমী বঁটা প্ৰাপক বিশিষ্ট অভিনেত্ৰী চেতনা দাস আৰু সত্ৰীয়া নৃত্য শিল্পী ৰিজুমণি শইকিয়াক। সেইদৰে শুৱালকুছি নটৰাজ ক'লা সন্মান লাভ কৰে ইউ এছ এৰ সুনিতা চিকাৰ, দিল্লীৰ ডাক্তৰ মেঘাদীপা দাস, উত্তৰ প্ৰদেশৰ সুধিলে দত্ত বিশ্ব কমা, হাজোৰ ডাঃ পঙ্কজ নমঃ শূদ্ৰ, শুৱালকুছিৰ নয়নমণি দাস, ৰঙিয়াৰ ৰূপম ডেকা, আৰু নলবাৰীৰ ধনজিত ডেকাক । উল্লেখ্য যে দুদিনীয়াকৈ অনুষ্ঠিত ক'লা মহোৎসৱৰ প্ৰথম দিনা বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে ডাঃ পঙ্কজ নমঃ শূদ্ৰ, ডাঃ মেঘাদিপা দাস আৰু জগাদীশ কাকতিয়ে। তাৰ পিছত আন্তঃৰাষ্ট্ৰীয় নৃত্য, গীত, বাদ্য, আৰু অভিনয় প্ৰতিযোগিতা আৰু নিশা নৃত্য গীতৰ সমাৰোহ অনুষ্ঠিত হয়। দ্বিতীয় দিনা পুৱা ৰৰ বজাৰ পৰা বিয়লি ৪ বজালৈ নৃত্য আৰু সংগীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আবেলি ৫ বজাৰ পৰা বিভিন্ন প্ৰতিযোগিতাৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। নিশা নৃত্য গীতৰ সমাৰোহৰে ক'লা মহোৎসৱৰ সামৰণি পৰে। উল্লেখনীয় যে ক'লা মহোৎসৱত উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰৰ একোটিকৈ দলে তেওঁলোকৰ লোক নৃত্য প্ৰদৰ্শন কৰে।

## পি এম আঁচনিৰ অধীনত গোলাঘাটৰ অনুসূচিত জাতিৰ পৰিয়াললৈ আৰ্থিক সহায়



**বাতৰি কাকত, গোলাঘাট, ১৯ জুলাই ঃ** গোলাঘাটত প্ৰধানমন্ত্ৰী অনুসূচিত জাতি অভ্যুদয় যোজনা, অৰ্থাৎ PM-AJAY আঁচনিৰ জৰিয়তে অনুসূচিত জাতিৰ পৰিয়ালসমূহক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, গোলাঘাটৰ উদ্যোগত আয়োজিত এক বিশেষ অনুষ্ঠানত আঁচনিখনৰ অধীনত নিৰ্বাচিত হিতাধিকাৰীসকলৰ মাজত আনুষ্ঠানিকভাৱে বিত্তীয় অনুদানপত্ৰ বিতৰণ কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিত্তীয় অনুদানপত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা আৱকাৰী বিভাগৰ মন্ত্ৰী অতুল বৰাই। আঁচনিখনৰ অধীনত গোলাঘাট জিলাৰ মুঠ ৩৩৪টা অনুসূচিত জাতিৰ আত্মসহায়ক গোট আৰু ৪৮গৰাকী অনুসূচিত জাতিৰ মহিলা সদস্যাক বিত্তীয় সাহায্য প্ৰদান কৰা হৈছে। উল্লেখ্য যে, নিৰ্বাচিত আত্মসহায়ক গোটৰ মহিলা সদস্যাসকলক সৰ্বাধিক ৫০ হাজাৰ টকা পৰ্যন্ত অথবা মুঠ প্ৰকল্প ব্যয়ৰ ৫০ শতাংশ-যিটো কম হয়-সেই অনুসৰি আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে।এই আৰ্থিক সাহায্যৰ জৰিয়তে হিতাধিকাৰী সকলে নিজৰ উপাৰ্জনৰ সুযোগ বৃদ্ধি কৰাৰ লগতে আত্মনিৰ্ভৰশীল হোৱাৰ সুযোগ লাভ কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।অনুষ্ঠানত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, দেৰগাঁও সমষ্টিৰ বিধায়ক মৃদুল দত্ত, গোলাঘাট জিলা পৰিষদৰ অধ্যক্ষা পূৰ্ণিমা দাস, উপাধ্যক্ষা গীতামণি বৰা, জিলা প্ৰশাসনৰ বিষয়াসকল, আত্মসহায়ক গোটৰ সদস্যাসকলৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ইউ এচ আৰ্ট গেলাৰীৰ পঞ্চবৰ্ষপূৰ্তী অনুষ্ঠান

**বাতৰি কাকত, ধমধমা, ১৯ জুলাই ঃ** নলবাৰী চহৰত ২০২১ চনত অলকেশ শৰ্মা আৰু কুইন দেৱীৰ কন্যা ড° উপাসনা শৰ্মাৰ নেতৃত্বত গঠণ হৈছিল ক্টইউ এচ আৰ্ট গেলাৰীক্ট নামৰ এটা সংস্থা।বিশ্বৰ চিত্ৰ শিল্পী সকলৰ লগত একেলগে কাম কৰাৰ উদ্দেশ্যৰে গঠণ হোৱা অনুষ্ঠানটোৰ পঞ্চ বৰ্ষপূৰ্তী পূৰ্ণ হয়। আজি নলবাৰী চহৰৰ নাহৰ ৰেষ্টুৰেণ্টত ইউ এচ আৰ্ট গেলাৰীৰ পঞ্চবৰ্ষপূৰ্তী অনুষ্ঠানটো অনুষ্ঠিত কৰা হয়। প্ৰথমতে ইউ এচ আৰ্ট গেলাৰীৰ স্বত্বাধিকাৰী উপাসনা শৰ্মাই এই পাচ বছৰীয়া বৰ্ণিল যাত্ৰা সন্দৰ্ভত আলোকপাত কৰে।লগতে উল্লেখ কৰে যে বিশ্বৰ বিছখন দেশৰ শিল্পী এই আৰ্ট গেলাৰীৰ লগত জড়িত হৈ আছে।লগতে বিশ্বৰ চিত্ৰ শিল্পীসকলৰ লগত একেলগে কাম কৰা হেপাহ। আজিৰ উক্ত অনুষ্ঠানত উপস্থিত থাকে নলবাৰীৰ জেষ্ঠ সাংবাদিক আব্দুল মজিদ,অসম টাইমৰ পৰিচালন সঞ্চালক এম মহিবৰ ৰহমান,কবি-শিক্ষক জয় চন্দ্ৰ শৰ্মা, যুৱ সাংবাদিক মৃদুল কলিতা,যুৱ নেতা অপূৰ্ব শৰ্মা আৰু ইউ এচ আৰ্ট গেলাৰীৰ সদস্য ৰাণা প্ৰতিম শৰ্মা।



## বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত উৰিয়ামঘাট বৰবিল শংকৰ গাঁৱৰ বাসিন্দা



**বাতৰি কাকত, সৰুপথাৰ, ১৯ জুলাই ঃ** সৰুপথাৰ বিধানসভা সমষ্টিৰ উৰিয়ামঘাটৰ বৰবিল শঙ্কৰ গাঁৱৰ প্ৰায় ২৫টা পৰিয়ালে আজিও দৈয়াং নদীৰ অপৰিষ্কাৰ ঘোলাপানী সেৱন কৰিয়েই তৃষ্ণা নিবাৰণ কৰিবলৈ বাধ্য হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। গাঁওখনত বসবাস কৰা উক্ত পৰিয়াল কেইটাৰ বাবে বৰ্তমানেও খোৱাপানীৰ একমাত্ৰ উৎস হক্সল গাঁওখনৰ কাষেৰে বৈ যোৱা দৈয়াং নদীখন । বছৰ বছৰ ধৰি দৈয়াং নদীৰ অপৰিষ্কাৰ পানীকে সেৱন কৰি আহিছে অঞ্চলটোৰ পৰিয়াল সমূহে। জনসাধাৰণৰ সুস্বাস্থ্যৰ বাবে বিশুদ্ধ খোৱাপানীৰ যোগানৰ দায়িত্বত থকা চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে আজি পৰ্যন্ত উক্ত গাঁওখনৰ ৰাইজৰ বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা নকৰাৰ অভিযোগ উঠিছে। নদীখনৰ অপৰিষ্কাৰ পানী সেৱন কৰি বহু শিশু ৰোগাক্ৰান্ত হোৱা বুলিও অভিযোগ আছে। তথাপিও উপায় বিহীন উক্ত পৰিয়াল সমূহে একে অৱস্থাৰে জীৱন নিৰ্বাহ কৰি থাকিব লগাত পৰিছে। গ্ৰাম্য অঞ্চল একোটাৰ এনে ছবিয়ে সততে উন্নয়নৰ শ্ল'গান দিয়া চৰকাৰৰ এক প্ৰকৃত ছবি পোহৰলৈ অহা বুলি বিভিন্ন মহলে মত ব্যক্ত কৰিছে। অঞ্চলবাসীয়ে শীঘ্ৰে অঞ্চলটোত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা গ্ৰহণৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।


**AFFIDAVIT**

I, RINA BIBI, C/o - Jamal Uddin Khan, a resident of Vill- Shimutapu No-2, PO - Shimutapu, PS - Gossaigaon, Dist- Kokrajhar, Assam do hereby solemnly affirmed and declared by an affidavit before the Notary public, Govt of Assam at Gossaigaon on 14/07/2026 that My actual and correct name is RINA BIBI as per my Aadhaar card, PAN Card and other documents, But my name has been wrongly recorded in my SBI Bank Account vide A/C No. 38139733870 under Srirampur Branch as RINA BEGUM in place of RINA BIBI. That, RINA BIBI and RINA BEGUM are the same person having one identical person i.e. myself.


# ড° গণেশ্বৰ চহৰীয়াৰ জীৱন সুগন্ধি উন্মোচনী অনুষ্ঠান -স্মৃতিচাৰণ সভা


**বাতৰি কাকত, বকো, ১৯ জুলাই ঃ** অসম মুলুকৰ এগৰাকী নক্ষত্ৰ যাৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰি শেষ কৰিব নোৱাৰি । বিশাল গুণৰ অধিকাৰী গৰাকীক স্মৰণ কৰি এনেদৰে কয় অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম বিধানসভাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। এই গৰাকী অফুৰন্ত প্ৰতিভাৰ অধিকাৰী হৈছে ৰাজ্যৰ প্ৰসিদ্ধ কৃতী শিক্ষক, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন শিক্ষাবিদ, সমাজসেৱক, সুবক্তা, বিজ্ঞান কৰ্মী কামৰূপ জিলাৰ বকোৰ ড° গণেশ্বৰ চহৰীয়া। এই গণেশ্বৰ চহৰীয়াৰ বিগত ১৭ জানুৱাৰীত অকাল বিয়োগ ঘটাত সৰ্বত্ৰে শোকৰ ছাঁ পৰিছিল। ইফালে কলেজ অৱ এডুকেশ্যনৰ বকো, বকো সাহিত্য সভা, বকো কণিষ্ঠ মহাবিদ্যালয়ৰ স্বপ্নদ্ৰষ্টা, বহু অনুস্থান প্ৰতিস্থানৰ ৰূপান্তৰৰ জনক, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ তথা কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি গৰাকীৰ আজি ৰাজহুৱা স্মৃতিচাৰণ সভা আৰু স্মৰণ গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। বকোস্থিত কলেজ অৱ এডুকেশ্যনৰ সভা কক্ষত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে ড° চহৰীয়াৰ স্মৃতিচাৰণ সভা খন। উল্লেখ্য যে কামৰূপ জিলা সাহিত্য সভা আৰু বকো সাহিত্য সভা শতদল শাখাৰ উদ্যোগত আয়োজিত অনুষ্ঠানত অসম সাহিত্য সভা, কামৰূপ জিলা সাহিত্য সভা আৰু অন্যান্য সামাজিক অনুষ্ঠানৰ বিষয় ববীয়াই সহযোগ আগবঢ়ায়। ইফালে বকোৰ শিক্ষাবিদ-সাহিত্যিক ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভাৰ কাৰ্যসুচী অনুসৰি ৰাতিপুৱা সদ্য বৈকুণ্ঠলৈ গমণ কৰা গণেশ্বৰ চহৰীয়াৰ বৃহৎ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বকো সাহিত্য সভা শতদল শাখাৰ সভাপতি নৃপেন ভাগৱতীয়ে। প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বকোৰ প্ৰাক্তন বিধায়ক তথা কলেজ অৱ এডুকেশ্যন বকোৰ পৰিচালনা সমিতিৰ সভাপতি জ্যোতিপ্ৰসাদ দাসে। অসম সাহিত্য সভাৰ হিতৈষী সভ্য তথা কামৰূপ জিলা সাহিত্য সভাৰ সদ্য প্ৰয়াত সভাপতি ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভাত পৌৰহিত্য কৰে কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ৰমেশ চন্দ্ৰ মেধিয়ে। কামৰূপ জিলা সাহিত্য সভাৰ সাধাৰণ সম্পাদক ৰজনী শালৈয়ে আত ধৰা কাৰ্যসুচীত চিৰ চেনেহী মোৰ ভাষা জননী শীৰ্ষক অসম সাহিত্য সভাৰ গীতটি পৰিৱেশন কৰা হয়। ইফালে কামৰূপ জিলা সাহিত্য সভা আৰু বকো সাহিত্য সভা শতদল শাখাৰ যৌথ উদ্যোগত আয়োজন কৰা তাৎপৰ্যপূৰ্ণ কাৰ্যসুচীত বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক ড° গণেশ্বৰ চহৰীয়াৰ শৈক্ষিক আৰু সামাজিক কৰ্মৰাজিক সোঁৱৰণ কৰি স্মাৰক বক্তৃতা প্ৰদান কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মা আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ পৰিচালনা সমিতিৰ সভাপতি লক্ষ্মীকান্ত শৰ্মাই। চহৰীয়াৰ সোঁৱৰণী স্মৃতি চাৰণ সভা তথা সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট শিক্ষাবিদ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° পৰমানন্দ ৰাজবংশী। ড° ৰাজবংশীয়ে ভাষণ প্ৰসংগত গণেশৰ চহৰীয়াক উজ্জ্বল নক্ষত্ৰ বুলি অভিহিত কৰি শৈশৱ, কৈশৰ আৰু লৰালি কালৰ উপৰিও জীৱিত সময়



চোৱাত কৰি যোৱা সামাজিক কৰ্মৰাজিক সোঁৱৰণ কৰে। অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ডঃ জগদীশ পাটগিৰি, বকো জে এন কলেজৰ অধ্যক্ষ ড° তপন দত্ত, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰকান্ত অধিকাৰী, কলেজ অৱ এডুকেশ্যনৰ অধ্যক্ষা শুভ্ৰা নাথ, ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ কাৰঞ্জ্যবাহী সদস্য সুমিত ৰাভা, অৰ্জুন চেত্ৰী, কামৰূপ জিলা পৰিষদৰ সদস্য কাম্বু ৰাম ৰাভা, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু সম্পাদক সকলোৰ উপৰিও বকো সাহিত্য সভা শতদল শাখাৰ সভাপতি নৃপেন ভাগৱতীয়ে সভা সুৱনি কৰে। বকো সাহিত্য সভাৰ সাধাৰণ সম্পাদক তথা বিশিষ্ট সমাজকৰ্মী জনাৰ্দ্দন বড়োৰ তৎপৰতাত সদ্য প্ৰয়াত শিক্ষাবিদ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° গণেশ্বৰ চহৰীয়াৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, স্মৃতিচাৰণ সভা আৰু সোঁৱৰণ গ্ৰন্থ উন্মোচনী সভাত তেখেতৰ জীৱনৰ বিষদ আলোকপাত কৰা হয়। অতি গুৰুত্বপূৰ্ণ বিষয়টোৰ আলোচনা চক্ৰত কামৰূপ জিলা সাহিত্য সভাৰ আকাশ উপ সমিতিৰ কাৰ্য্যকৰী সভানেত্ৰী ড° বিজয়া ডেকা, বকো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি -সভানেত্ৰী আৰু বিষয় ববীয়া সকলে সহযোগ আগবঢ়ায়। সভাত ড° চহৰীয়া দেৱৰ শিক্ষা -সামাজিক আৰু সাংস্কৃতিক কৰ্মৰাজিৰ অৱদানক সোঁৱৰণ কৰি অনুষ্ঠিত কৰা মনোজ্ঞ কাৰ্যসুচী বকোস্থিত কলেজ অৱ এডুকেশ্যনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা সভাত ড: গণেশ্বৰ চহৰীয়াৰ জীৱন সুগন্ধি শীৰ্ষক স্মাৰক গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া দেৱ কুমাৰ কলিতাই। অনুষ্ঠানত বহু বিশেষ কাৰ্যসুচী ৰূপায়ণ কৰা হয়।

দৈনিক বাতৰি ৰাকাত — সত্য আৰু ন্যায়ৰ সপক্ষে

# ডাঃ ভূপেন ডেকাৰ 'হুৰাই দিওঁ সৰগৰ তৰা' উন্মোচন




**গুৱাহাটী,১৯জুলাইঃ** শনিবাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্লাষ্টিক চাৰ্জাৰী বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ডাঃ ভূপেন ডেকাৰ দ্বাৰা ৰচিত চুটি গল্পৰ সংকলন 'হুৰাই দিওঁ সৰগৰ তৰা' গুৱাহাটীৰ আমবাৰীস্থিত গুৱাহাটী প্ৰেছ ক্লাবত উন্মোচন কৰা হয়। এই উন্মোচনী সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট গল্পকাৰ তথা সাহিত্য অকাডেমী বঁটা বিজয়ী সাহিত্যিক দেৱব্ৰত দাস, বিশিষ্ট লেখক, শিক্ষাবিদ তথা কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° মহেশ্বৰ কলিতাই যথেষ্ট সংখ্যক সাহিত্যনুৰাগীৰ উপস্থিত এই গ্ৰন্থ উন্মোচন কৰে। উক্ত সভাখনত আঁত ধৰে জয়ন্ত শমাই। ডাঃ ভূপেন ডেকাৰ এইখন যষ্ঠখন গ্ৰন্থ। ইয়াৰ আগতেও তেখেতে 'আমাৰ সাহিত্য সংস্কৃতিত চৰাই-চিৰিকটিৰ কথা'ৰ দৰে অতি তত্বগধুৰ কিতাপ ৰচনা কৰি থৈছে। ইয়াৰ পিছত তেওঁ ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাত ৰচিত কিতাপ 'উত্তৰ পূৰ্বাঞ্চলত মহাভাৰতৰ প্ৰসংগ' পুথি ৰচনা কৰে। তাৰ পিছত তেখেতে সাধাৰণ মানুহে বুজিব পৰাকৈ 'প্লাষ্টিক চাৰ্জাৰীৰ কথা' ৰচনা কৰিছে। ইয়াৰ উপৰিও 'Light and Shade' আৰু হাইকু কবিতা পুথিৰ সংকলন 'জোনাক নিশাৰ গান' ৰচনা কৰে। সভাৰ অন্তত এই গল্প সংকলনখনৰ প্ৰকাশন গোষ্ঠী প্ৰজ্ঞা মেডিয়াহাইপৰ হৈ উজ্জ্বল বৰাই শলাগৰ শৰাই আগবঢ়ায়।

# বিশেষ কৰ্কট ৰোগৰ অ'পিডি মুকলি এইচচিএমটি মণিপাল হাস্পতালে
## ধূমপান, খাদ্যাভ্যাসৰ ফলত অসমত বাঢ়িছে কৰ্কট ৰোগঃডাঃ বিক্ৰম কুমাৰ ডেকা

**গুৱাহাটী,১৯জুলাইঃ** সমগ্ৰ ভাৰতবৰ্ষতে ক্ৰমান্বয়ে বৃদ্ধি পোৱা কৰ্কট ৰোগৰ প্ৰতি লক্ষ্য ৰাখি দ্বাৰকাৰ এইচচিএমচিটি মণিপাল হাস্পতালে গুৱাহাটী মহানগৰীত এক বিশেষ অ'পিডি মুকলি কৰিছে। এই পদক্ষেপৰ উদ্দেশ্য হৈছে ৰোগীসকলে যাতে নিজৰ ঘৰৰ ওচৰতে সঠিক সময়ত বিশেষজ্ঞৰ পৰামৰ্শ লাভ কৰিব পাৰে, যাৰ ফলত উন্নত কৰ্কট ৰোগৰ পৰামৰ্শ আৰু চিকিৎসাৰ বাবে আন মহানগৰীলৈ যাবলগীয়া দূৰত্ব আৰু কষ্ট হ্ৰাস পাব।এই বিশেষ অ'পিডি প্ৰতিমাহৰ দ্বিতীয়টো দেওবাৰে পুৱা ১০বজাৰ পৰা দুপৰীয়া ১২বজালৈ গুৱাহাটীৰ লাচিত নগৰস্থিত ইউএইচএছ, ভিষ্টা ছুপাৰ স্পেচিয়েলিটি ক্লিনিকত আগবঢ়োৱা হ'ব। দ্বাৰকাৰ এইচচিএমচিটি মণিপাল হাস্পতালৰ ছাৰ্জিকেল অংক'লজী বিভাগৰ কনছালটেণ্ট ডাঃ বিক্ৰম



কুমাৰ ডেকাই এই অ'পিডি সেৱাত ৰোগীসকলক পৰামৰ্শ প্ৰদান কৰিব।দেশজুৰি কৰ্কট ৰোগৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধিৰ সময়তে এই সেৱা আৰম্ভ কৰা হৈছে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, ২০৫০ চনৰ ভিতৰত ভাৰতত কৰ্কট ৰোগীৰ সংখ্যা দুগুণ হোৱাৰ সম্ভাৱনা আছে। পাকস্থলী, স্তন, হাওঁফাওঁ, মুখগহ্বৰ আৰু জৰায়ুৰ মুখৰ কৰ্কট ৰোগেই বৰ্তমান আটাইতকৈ বেছিকৈ ধৰা পৰা কৰ্কট ৰোগৰ ভিতৰত অন্যতম। ইয়াৰ পৰাই প্ৰাৰম্ভিক স্ক্ৰীনিং, সঠিক সময়ত ৰোগ চিনাক্তকৰণ আৰু বিশেষজ্ঞৰ চিকিৎসাৰ গুৰুত্ব প্ৰকাশ পায়। ডাঃ ডেকাই কয় যে, কৰ্কট ৰোগৰ আশংকা থকা আৰু আক্ৰান্ত ৰোগীৰ ক্ৰমবৰ্ধমান সংখ্যাই নিয়মীয়া স্ক্ৰীনিং আৰু কৰ্কট ৰোগ বিশেষজ্ঞৰ সহায় সোনকালে পোৱাৰ প্ৰয়োজনীয়তাটোকে আঙুলিয়াই দিয়ে। তেওঁ উল্লেখ কৰে যে, প্ৰাৰম্ভিক পৰ্যায়ৰ কৰ্কট ৰোগ প্ৰায়ে ফলপ্ৰসূভাৱে চিকিৎসা কৰিব পৰা যায়। আনহাতে জটিল বা শেষৰ পৰ্যায়ৰ কৰ্কট ৰোগত আক্ৰান্ত ৰোগীসকলে এতিয়া মিনিমেলি ইনভেছিভ আৰু ৰব'টিক-সহায়ক অস্ত্ৰোপচাৰৰ সুবিধা ল'ব পাৰে, যিয়ে অধিক নিখুঁত চিকিৎসা, দ্ৰুত আৰোগ্য আৰু উন্নত ফলাফল প্ৰদান কৰে।গুৱাহাটী মহানগৰীত আৰম্ভ হোৱা এই নতুন কৰ্কট ৰোগৰ অ'পিডিয়ে অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বৰ বাবে এক উদীয়মান স্বাস্থ্যসেৱাৰ কেন্দ্ৰ হিচাপে চহৰখনৰ স্থানক অধিক শক্তিশালী কৰি তুলিছে। বিশেষজ্ঞৰ পৰামৰ্শ সহজলভ্য হোৱাৰ ফলত ৰোগীসকলে প্ৰাৰম্ভিক কৰ্কট মূল্যায়নৰ বাবে ডাঙৰ মহানগৰীসমূহলৈ যাত্ৰা কৰাৰ প্ৰয়োজন হ্ৰাস পাব বুলি আশা কৰা হৈছে। ইয়াৰ সমান্তৰালকৈ গুৱাহাটীত উন্নত ডায়গনষ্টিক সেৱা, বিশেষ ক্লিনিক আৰু আনুষংগিক স্বাস্থ্যসেৱা আন্তঃগাঁথনিৰ চাহিদাকো সমানে সহায় কৰিব।এইচচিএমচিটি মণিপাল হাস্পতালে জানিবলৈ দিয়ে যে এই পদক্ষেপ ৰোগীৰ ওচৰলৈ বিশেষ অংক'লজী সেৱা সম্প্ৰসাৰণ কৰাৰ বাবে এক বিস্তৃত পৰিকল্পনাৰ অংশ। বৰ্তমান মণিপাল হাস্পতালৰ নেটৱৰ্কে ভাৰতৰ ২৪খন চহৰত ৪৯খন হাস্পতাল পৰিচালনা কৰি আছে। য'ত ১২,৬০০তকৈও অধিক বিচনা আছে আৰু বছৰেকীয়াভাৱে ৮ মিলিয়নৰো অধিক ৰোগীক সেৱা আগবঢ়াই আহিছে।

# ২১গৰাকী এমডিআৰটি-যোগ্য উপদেষ্টা পঞ্জীয়ন টাটা এআইএৰ

**গুৱাহাটী,১৯জুলাইঃ** টাটা এআইএ লাইফ ইণ্ডুৰেন্সে অসমত ২১গৰাকী মিলিয়ন ডলাৰ ৰাউণ্ড টেবুল(এমডিআৰটি)যোগ্য উপদেষ্টা পঞ্জীয়ন কৰিছে। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ জীৱন বীমা খণ্ডত নিজৰ উপস্থিতি শক্তিশালী কৰাৰ লগতে ধাৰাবাহিকভাৱে চতুৰ্থ বছৰৰ বাবে এমডিআৰটি-যোগ্য উপদেষ্টাৰ সংখ্যাৰ ফালৰ পৰা ভাৰতৰ শীৰ্ষ বীমাকাৰী প্ৰতিষ্ঠান হিচাপে নিজৰ স্থান অক্ষুণ্ণ ৰাখিছে।২০২৬ চনৰ গ্লবেল এমডিআৰটি ৰেংকিং অনুসৰি, কামৰূপ(ম) আৰু কোকৰাঝাৰ জিলাৰ পৰা চাৰিগৰাকীকৈ এমডিআৰটি-যোগ্য উপদেষ্টা আছে। আনহাতে কাছাৰ জিলাৰ দুগৰাকী উপদেষ্টাই এই যোগ্যতা অৰ্জন কৰিছে। সমগ্ৰ ভাৰতবৰ্ষত টাটা এআইএই ১,৩৯৭গৰাকী এমডিআৰটি-যোগ্য উপদেষ্টা পঞ্জীয়ন কৰিবলৈ সক্ষম হৈছে। যাৰ ফলত প্ৰতিষ্ঠানটোৱে বিশ্বজুৰি ১৩সংখ্যক স্থান লাভ কৰিছে। এই মুঠ যোগ্যতা অৰ্জনকাৰীসকলৰ ভিতৰত ৬৯৫গৰাকী মহিলা, যি প্ৰতিষ্ঠানটোৰ মুঠ এমডিআৰটি সদস্যৰ প্ৰায় আধা অংশক প্ৰতিনিধিত্ব কৰে।এমডিআৰটিক জীৱন বীমা আৰু বিত্তীয় সেৱা বৃত্তিৰ ক্ষেত্ৰত এক গোলকীয় উৎকৃষ্টতাৰ মাপকাঠি হিচাপে গণ্য কৰা হয়। ই উপদেষ্টাসকলক নিজৰ পেচাদাৰী জ্ঞান, নৈতিক আচৰণ, উৎপাদনশীলতা আৰু গ্ৰাহক সেৱাৰ বাবে স্বীকৃতি প্ৰদান কৰে।টাটা এআইএ লাইফ ইণ্ডুৰেন্সৰ প্ৰপ্ৰাইটৰী বিজনেছৰ মুখ্য বিতৰণ বিষয়া ৰাকেশ শৰ্মাই কয় যে কোম্পানীটো সমগ্ৰ দেশতে এক ভৱিষ্যতৰ বাবে প্ৰস্তুত উপদেষ্টা নেটৱৰ্ক গঢ়ি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ, যি বিশ্বাসযোগ্য আৰু প্ৰয়োজন-ভিত্তিক বিত্তীয় নিৰ্দেশনা প্ৰদান কৰিবলৈ সক্ষম হ'ব। তেওঁ কয় যে, এই ধাৰাবাহিক স্বীকৃতিয়ে কোম্পানীটোৰ উপদেষ্টাসকলৰ গুণগত মান, স্থিৰতা আৰু প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰে।বীমা প্ৰতিষ্ঠানটোৱে লগতে জানিবলৈ দিয়ে যে ৫ৰ পৰা ৯ বছৰ ধৰি এমডিআৰটি যোগ্যতা অৰ্জন কৰা উপদেষ্টাসকলৰ তালিকাতো ২০৭গৰাকী উপদেষ্টাৰে ই ভাৰতৰ ভিতৰত প্ৰথম স্থান লাভ কৰিছে। টাটা এআইএ-ই যোগ কৰি কয় যে, অ'ৰা প্লেটফৰ্মৰ দ্বাৰা সমৰ্থিত উপদেষ্টা উন্নয়ন কাৰ্যসূচীয়ে এক পূৰ্ণকালীন বিত্তীয় পৰামৰ্শদাতা কেৰিয়াৰ গঢ়ি তুলিবলৈ প্ৰশিক্ষণ, মেণ্টৰশ্বিপ আৰু ডিজিটেল সবলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।কোম্পানীটোৱে লগতে কয় যে ২০২৬ বিত্তীয় বৰ্ষত পাঁচটা পাৰ্চিষ্টেন্সী কোহৰ্টৰ ভিতৰত চাৰিটাত প্ৰথম স্থান লাভ কৰিছে, যি শক্তিশালী গ্ৰাহক ধৰি ৰখাৰ ক্ষমতা আৰু দীৰ্ঘম্যাদী পলিচি বাহাল ৰখাটো সূচায়। টাটা এআইএই জনোৱা মতে, ২০২৬ চনৰ ৩১মাৰ্চলৈকে পৰিচালনাধীন সম্পদৰ পৰিমাণ আছিল ১.৪৬ লাখ কোটি টকা আৰু ২০২৬ বিত্তীয় বৰ্ষৰ বাবে ব্যক্তিগত ডেথ ক্লেইম নিষ্পত্তিৰ অনুপাত আছিল ৯৯.৪৫শতাংশ।

# শ্যাম ষ্টীল গ্ৰুপৰ দ্বাৰা তীখা প্ৰকল্পৰ আধাৰশিলা স্থাপন

**গুৱাহাটী, ১৯জুলাইঃ** পশ্চিম বংগৰ মুখ্যমন্ত্ৰী সুভেন্দু অধিকাৰীয়ে ১৭ জুলাইত শ্যাম ষ্টীল গ্ৰুপৰ তীখা সংমণ্ডলৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ অংশ হিচাপে ২ এমটিপিএ ক্ষমতাৰ একীকৃত তীখা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ৰজ্মপ্তু চনত প্ৰখ্যাত বেৰিৱালা পৰিয়ালে প্ৰতিষ্ঠা কৰা এই গোটটোৱে সাত দশকৰো অধিক সময়ৰ চহকী ঔদ্যোগিক উত্তৰাধিকাৰ বহন কৰি আহিছে। এই গোটৰ বাৰ্ষিক টাৰ্ণঅ'ভাৰ ১০,০০০কোটি টকাতকৈও অধিক আৰু ই ২৫,০০০ তকৈও অধিক লোকক প্ৰত্যক্ষভাৱে নিযুক্তি দিয়াৰ লগতে ১.২৫লাখতকৈও অধিক পৰিয়ালৰ জীৱিকা নিৰ্বাহত সহায় কৰিছে। ইয়াৰ তীখা সংমণ্ডলৰ এই সম্প্ৰসাৰণ কাৰ্যসূচীয়ে বাংকুৰাৰ দৰে অনগ্ৰসৰ জিলা আৰু অন্যান্য কম উন্নত জিলাসমূহত প্ৰচুৰ অৰ্থনৈতিক কাৰ্যকলাপৰ সূচনা কৰাৰ উপৰিও প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অতিৰিক্ত ১৫,০০০তকৈও অধিক লোকৰ বাবে সংস্থাপনৰ সুযোগ আৰু হাজাৰ হাজাৰ পৰিয়ালৰ বাবে জীৱিকাৰ পথ প্ৰশস্ত কৰিব। গোটৰ সঞ্চালক ললিত বেৰিৱালাই কয়, 'শ্যাম ষ্টীল গ্ৰুপৰ এইপ্ৰস্তাৱিত বিনিয়োগ কেৱল এটা বিত্তীয় প্ৰতিশ্ৰুতিয়েইনহয়, ই মূলতঃ 'আত্মনিৰ্ভৰ ভাৰত' আৰু 'বিকশিত পশ্চিমবংগ'ৰ ৰাষ্ট্ৰীয় আকাংক্ষাৰ সৈতে সংগতি ৰাখি গ্ৰহণ কৰা এক দূৰদৰ্শী পদক্ষেপ। নিজৰ প্ৰযুক্তিগত পাৰদৰ্শিতা, বিত্তীয় শক্তি, ব্যাপক ঔদ্যোগিক অভিজ্ঞতা আৰু দীৰ্ঘম্যাদী দৃষ্টিভংগীৰ বলত শ্যাম ষ্টীল গ্ৰুপ পশ্চিমবংগৰ ঔদ্যোগিক নৱজাগৰণৰ এক বিশ্বাসযোগ্য অংশীদাৰ হ'বলৈ সংকল্পবদ্ধ। আমাৰ এই পদক্ষেপসমূহ আমাৰ প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীৰ সৈতে সংগতিপূৰ্ণ আৰু ই সম্পূৰ্ণৰূপে ডাবল ইঞ্জিন চৰকাৰৰ দ্বাৰা পৰিচালিত। তেওঁ লগতে কয়, 'তীখা উৎপাদন ক্ষমতা বৃদ্ধিৰ লগে লগে, শ্যাম ষ্টীল গ্ৰুপে সমগ্ৰ দেশতে থকা ইয়াৰ ৫,০০০তকৈও অধিক পঞ্জীয়নভুক্ত ডীলাৰ পাৰ্টনাৰৰ ব্যাপক ব্যৱসায়িক নেটৱৰ্কৰ জৰিয়তে দেশজুৰি থকা প্ৰতিষ্ঠানিক আৰু খুচুৰা গ্ৰাহকসকলৰ বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ অধিক সুবিধাজনক স্থিতিত থাকিব। শ্যাম ষ্টীল গ্ৰুপৰ এই একক পদক্ষেপে পশ্চিমবংগক এক সজীৱ উৎপাদন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দিশত অনাগত হাজাৰ হাজাৰ পদক্ষেপৰ পথ প্ৰশস্ত কৰিব, য'ত দক্ষতা বিকাশ, উন্নত প্ৰযুক্তিৰ বিকাশ, গুণগত উৎকৃষ্টতা আৰু উদ্ভাৱনে মিলি ৰাজ্যৰ অৰ্থনীতিৰ বহনক্ষম উন্নয়নত অৱদান যোগাব আৰু অনাগত বছৰবোৰত ভাৰতক বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হিচাপে গঢ়ি তোলাৰ অগ্ৰদূত হিচাপে কাৰ্য কৰিব।

# এলাইফৰ চাৰিবিধ নতুন সামগ্ৰী মুকলি

**গুৱাহাটী,১৯ জুলাইঃ** এডব্লিউএল এগ্ৰি বিজনেছ লিমিটেড(পূৰ্বৰ আদানি উইলমাৰ লিমিটেড)ৰ ব্যক্তিগত যতন ব্ৰেণ্ড 'এলাইফ'এ নিজৰ নতুন ব্ৰেণ্ড প্ৰস্তাৰ খুবছুৰতি কুছ খাছৰ অংশ হিচাপে উন্নত ফৰ্মুলেচন, স্কিনকেয়াৰ-অনুপ্ৰাণিত উপাদান আৰু আধুনিক পেকেজিঙেৰে চাৰিটা নতুন ভেৰিয়েণ্টৰ সৈতে নিজৰ গা ধোৱা চাবোনৰ পৰ্টফলিঅ' পুনৰ মুকলি কৰিছে।এই নতুন পৰিসৰৰ চাবোনসমূহ ১৫জুলাইত কোম্পানীটোৰ মুন্দ্ৰা উৎপাদন কেন্দ্ৰত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। এই অনুষ্ঠানত সমগ্ৰ ভাৰতৰ এলাইফৰ ৫০গৰাকী শীৰ্ষ ডিষ্ট্ৰিবিউটৰ উপস্থিত থাকে। যিয়ে ব্ৰেণ্ডটোৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি স্পৰ্শ কৰাৰ লগতে ব্যৱসায়িক অংশীদাৰসকলৰ সৈতে সম্পৰ্ক অধিক শক্তিশালী কৰি তোলে। এই নতুন পৰ্টফলিঅ'ত এক্টিভ নিম্বু, হালধি চন্দন, ৰ'জী গ্ল' আৰু ফ্ৰেছ লিলি অন্তৰ্ভুক্ত কৰা হৈছে। কোম্পানীটোৰ মতে, চাবোনসমূহত এক উন্নত গা ধোৱাৰ অভিজ্ঞতা প্ৰদান কৰিবলৈ উন্নত ফৰ্মুলেচনৰ সৈতে সতৰ্কতাৰে নিৰ্বাচিত উপাদান আৰু বিশেষ সুগন্ধিৰ সংমিশ্ৰণ ঘটোৱা হৈছে। নতুনকৈ প্ৰস্তুত কৰা পেকেজিংটোৰ উদ্দেশ্য হৈছে বজাৰৰ শ্বেলফসমূহত ইয়াৰ দৃশ্যমানতা বৃদ্ধি কৰা আৰু প্ৰতিটো ভেৰিয়েণ্টৰ সুকীয়া উপকাৰিতাসমূহ প্ৰদৰ্শন কৰা।




এডব্লিউএল এগ্ৰি বিজনেছ লিমিটেডৰ বিক্ৰী আৰু বিপণন বিভাগৰ যুটীয়া অধ্যক্ষ মুকেশ মিশ্ৰই এই বিষয়ে কয় যে, 'কোম্পানীটোৱে গ্ৰাহকৰ পৰিৱৰ্তিত পছন্দসমূহৰ সৈতে খোজ মিলাই চলিবলৈ গুৰুত্ব দিছে। ইয়াৰ বাবে প্ৰতিষ্ঠানটোৱে এনে কিছুমান সামগ্ৰী বজাৰলৈ আনিছে যিয়ে বিশ্বস্ত ব্যক্তিগত যতনৰ সৈতে স্কিনকেয়াৰ-অনুপ্ৰাণিত উপকাৰিতা প্ৰদান কৰে। তেওঁ কয় যে, খুবছুৰতি কুছ খাছ প্ৰস্তাৱটোৱে দৈনন্দিন গা ধোৱাৰ প্ৰক্ৰিয়াটোক অধিক ফলপ্ৰসূ আৰু আনন্দদায়ক কৰি তুলিবলৈ কোম্পানীটোৱে কৰা প্ৰচেষ্টাক প্ৰতিফলিত কৰে।ন ৰূপত মুকলি কৰা এলাইফ গা ধোৱা চাবোনৰ এই পৰিসৰ সমগ্ৰ দেশৰ খুচুৰা প্ৰতিষ্ঠান আৰু আগশাৰীৰ বিতৰণ মাধ্যমসমূহৰ জৰিয়তে উপলব্ধ হ'ব।কলকাতা আৰু পশ্চিমবংগকে ধৰি পূব ভাৰতৰ বজাৰসমূহৰ বাবে, এই পুনৰ মুকলিয়ে এডব্লিউএল এগ্ৰি বিজনেছৰ এফএমচিজি বা ব্যক্তিগত যতন খণ্ডত স্থিতি অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে, য'ত মূল্য সংযোজিত স্কিনকেয়াৰ বৈশিষ্ট্যযুক্ত প্ৰিমিয়াম দৈনন্দিন অনাময় সামগ্ৰীৰ চাহিদা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। এই সম্প্ৰসাৰিত পৰ্টফলিঅ'ই কোম্পানীটোৰ বিতৰণ নেটৱৰ্কক সহায় কৰাৰ লগতে এই অঞ্চলটোৰ এফএমচিজি বজাৰত প্ৰতিযোগিতা বৃদ্ধি কৰাৰ সম্ভাৱনা আছে।

# লেখিকা সমাৰোহ সমিতিৰ গাড়ীগাঁও শাখাৰ কাৰ্যনিৰ্বাহক সমিতি গঠন

**গুৱাহাটী,১৯জুলাইঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ গাড়ীগাঁও লেখিকা শাখাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হৈছে। গাড়ীগাঁৱৰ 'জোনাক'শীৰ্ষক বাসগৃহত অনুষ্ঠিত সভাত সভানেত্ৰী হিচাপে সৰ্বসন্মতি ক্ৰমে মনোনীত কৰা অধ্যাপিকা ড° দীপামণি বৰুৱা দাসক। একেদৰে সম্পাদিকা হিচাপে ৰীণা দাস, যুটীয়া সহকাৰী সম্পাদিকা হিচাপে জুৰি ঠাকুৰীয়া আৰু কবিতা দাস,



কোষাধ্যক্ষ হিচাপে নুমলী দাস, সাংস্কৃতিক সম্পাদিকা হিচাপে দীপিকা দাস, প্ৰচাৰ বিভাগৰ সম্পাদিকা হিচাপে মনোনীত কৰা হয় টুটুমণি দাস, জুৰি দাস আৰু পাপৰি দাসক। ১২জুলাইত অনুষ্ঠিত সভাত সকলো ধৰণৰ সহায়-সহিযোগিতা আগবঢ়োৱা বাবে নৱজিত দাসলৈ গাড়ীগাঁও মহিলা লেখিকা শাখা সমাৰোহ সমিতিৰ তৰফৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰা হয়। জুৰি ঠাকুৰীয়া আৰু দীপিকা দাসে সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ দুটি কবিতাৰ আবৃত্তিৰে সভাৰ সামৰণি মৰা হয়। ইপিনে ৰীণা দাসে বন্তি প্ৰজ্বলন কৰি সভাৰ শুভাৰম্ভণি কৰে। আনহাতে আৰম্ভণি অনুষ্ঠানত শংখ বজাই অধ্যাপিকা ড° দীপামণি বৰুৱা দাসে, নাগাৰা সংগত কৰে নৱজিত দাসে, তাল বজাই মেঘালী দাসে আৰু স্থিৰচিত্ৰ গ্ৰহণ কৰে টুটুমণি দাসে। ৰাখিমণি কাশ্যপ আৰু আন সদস্যাসকলে উৰুলি ধ্বনি আৰু মাংগলিক কাৰ্যৰে গাড়ীগাঁও মহিলা লেখিকা শাখা সমাৰোহ সমিতিৰ শুভাৰম্ভ কৰে।

# সচিত্ৰপুথি সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত নাট্য,নৃত্য কৰ্মশালাৰ সফল সামৰণি

**গুৱাহাটী, ১৯জুলাইঃ** শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ড° বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত প্ৰশিক্ষাৰ্থীসকলে জুবিন গাৰ্গক সুঁৱৰি তেখেতৰ সৃষ্টিশীল গীতত নৃত্য পৰিৱেশন কৰে। তাৰপিছত 'বুঢ়া পৃথিৱী' শীৰ্ষক অনন্য সুন্দৰ নাটকেৰে এই নাট কৰ্মশালাখনৰ সফল সমাপ্তি ঘটে।প্ৰথমবাৰৰ বাবে দিব্যাংগ আৰু সাধাৰণ শিশুসকলক একগোট কৰি সচিত্ৰ পুথি সাংস্কৃতিক গোষ্ঠীয়ে অনুষ্ঠিত কৰা এই কৰ্মশালাৰ অন্তত অনুষ্ঠিত কৰা নাট্যানুষ্ঠানত উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ বহুমূলীয়া মন্তব্য প্ৰদান কৰে নাট্য জগতৰ সৈতে জড়িত কেইবাগৰাকীও প্ৰতিষ্ঠিত তথা স্বনামধন্য ব্যক্তিয়ে।উক্ত অনুষ্ঠানত উপস্থিত থাকি



প্ৰশিক্ষাৰ্থীসকলক উৎসাহিত কৰাৰ লগতে দিব্যাংগ তথা আন বহুকেইগৰাকী প্ৰতিভাবান শিশুৰ প্ৰতিভাক সচিত্ৰ পুথি সাংস্কৃতিক গোষ্ঠীৰ যোগেদি ৰাইজৰ আগত তুলি ধৰাৰ ক্ষেত্ৰত ৰাজীৱ কুমাৰ সাউদৰ এই প্ৰচেষ্টাৰ ভূয়সী প্ৰশংসা কৰে সংগীত নাটক অকাডেমীৰ প্ৰকল্প সঞ্চালক প্ৰতিভা শৰ্মাই। আনহাতে ষ্টিফেন হকিন্সৰ দৰে মহান বিজ্ঞানীৰ উদাহৰণ দি 'ঈৰদা'ৰ সঞ্চালক ৰমনী বৰ্মনে কয় যে, 'এই দিব্যাংগসকলৰ মাজৰ পৰা বিশেষ প্ৰতিভাসমূহ উলিয়াই অনাত প্ৰতিজ্ঞাবদ্ধ হোৱা ৰাজীৱ কুমাৰ সাউদৰ এই প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়।নাট্য জগতৰ আন এগৰাকী স্বনামধন্য ব্যক্তি জগদীশ পাটগিৰিয়ে ৰাজীৱ সাউদৰ এই অনন্য প্ৰচেষ্টাৰ একেমুখে শলাগ লয়। আনহাতে দিব্যাংগ তথা সাধাৰণ শিশুসকলক লৈ এনে এখন সৰ্বাংগসুন্দৰ নাট মঞ্চস্থ কৰাৰ ক্ষেত্ৰত সচিত্ৰ পুথি সাংস্কৃতিক গোষ্ঠী হয়তো অসমৰ ভিতৰতেই প্ৰথমটো অনুষ্ঠান বুলি শলাগ লৈ এই নাটখনক ৰাষ্ট্ৰীয় পৰ্যায়ৰ মঞ্চলৈ আগবঢ়াই লৈ যাবলৈ ৰাজীৱ সাউদে আহ্বান জনায়।

# নীট-২০২৬ত শিক্ষাৰ্থীৰ উন্নত প্ৰদৰ্শন উদযাপন ফিজিক্সৱালাৰ

**গুৱাহাটী, ১৯ জুলাইঃ** আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান ফিজিক্সৱালাই ঘোষণা কৰিছে ২০২৬ বৰ্ষৰ নীটৰ ফলাফল। শিক্ষা প্ৰতিষ্ঠানখনৰ একাধিক ছাত্ৰছাত্ৰীয়ে নীটত সৰ্বভাৰতীয় পৰ্যায়ত শীৰ্ষস্থান লাভ কৰিবলৈ সক্ষম হৈছে। সফলতা অৰ্জন কৰা উল্লেখযোগ্য কেইগৰাকীমান শিক্ষাৰ্থী হৈছে- ৰবিকান্ত দিৱাকৰ (সৰ্বভাৰতীয় ৰেংকিং ৫৫), শিৱাংশ আনন্দ (সৰ্বভাৰতীয় ৰেংকিং ১৫২), দিব্যাংশ জয়ছৱাল (সৰ্বভাৰতীয় ৰেংকিং ১৭৩)আৰু সাক্ষী কুমাৰী (সৰ্বভাৰতীয় ৰেংকিং ১৯২)। এই কৃতিত্বসমূহ পি ডব্লিউৱে প্ৰদান কৰিবলৈ চেষ্টা কৰা শিক্ষণ পৰিৱেশ তন্ত্ৰৰ নমনীয়তাৰ প্ৰমাণ। ইয়াত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ ব্যক্তিগত পছন্দ আৰু শিক্ষণ শৈলীৰ ওপৰত নিৰ্ভৰ কৰি অনলাইন পাঠ্যক্ৰম বা অফলাইন, প্ৰযুক্তি-সক্ষম পি ডব্লিউ বিদ্যাপীঠ কেন্দ্ৰৰ জৰিয়তে উচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হয় । তদুপৰি গুৱাহাটীত ছাত্ৰ-ছাত্ৰীৰ উন্নত প্ৰদৰ্শনক উদযাপন কৰি এক অনুষ্ঠান আয়োজন কৰা হয়, য'ত উপস্থিত থাকে আয়াং পেগু (সৰ্বভাৰতীয় ৰেংকিং ২১৮০) আৰু ইমৰাণ হুছেইন চৌধুৰী (সৰ্বভাৰতীয় ৰেংকিং ৩৯৯৯)ৰ লগতে গুৱাহাটীৰ ফিজিক্সৱালাৰ কেইগৰাকীমান উন্নত প্ৰদৰ্শনকাৰী শিক্ষাৰ্থী। সফলতা সন্দৰ্ভত ৰবিকান্ত দিৱাকৰে কয়, 'মোৰ কঠোৰ পৰিশ্ৰমৰ ফল লাভ কৰি মই অতিশয় আনন্দিত। পি ডব্লিউৰ শিক্ষাই মোৰ সকলো খেলিমেলি সম্পূৰ্ণৰূপে দূৰ কৰাত সহায় কৰে। ইয়াৰ শিক্ষকসকলে ধাৰণাবোৰ ইমান সুন্দৰকৈ বুজাই দিয়ে যে আচলতে মই কেৱল মুখস্থ কৰাৰ পৰিৱৰ্তে সূত্ৰবোৰৰ আঁৰৰ যুক্তি বুজি পোৱাটো সহজ হৈ পৰে। যেতিয়াই মই কোনো কঠিন সমস্যাত আবদ্ধ হৈ পৰোঁ, ভিডিঅ'ৰ ব্যাখ্যাবোৰে মোক নিমিষতে সঠিক পদক্ষেপবোৰ দেখুৱাই দিয়ে, যাৰ ফলত মোৰ বহু সময় ৰাহি হ'ল।' শিৱাংশ আনন্দে মনৰ ভাব প্ৰকাশ কৰি কয়, 'এই স্ক'ৰ লাভ কৰাটো মোৰ বাবে এক আচৰিত অনুভৱ আৰু মই আনন্দিত যে মোৰ সকলো প্ৰচেষ্টা সফল হ'ল। মোৰ বাবে আটাইতকৈ ডাঙৰ সহায়ক আছিল প্ৰশ্নকাকতৰ দৈনিক অনুশীলন। নিয়মীয়া পৰীক্ষাবোৰে মোক সঠিকভাৱে শিকাইছিল যে, ভয় নকৰাকৈ কেনেদৰে নিজৰ গতি অব্যাহত ৰাখি নিৰ্ধাৰিত সময়খিনি মেনেজ কৰিব লাগে। শিক্ষকসকলেও মোৰ সকলো দিশৰ সন্দেহ দূৰ কৰাত সহায় কৰিছিল আৰু ক'ত ভুল কৰি আছোঁ সেয়া সুন্দৰকৈ দেখুৱাই দিছিল, যিয়ে মোক প্ৰকৃত পৰীক্ষাৰ আগতে সেইবোৰ ঠিক কৰাত সহায় কৰিছিল।' ফিজিক্সৱালাৰ প্ৰতিষ্ঠাপক তথা মুখ্য কাৰ্যবাহী বিষয়া অলখ পাণ্ডেয়ে কয়,'এই যাত্ৰাত কঠোৰ পৰিশ্ৰম, অনুশাসন মানি চলি অন্তৰেৰে প্ৰয়াস কৰা প্ৰতিজন নীট ২০২৬ৰ শিক্ষাৰ্থীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ। আপোনালোকৰ সমৰ্পণ সঁচায়ে প্ৰশংসনীয় ।ফলাফল উদযাপন কৰাসকলে সম্পূৰ্ণ নিজা প্ৰচেষ্টাৰে এই সফলতা অৰ্জন কৰিছে আৰু যিসকলে নিজৰ লক্ষ্যত উপনীত হোৱাত সাময়িকভাৱে ব্যৰ্থ হৈছে, তেওঁলোকেও এই কথা মনত ৰাখিব যে এই পৰীক্ষাটো মাত্ৰ এটা মাইলৰ খুঁটি, আপোনাৰ মূল্য বা ভৱিষ্যতৰ পৰিমাপ নহয়, আপোনাৰ সম্ভাৱনা বিশাল, আৰু এইয়া আগত দীঘলীয়া, সফল যাত্ৰাৰ এটা অধ্যায় মাত্ৰ।' নীট কোচিঙৰ ক্ষেত্ৰত ফিজিক্সৱালাৰ পদ্ধতি সহজ, সুলভ আৰু উচ্চমানৰ শিক্ষণ প্ৰদানৰ ওপৰত আধাৰিত। এই প্লেটফৰ্মটোৱে প্ৰযুক্তিৰ ওপৰত আধাৰিত সমাধান প্ৰদান কৰে, যেনে দৈনন্দিন অনুশীলনৰ প্ৰশ্ন, ভিডিঅ' সমাধানৰ সৈতে ম'ক টেষ্ট আৰু এ আই-পাৰ্ছনেলাইজড পুনৰীক্ষণ যাত্ৰা একত্ৰিত কৰে। যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ অৱস্থান বা পটভূমি যিয়েই নহওক কিয়, সঠিক দিশত আগুৱাই যোৱাটো থকাটো নিশ্চিত কৰে।

# মিডিয়াটেকৰ নতুন প্ৰযুক্তি প্ৰদৰ্শন




**গুৱাহাটী,১৯জুলাইঃ** বিশ্বৰ আগশাৰীৰ ছেমিকণ্ডাক্টৰ প্ৰতিষ্ঠান মিডিয়াটেকে নতুন দিল্লীত অনুষ্ঠিত তেওঁলোকৰ ফ্লেগশ্বিপ কাৰ্যসূচী 'বিয়ণ্ড দ্য লেন্স' টেক ডেত স্মাৰ্টফোন ফটোগ্ৰাফীৰ বাবে কেইবাটাও অত্যাধুনিক প্ৰযুক্তি প্ৰদৰ্শন কৰে। এই অনুষ্ঠানত কোম্পানীটোৱে স্মাৰ্টফোন ইমেজিং আৰু এজ-টু-ক্লাউড প্ৰযুক্তিৰ ভৱিষ্যতৰ ৰূপৰেখা দাঙি ধৰে। য'ত কোম্পানীটোৱে স্মাৰ্টফোনৰ উপৰিও মটৰগাড়ী, ডাটা চেণ্টাৰ আৰু এআই পিচিৰ দৰে ক্ষেত্ৰসমূহকো সংযোগ কৰাৰ লক্ষ্য লৈছে, যাক তেওঁলোকে 'ৱান মিডিয়াটেক' বুলি অভিহিত কৰিছে। এই অনুষ্ঠানত ভিভ', মটৰ'লা আৰু শ্বাওমি আদি আগশাৰীৰ ম'বাইল কোম্পানীৰ প্ৰতিনিধি, প্ৰযুক্তি বিশ্লেষক আৰু পেছাদাৰী ফটোগ্ৰাফাৰসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ এক্সপিৰিয়েন্স জ'নত মিডিয়াটেকৰ নতুন চিপছেট ব্যৱহাৰ কৰা কেইবাটাও ফ্লেগশ্বিপ ফোনো প্ৰদৰ্শন কৰা হয়। মিডিয়াটেক ইণ্ডিয়াৰ মাৰ্কেটিং ডাইৰেক্টৰ অনুজ সিদ্ধাৰ্থই কয় যে, 'গ্ৰাহকৰ ক্ৰমবৰ্ধমান প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ তেওঁলোকৰ নতুন চিপছেটসমূহে বেটাৰী খৰচ নকৰাকৈয়ে উন্নত কম্পিউটেশ্যনাল ফটোগ্ৰাফী প্ৰদান কৰিব। তেওঁলোকে সহযোগী ব্ৰেণ্ডসমূহৰ সৈতে মিলি গ্ৰাহকক অধিক সৰল, সৃষ্টিশীল আৰু স্মাৰ্ট প্ৰযুক্তিৰ অভিজ্ঞতা দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ দুটা বিশেষ প্ৰযুক্তিৰ কথা উল্লেখ কৰে। তাৰ এটা হৈছে ৰজ্ব ইভি এইচআৰ ফচেইন ইয়াৰ সহায়ত ছবিৰ ডাইনামিক ৰেঞ্জ বহুত ভাল হ'ব। আনটো ৪ কে ১২০ ইয়াৰ জৰিয়তে অতি মসৃণ আৰু চিনেমাৰ দৰে ভিডিঅ' ৰেকৰ্ডিং কৰিব পৰা যাব। অনুষ্ঠানত ৰাজীৱ মাখনিৰ সঞ্চালনাত এটা এখন পেনেল আলোচনা অনুষ্ঠিত হয়। য'ত প্ৰখ্যাত ফটোগ্ৰাফাৰ ৰাহুল ঝাণ্ডিয়ানীৰ লগতে মিডিয়াটেক ইণ্ডিয়া মাৰ্কেটিং ডাইৰেক্টৰ অনুজ সিদ্ধাৰ্থ, ভিভ' ইণ্ডিয়াৰ প্ৰডাক্ট এণ্ড জিটিএমৰ মুৰব্বী পাইঘাম ডানিছ চিটিঅ', শ্বাওমি ইণ্ডিয়াৰ সহযোগী সঞ্চালক - প্ৰডাক্ট মাৰ্কেটিং গৌতম বাত্ৰ আৰু মটৰ'লা ম'বিলিটিৰ এপিএচিৰ বিপণন সঞ্চালক শিৰম ৰঞ্জনে অংশগ্ৰহণ কৰে। তেওঁলোকে আলোচনা কৰে যে এখন ধুনীয়া ফটোৰ আঁৰত মানুহৰ দৃষ্টিভংগী, কেমেৰাৰ হাৰ্ডৱেৰ আৰু চিপছেটৰ প্ৰচেচিং পাৱাৰৰ, যাৰ ভূমিকা সমানেই গুৰুত্বপূৰ্ণ। ইয়াৰ লগতে শক্তিশালী চিপছেট আৰু ফ্লেগশ্বিপ ডাইমেনচিটি পৰ্টফলিঅ'ৰ সহায়ত মোবাইল ইমেজিং কেনেকৈ সলনি হ'বলৈ গৈ আছে, সেই বিষয়েও আলোচনা কৰে। মিডিয়াটেকে তেঁওলোকৰ বিভিন্ন খণ্ডৰ কামকাজসমূহ সহজ কৰিবলৈ চিপসমূহক কেইটামান ভাগত বিভক্ত কৰিছে। স্মাৰ্টফোনৰ বাবে ডাইমেনেষ্ট্ৰী, গাড়ীৰ বাবে ডাইমেনষ্টী এএক্স আৰু কম্পিউটাৰৰ বাবে ডাইমেনষ্ট্ৰী চিএক্স চিপ ব্যৱহাৰ কৰা হ'ব। ইয়াৰ লগতে বিশ্বৰ ডাঙৰ গাড়ী নিৰ্মাতা কোম্পানীসমূহৰ সৈতে ২০ টাতকৈও অধিক অংশীদাৰিত্ব আৰু ১৯০ টাতকৈও অধিক প্ৰজেক্টৰ কাম তেঁওলোকৰ চলি আছে। ২০২৬ চনৰ দ্বিতীয় ত্ৰৈমাসিকত ৪৯ শতাংশ বজাৰ অংশীদাৰিত্বৰে মিডিয়াটেক ভাৰতৰ নম্বৰ ১ স্মাৰ্টফোন চিপ ব্ৰেণ্ড হৈ আছে।

দৈনিক
বাতৰি কাকত

# স্বাস্থ্য আৰু সৌন্দৰ্য



## শীতকালত পানী খোৱাৰ প্ৰয়োজনীয়তা



সমগ্ৰ বিশ্বত বিভিন্ন সময়ত বিভিন্ন ঠাইত শীতকাল আৰম্ভ হয়। এই ঋতুৱে এক সুন্দৰ পৰিৱেশ আৰু লগতে আকৰ্ষণীয় জৈৱ বিচিত্ৰতা আনে। এইটো ঋতু হৈছে যিটো ঋতুত আমি ঠাণ্ডা অনুভৱ কৰো আৰু শীতকালত পিন্ধিবলগীয়া কাপোৰ উলিয়াও। যি কি নহওঁক, এক সুন্দৰ বাতাবৰণৰ আমেজ উঠাব লাগে। সুন্দৰ পৰিৱেশৰ আমেজ লবলৈ সুস্বাস্থ্যৰ অধিকাৰী হোৱাটো দৰকাৰ। যদিও শীত ঋতুৱে বিভিন্ন প্ৰকাৰে আনন্দদায়ক অনুভৱ প্ৰদান কৰে, এই ঋতুত বিভিন্ন ধৰণৰ ৰোগে দেখা দিয়ে। এনে পৰিস্থিতিত স্বাস্থ্য সমস্যাবোৰ সমাধান কৰিবলৈ এজন ব্যক্তিৰ প্ৰতিৰক্ষাপ্ৰণালী উচিত আৰু সক্ষম হোৱা দৰকাৰ। এইক্ষেত্ৰত পানীয়ে. এক মহত্বপূৰ্ণ ভূমিকা পালন কৰে। বিভিন্ন কাৰণে পানীক এক মহত্বপূৰ্ণ তৰল পদাৰ্থ হিচাপে স্বীকৃতি দিছে, যিয়ে স্বাস্থ্য সমস্যাবোৰ নিয়মিতভাৱে সমাধান কৰিব পাৰে। শীতকালীন নিৰ্জলীকৰণ প্ৰতিৰোধ আজিৰ যুৱ প্ৰজন্মৰ মাজত নিৰ্জলীকৰণ এক ব্যাপক সমস্যা। গৰমৰ দিনত দেহৰ পানী নিষ্কাশনৰ সমস্যা সোনকালে চকুত পৰে, কিন্তু শীতকালত ইয়াক ধৰা পেলোৱা সহজ নহয়। গ্ৰীষ্মকালত এইটো বুজিব পৰা যায় যে শৰীৰৰ জলযোজন সমস্যাটো ঘাম আৰু ভাগৰ অনুভৱৰ দৰে লক্ষণৰ পৰা প্ৰভাৱিত হৈ আছে। শীতকালত এজন ব্যক্তি নিৰ্জলীকৰণৰ লক্ষণ চাবৰ কাৰণে একে স্থিতিতে নাথাকে, কিয়নো ব্যক্তিৰ বেছি ঘাম নোলায় আৰু জিৰণি কমকৈ লোৱা দেখা যায়।

পানী অত্যধিক মহত্বপূৰ্ণ কিয়নো পানীৰ নিয়মিত সেৱনে নিৰ্জলীকৰণৰ সমস্যা সমাধান কৰে। পানীৰ নিয়মিত সেৱনে ৰক্তপ্ৰবাহ ভাল কৰি ৰাখে, যিয়ে . মানুহৰ শৰীৰত নিৰ্জলীকৰণৰ সমস্যাৰ সন্মুখীন নহবলৈ সহায়ক হয়।

**শ্ৰেয়ছাল**

এইটো জনা যায় যে ফটা ছালৰ কাৰণ হৈছে শীতকালৰ পৰিৱেশ। শীতকালৰ শুকান পৰিৱেশে ব্যক্তিৰ ছালৰ ওপৰত নিজৰ প্ৰভাৱ পেলায়। ফটা আৰু শুকান ছালৰ সমস্যাৰ পৰা হাত সাৰিবলৈ বিভিন্ন প্ৰকাৰৰ ক্ৰীম আৰু লোচন পোৱা যায় যদিও দীঘল সময়ৰ বাবে ইয়াক ভাল কৰিবলৈ পোৱা বস্তুবোৰ দামী হৈ আৰু ইয়াৰ প্ৰভাৱো বেয়া হোৱাৰ সম্ভাৱনা নাথাকে।

পানীৰ সেৱন ছালৰ সমস্যাসমূহ সমাধান কৰাৰ উৎকৃষ্ট পথ হব পাৰে। পানীৰ সেৱনে ছালৰ ভালদৰে চোৱা-চিতাত সহায় কৰিব পাৰে আৰু লগতেই ব্যক্তিৰ ছালক বিভিন্ন ধৰণেৰে উৎকৃষ্ট কৰি তুলিব পাৰে। ইয়ে. পানীক বিভিন্ন ধৰণে লাভকাৰী তৰল পদাৰ্থ হিচাপে বনাব পাৰি।

প্ৰতিৰক্ষা প্ৰণালীক শক্তিশালী কৰা শীতকালে প্ৰথমেই ব্যক্তিৰ স্বাস্থ্যৰ ওপৰত সমস্যা আনি দিয়ে। বহুমানুহে শীতকালৰ বেছিভাগ সময় অসুখত ভুগি থাকিবলগীয়া হয়। শীতকালত দেখা দিয়া স্বাস্থ্যৰ অসুবিধাসমূহ প্ৰতিৰোধ কৰিব পৰাৰ ক্ষমতা সকলোৰে নাথাকে। ইয়াতেই পানীয়ে এক গুৰুত্বপূৰ্ণ

**ডাঃ ভবেন চৌধুৰী**

ভূমিকা পালন কৰে।

শৰীৰৰ প্ৰতিৰক্ষা প্ৰণালীটোক নিৰ্মান কৰা আৰু শীতকালত ইয়াক অধিক শক্তিশালী কৰি তোলাত পানীয়ে. মহত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শীতকালৰ সমস্যাসমূহক প্ৰতিৰক্ষা প্ৰণালীৰ দৃঢ়তাৰ সান্নিধ্যত ৰখা হয় আৰু পানী সেৱনৰ লগত পিছত বাঢ়ি যায়। পানীৰ সেৱনে প্ৰতিৰক্ষা প্ৰণালীক শক্তিশালী কৰি তোলে, যাৰ জৰিয়তে ব্যক্তিয়ে সুন্দৰ পৰিৱেশৰ আমেজ লব পাৰে আৰু এই প্ৰক্ৰিয়াত ঠাণ্ডা লগা বা জ্বৰ আদি হোৱা দেখা নাযায়। পানী এক অনিবাৰ্য তৰল পদাৰ্থ যি জীৱনৰ বাবে আৱশ্যক। ই ঔষধৰ দৰে কাম কৰে আৰু বহুসংখ্যক স্বাস্থ্য সমস্যাৰ সমাধান কৰে। সেয়ে অতি কম সমস্যাৰ সৈতে শীতকালৰ পৰিবেশৰ আমেজ লবলৈ নিয়মিতভাৱে পানী সেৱন কৰিব লাগে।

**পানীৰ সেৱন ছালৰ সমস্যাসমূহ সমাধান কৰাৰ উৎকৃষ্ট পথ হ'ব পাৰে। পানীৰ সেৱনে ছালৰ ভালদৰে চোৱা-চিতাত সহায় কৰিব পাৰে আৰু লগতেই ব্যক্তিৰ ছালক বিভিন্ন ধৰণেৰে উৎকৃষ্ট কৰি তুলিব পাৰে। ইয়ে পানীক বিভিন্ন ধৰণে লাভকাৰী তৰল পদাৰ্থ হিচাপে বনাব পাৰি। প্ৰতিৰক্ষা প্ৰণালীক শক্তিশালী কৰা শীতকালে প্ৰথমেই ব্যক্তিৰ স্বাস্থ্যৰ ওপৰত সমস্যা আনি দিয়ে। বহুমানুহে শীতকালৰ বেছিভাগ সময় অসুখত ভুগি থাকিবলগীয়া হয়। শীতকালত দেখা দিয়া স্বাস্থ্যৰ অসুবিধাসমূহ প্ৰতিৰোধ কৰিব পৰাৰ ক্ষমতা সকলোৰে নাথাকে। ইয়াতেই পানীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শৰীৰৰ প্ৰতিৰক্ষা প্ৰণালীটোক নিৰ্মান কৰা আৰু শীতকালত ইয়াক অধিক শক্তিশালী কৰি তোলাত পানীয়ে মহত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।**

## টোপনিয়ে বিষৰ যন্ত্ৰণা কমায়



নিশাৰ ভাগত গভীৰ টোপনি হ'লে দিনটোলৈ মানুহজন সপ্ৰতীভ হৈ থাকে আৰু যিকোনো কথাৰ প্ৰতি সতৰ্কতা বৃদ্ধি পায়। লগতে শৰীৰত যিকোনো ধৰণৰ বিষৰ অনুভূতি হ্ৰাস পায়। 'শ্লীপ' নামৰ জাৰ্ণেলখনত এই তথ্য শেহতীয়াকৈ প্ৰকাশ পাইছে। সামান্য পৰিমাণে টোপনিত ব্যাঘাত জন্মা কিছুসংখ্যক স্বেচ্ছাসেৱীৰ ওপৰত টোপনিৰ প্ৰভাৱৰ বিষয়ে পৰীক্ষা চলোৱা হৈছিল। তেওঁলোকক একেৰাহে চাৰিটাকৈ নিশা স্বাভাৱিকভাৱে টোপনি যাবলৈ দিয়া হৈছিল অথবা দহ ঘণ্টালৈকে শুবলৈ দিয়া হৈছিল। এই লোকসকলক এটা উত্তপ্ত সঁজুলিৰ ওপৰত হাত ৰাখিবলৈ দিয়া হৈছিল। তেওঁলোকে কমকৈ টোপনি যোৱা লোকতকৈ ২৫ শতাংশ বেছি সময় তেনে সঁজুলিৰ ওপৰত হাত ৰাখি থবলৈ সক্ষম হৈছিল। কিন্তু এনে ধৰণৰ বিষ সহ্য কৰিব পৰা পূৰ্বৰ পৰীক্ষাবোৰত এই কামৰ বাবে স্বেচ্ছাসেৱকসকলে ৬০ মিলিগ্ৰামকৈ 'কোডেইন' নামৰ বিষনাশক ঔষধবিধ খাই ল'বলগা হৈছিল। এই পৰীক্ষাৰ পৰা প্ৰমাণ পোৱা গ'ল যে, ভাল টোপনি হ'লে মানুহৰ বিষ সহ্য কৰিব পৰা ক্ষমতা প্ৰায় ২৫ শতাংশ বৃদ্ধি পায়। বিষ সহ্য কৰিবৰ বাবে পেইনকিলাৰ খোৱাৰ তুলনাত ভালকৈ গভীৰ টোপনি গ'লে দিনৰ ভাগত বিষ সহিব পৰা ক্ষমতা বৃদ্ধি পায়।

## ঢেকীয়াৰ উপকাৰিতা

ঢেঁকীয়াত প্ৰোটিন, ভিটামিন-'এ', ভিটামিন-'বি-কমপ্লেক্স', ভিটামিন-'চি', ভিটামিন-'ই', বিতাকেৰোটিন, এণ্টিঅক্সিডেণ্ট, কেলচিয়াম, আয়ৰণ, ফচফৰাচ ইত্যাদি পোৱা যায়।

১। নিৰামিষভোজীসকলৰ বাবে ই খুব উপকাৰী কাৰণ ইয়াত প্ৰোটিন আছে আৰু লগতে লাগতিয়াল ভিটামিন আৰু খনিজ পদাৰ্থ আছে।

২। কেলচিয়াম, ফচফৰাছ থকা হাড়ৰ গঠনৰ বাবে উপকাৰী।

৩। জীৱণুনাশক গুণ থকা আৰু স্বভাৱত শীতল হোৱা বাবে পেচাবৰ সমস্যা যেন মূত্ৰনলীৰ সংক্ৰমণ বা ইউৰিনাৰী ট্ৰেক্ট ইনফেক্সন (UTI)ত উপকাৰী।

৪। বিতাকেৰোটিন, ভিটামিন-'চি' থকা বাবে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়োৱাত সহায় কৰে।

৫। ৰুচি বৰ্ধক, আৰু কোষ্ঠাকাঠিন্য দূৰ কৰে।

৬। পেলুৰ সমস্যাত ঢেঁকীয়া শাক উপকাৰী।


৭। লিভাৰৰ কাৰ্যক্ষমতা বৃদ্ধি কৰে। ইয়াৰ উপৰিও জণ্ডিছ, ফেটি লিভাৰত উত্তম পথ্য।

৮। ডায়েবেটিছ ৰোগীৰ বাবে ঢেঁকীয়া সুপথ্য।

৯। ভিটামিন-'এ' থকা বাবে দৃষ্টিশক্তিৰ বাবে উপকাৰী।

**ডাঃৰেইনী দেৱী**

## দাঁতৰ বিষৰ যন্ত্ৰণা



**মানুহজনে পাৰলৈ আনি দাসক খুব প্ৰশংসা কৰিলে। সকলোতকৈ ডাঙৰ মাছটো তয়ে ধৰিলি বুলি তাক ঘৰলৈ যাবলৈ দিলে। দাসে বোলে আপোনাৰ প'লৰে মাছ ধৰিলো আপুনিও অলপ কাটি লওক বুলি ক'লে। মানুহজনে তেওঁৰ মাছ থকাৰ কথাটো জনালে। দাস ঘৰ অভিমুখে ৰাওনা হ'ল। মনত খুৱ আনন্দ।**

কি অসুখে মানুহক সকলোতকৈ বেছি আমনি দিয়ে। জ্বৰ, পানী লগা, পেটৰ বিষ, মূৰৰ বিষ, গাৰ বিষে। আনে কি কয় নাজানো এই সকলোতকৈ মই কিন্তু দাঁতৰ বিষক অধিক বিষদায়ক, যন্ত্ৰণাদায়ক অসুখ বুলি ভাবো। মোৰ দাঁতৰ বিষ আছিল। অসহ্য বিষত ৰ'ব নোৱাৰি ইতিমধ্যে চাৰিটামান দাঁত উঠালো। বিষ উঠিলে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ কাকো নামানো। সকলোকে গালি দিও। সদ্যহতে যোৱা দু বছৰ মানৰ পৰা এই যন্ত্ৰণাৰ

**দিপেন ভৰালী**

পৰা সকাহ পাইছো তথাপিও দাঁতৰ বিষৰ যন্ত্ৰণাৰ কথা মৰ্মে মৰ্মে উপলব্ধি কৰো। ট্ৰেইনত প্ৰতিদিনে একেলগে যাত্ৰা কৰা বাইহাটা ষ্টেচনৰ যাত্ৰী কেশৱ কাকতিয়ে এদিন দাঁতৰ বিষৰ কথা উলিয়ালে। বিষত হেনো তেওঁ পেটৰ ভোক পেটতে ৰাখি কৰ্ম কৰিছে। বিষত টোপনিতো দূৰৰে কথা থিৰেৰেও থাকিব পৰা নাই। হপহপকৈ মূৰলৈ টানি আছে বিষে। তেওঁৰ কথা শেষ হ'বলৈ নাপালেই বিএছএনএলত কাম কৰা হলাধৰ দাসে কম দিনত পোৱা দাঁতৰ বিষৰ যন্ত্ৰণা, চিকিৎসকৰ পৰা পোৱা অভিজ্ঞতাৰ কথা ক'লে। তেওঁ কথা ক'লে সকলোৱে হাঁহে। খুৱ ৰসিক দাস মানুহজন। ট্ৰেইনত আহিলে তেওঁৰ সঁচা ৰসাল কথাবোৰ উলিয়াবলৈ লগৰবোৰে সোধে। এবাৰ হ'ল কি -দাসে বোলে নামপাৰ্টি দল এটাৰ লগত নাম গাবলৈ গৈছিল। তেওঁ নামদলটোত ডাঙৰ তাল বজায়। নাম গোৱাৰ পিছত তাল মৰা সময়ত তেওঁ উঠি তাল মাৰোতে তালত লগোৱা ৰচীডাল চিঙি ওচৰতে নাম চাই থকা আধাবয়সীয়া লোক এজনৰ মূৰত পৰি হাহাকাৰ। মানুহজন তেজেৰে ৰঙালি হ'ল। নাম মতা আয়োজকসকলে লগে লগে আঘাটপ্ৰাপ্ত লোকজনক হাস্পতাললৈ নিলে। এনে এটা দুখজনক ঘটনা দাসৰ হাতেৰে ঘটা বাবে দাসৰ বিৰাট দুখ লাগিল। হাস্পতালত লোকজন কিছু সুস্থ হৈ লগত যোৱা সকলক হেনো কৈছিল-মানুহজনক মাৰধৰ নকৰিবা। আৰু নাম যাতে বন্ধ নহয়। সৰু থাকোতে দাসে হেনো দুপৰীয়া দৰখ দি থোৱা গৰু চাবলৈ গৈছিল। ওচৰৰে জান এটাত বহু মানুহে সমূহীয়াভাৱে প'লৰে মাছ ধৰিছিল। বহুতেও ডাঙৰ ডাঙৰ বৰালি মাছ ধৰি পাৰত জিৰণি লৈছিল। দেখি দাসৰ লোভ লাগিল। বহি থকা মানুহবোৰক অনুৰোধ জনালে অলপ সময়ৰ বাবে কাৰোবাৰ প'ল এটা দিলে তেওঁ মাছ ধৰিলেহেঁতেন। বহুজনে যা তই সৰু ল'ৰা, প'ল দাঙিব নোৱাৰে মাছ ধৰে আদি কৈ তাক ঘৰলৈ যাবলৈ ক'লে। বহু সময়ত সি সেমেনা সেমেনি কৰি থকাত বয়সস্থ লোক এজনে ক'লে- যা, মোৰ প'লৰে এবাৰ চেষ্টা কৰ বুলি ক'বহে পালে দাসে পানীলৈ নামি গৈ জানটোৰ পাৰে পাৰে চাৰি-পাঁচ চাব মান মৰাৰ পিছত প'লত কিবা মাছ এটা সোমাই ধৰ ফৰ কৰিবলৈ ধৰিলে। তজবজিয়া দাসে পেটটোৰে প'লটোৰ ওপৰত গাৰ সমস্ত ভৰ দি দাদা, মাছ এটা লাগিছে ধৰি দিয়ক চোন বুলি মাতিবলৈ ধৰিলে। প'ল দিয়া মানুহজন গৈ মাছটো ধৰিলে। ডাঙৰ বৰালিটো মূৰৰ ফালে কিছু প'লত সোমাই বাকী অংশ প'লৰ বাহিৰত আছিল। মানুহজনে পাৰলৈ আনি দাসক খুব প্ৰশংসা কৰিলে। সকলোতকৈ ডাঙৰ মাছটো তয়ে ধৰিলি বুলি তাক ঘৰলৈ যাবলৈ দিলে। দাসে বোলে আপোনাৰ প'লৰে মাছ ধৰিলো আপুনিও অলপ কাটি লওক বুলি ক'লে। মানুহজনে তেওঁৰ মাছ থকাৰ কথাটো জনালে। দাস ঘৰ অভিমুখে ৰাওনা হ'ল। মনত খুৱ আনন্দ। পিঠিত ওলোমাই আনিলে ডাঙৰ বৰালি মাছটো। বৰালি মাছটোৰ ফিছা অংশৰে দাসৰ ভৰি হেনো কোবাই গৈছিল। আন এবাৰ ওচৰৰে গাঁও এখনত দাস বিয়া খাবলৈ গ'ল। বিয়া খাই চোতালৰ এচুকত বেণ্ড দল এটাই ধুনীয়া গান এটাই বজাই আছিল। বিয়াঘৰত উপস্থিত লোকসকলে চাৰিওফালে বেণ্ড দলটোক ঘেৰি ধৰি বজোৱা গান শুনি আছে। দাসেও গান শুনিবলৈ ৰৈ গ'ল। বেণ্ড দলটো বিৰাট ভাল দল আছিল। দাসে ৰ'ব নোৱাৰিলে। ড্ৰাম বজোৱা লোকজনক ক'লে-ময়ো অলপ বজাও দিয়ক। মানুহজনে দাসলৈ চালে। মনত কি ভাবিলে জানো। নিজে উঠি দাসক বজাবলৈ দিলে। তেওঁলোকে হিন্দী গীত এটি বজাই আছিল 'জিলে জিলে আয়ৈ আয়ৈ জিলে'। দাসক পাই কোনে পুৰাদমে গীতৰ তালে তালে বজাই গৈছে ড্ৰাম চেট। পুৰা ফুল স্পীডট বজাই থাকোতে ড্ৰামটো গ'ল নহয় ফাটি। দাসৰ সেমেনা সেমেনি লাগিল। ড্ৰাম বজোৱাজনক কথাটো ক'লে।মানুহজন আচৰিত আজি অ'ত বছৰে মই বজালো একো নহয়, আপুনি বজাই ফটাই দিলেহে। দাসৰ আৰু এনে মজাৰ কথা অনেক আছে। পিছে এতিয়া দাঁতৰ বিষত দাসে যন্ত্ৰণা পোৱাৰ কথালৈ আহো। এছ বি আইৰ ঘনশ্যাম দাসে হেনো তেওঁক কাছাৰীত ফুটফাটত বহা দাঁত সৰোৱা লোক এজনৰ তালৈ যাবলৈ পৰামৰ্শ দিলে। কথামতে কাম। কছাৰীৰ পথৰ কাষত থকা এজন লোকৰ সন্মুখত ৰৈ দাসে মানুহজনক মুখখন মেলি বিষাই থকা দাঁতটো দেখুৱাই ক'লে-এইটো দাঁতৰ খুৱ দাঁতৰ বিষ। চাওকচোন। পাৰিলে সৰোৱাইয়ে দিয়ক। বিহাৰী সম্প্ৰদায়ৰ মানুহজনে শিল এচতাত বহি আছিল। তেওঁ লৰি থকা দাঁতটো হাতেৰে চুই চালে আৰু ক'লে-হ'ব পাৰিম। ত্ৰিশ টকা লাগিব। দাসে হ'ব বুলি কোৱাত দাঁত সৰোৱাৱলৈ সাজু হ'ল মানুহজন। কাষত থকা ডাঙৰ বেগ এটাৰ পৰা প্লাছ, কেচীকে ধৰি আন বহু সঁজুলি উলিয়াই ল'লে। সৰ্বনাশ। দাঁত কি এইবোৰেৰে সৰুৱাব? মানুহজন অ' বুলি কোৱাত একেজাপে দাস বহাৰ পৰা উঠিল। বেজি, চেজি নিদিয়াকৈ বিষায় থকা দাঁত এটা এনেকৈ সৰুৱাব নোৱাৰো মই। ভাল পাল্লাত পৰিলো বুলি ভোৰভোৰাই তাৰ পৰা আহিল। তেওঁৰ দাঁত সৰোৱা নহ'ল। অফিচলৈ আহি লগৰকেইজনৰ লগত এই লৈ সৰৱ আলোচনা। সিহঁতে হাঁহি হাঁহি পেটৰ নাড়ী সৰোৱালে যদিও দাঁত বিষত দাসৰ অৱস্থা কাহিল। এজনে অফিচাৰক গৈ ক'লে-ছাৰ, দাসৰ দাঁতৰ বিষ। কামকে কৰিব পৰা নাই। আপুনি অনুমতি দিলে পানবজাৰ হৰিসভাৰ ফালে থকা ডেণ্টেল ক্লিনিক এখনলৈ লৈ গ'লোহেঁতেন। দাসৰ দুৰ্দশাৰ কথা চিন্তা কৰি যাবলৈ অনুমতি দিলে। ডাক্তৰৰ ওচৰ পাই দীৰ্ঘদিন ধৰি পাই অহা যন্ত্ৰণাৰ কথা ক'লে। বিষাই থকা দাঁত সচৰাচৰ ডাক্তৰে নসৰোৱাই যদিও দাসৰ অনুৰোধত দাঁত সৰোৱাবলৈ মান্তি হ'ল ডাক্তৰজন। ক'লে- আপোনাৰ দাঁত সৰোৱাৰ আগতে বেজি এটা দিব লাগিব। বেজিটো দিলে আপুনি গমকে নাপাব। কথামতে কাম। 'এছ' ভাজৰ বেজি এটা উলিয়াই বেজি দিবলৈ নৌপাওতেই দাসে নমস্কাৰৰ ভংগিত বেঙা মানুহৰ দৰে বেং বেং কৰি কিবা ক'বলৈ ধৰিলে। তেওঁৰ অংগী ভংগীত ডাক্তৰজনে ধৰিব পাৰিলে-মানে তেওঁ আৰু দাঁত নসৰায়। দাসে পিছত আমাক জানিবলৈ দিয়া মতে ডাক্তৰে বেজি দিব লওতেই চিৰিঞ্জটোৰ আগটোত থকা জুলীয়া ঔষধৰ টোপাল এটোপ ওঁঠত পৰাত মুহূৰ্ততে ওঁঠটো লৰাব নোৱাৰা হ'ল। তেওঁ কিবা ক'ব খোজে ক'ব নোৱাৰে। কিবা সুধিব খোজে মুখৰ কথা ওলাই নপৰে। ওঁঠটো টানি টানি নিয়ে। একাংগী হ'লে মুখ বেঁকা হোৱাৰ দৰে দাসৰ ওঁঠটো বেঁকা হ'বলৈ ধৰিলে। তেওঁ ডাক্তৰক অংগি ভংগি কৰি ক'লে- ছাৰ, মই আৰু দাঁত নসৰাও , দাঁত নসৰোওতেই মোৰ এনে অৱস্থা। সৰালে কি হ'ব। মোক যাবলৈ দিয়ক। বিএছএনএল দাসৰ দাঁত আৰু সৰোৱা নহ'ল।



## ওজন নিয়ন্ত্ৰণত সহায় কৰে আলমণ্ডে

আপুনি ডায়েবেটিছ ৰোগত ভুগিছে নেকি? বহুত চেষ্টা কৰিও তেজত ছুগাৰৰ মাত্ৰা নিয়ন্ত্ৰণ হোৱা নাই নেকি? তেন্তে চিন্তা নকৰিব। নিয়মিত আলমণ্ড বাদাম খালে নিয়ন্ত্ৰণ থাকিব আপোনাৰ ছুগাৰৰ পৰিমাণ, একাধিক ৰোগৰ সমস্যাত আলমণ্ডে অত্যন্ত গুৰুত্বপূৰ্ণ পালন কৰে। বিশেষ গুণেৰে সমৃদ্ধ আলমণ্ডৰ গুণাগুণৰ বিষয়ে জানো আহক -

(ক) আলমণ্ডত থকা মনো স্যাচুৰেটেত ফেটি এচিডে তেজত বৃদ্ধি পোৱা ছুগাৰৰ মাত্ৰা নিয়ন্ত্ৰণত সহায় কৰে। ইয়াৰ ফলত ডয়েবেটিছ ৰোগৰ সম্ভাৱনা বহুখিনি কমি থাকে।

(খ) আলমণ্ডত থকা ফেট আৰু ডায়েটাৰি ফাইবাৰ শৰীৰৰ বাবে অতি উপকাৰী। লগতে শৰীৰৰ ওজন নিয়ন্ত্ৰণ কৰে।

(গ) আলমণ্ডত থকা ফেট আৰু প্ৰচুৰ পৰিমাণে থকা প্ৰ'টিনে খাদ্য হজম কৰাত সহায় কৰে। শৰীৰত বেক্টেৰিয়াৰ প্ৰভাৱ প্ৰশমিত কৰে।

(ঘ) ইয়াত থকা পৰ্যাপ্ত পৰিমাণৰ মেগনেচিয়াম, কপাৰ, ফেটি এচিড, মেগনেচি, এন্টি অক্সিডেন্ট, পটাচিয়াম, কেলচিয়ামে হাৰ্টৰ স্বাস্থ্য ভালে ৰখাত সহায় কৰে। ইয়াৰ ফলত হাৰ্ট এটেকৰ সম্ভাৱনা কম হয়।

(ঙ) স্বাস্থ্যৱান ছালৰ বাবেও আলমণ্ড অতি উপকাৰী। আলমণ্ডত প্ৰচুৰ পৰিমাণে থকা ভিটামিন -ই আৰু এন্টি অক্সিডেন্টে ছাল সুস্থ আৰু উজ্জ্বলতা ৰক্ষাত সহায় কৰে।

## আয়ুবেদিক চিকিৎসাত বেঙেনাৰ ব্যৱহাৰ সম্পৰ্কে জানেনে?



পুষ্টিবিদসকলৰ মতে বেঙেনা পুষ্টি গুণেৰে ভৰা এবিধ পাচলি। পুষ্টিগুণ সমৃদ্ধ বেঙেনা আমাৰ সুস্বাস্থ্যৰ বাবে অতি উপকাৰী। অতি প্ৰাচীন কালৰে পৰাই আয়ুবেদিক শাস্ত্ৰত বেঙেনাৰ ব্যৱহাৰ হৈ আহিছে। আহকচোন বেঙেনাৰ একাধিক আয়ুবেদিক ব্যৱহাৰ সম্পৰ্কে জানো --

(ক) প্ৰতিদিনে ৰাতিপুৱা খালী পেটত কেঁচা বেঙেনা পুৰি তাৰ লগত গুড় মিহলাই খালে লিভাৰৰ সমস্যা নিৰাময় হয়।

(খ) অনিদ্ৰাৰ সমস্যা দূৰ কৰাত বেঙেনাই যথেষ্ট সহায় কৰে। বেঙেনা খালে ভাল টোপনি হয়। যি সকলৰ অনিদ্ৰাৰ সমস্যা আছে সেইসকল ব্যক্তিয়ে সন্ধিয়া সময়ত কেঁচা বেঙেনা পুৰি মৌৰ লগত মিহলাই খালে ৰাতি ভাল টোপনি হয়।

(গ) নিয়মিত বেঙেনা খালে প্ৰসাৱৰ সময়ত জ্বলা পোৱা সমস্যা বা কোনো ধৰণৰ অসন্তুষ্টি পালে সেই সমস্যা দূৰ কৰে।

(ঘ) বেঙেনা কিডনীৰ বিভিন্ন সমস্যা ৰোধত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

(ঙ) মহিলাৰ অনিয়মিত ঋতুৰ সমস্যা দূৰ কৰাত বেঙেনা অত্যন্ত উপকাৰী।

(চ) হজমৰ সমস্যা থাকিলে নিয়মিত বেঙেনা খালে অতি সোনকালে উপকাৰ পায়। প্ৰচুৰ গুণেৰে ভৰা বেঙেনা নিয়মিত খাদ্যৰ তালিকাত অন্তভূৰ্ক্ত কৰা উচিত। ই শৰীৰ সুস্থ ৰক্ষাত সহায় কৰিব।



# দুই নম্বৰি চালানেৰে চলিছে শিল-বালিৰ সৰাবৰাহৰ তথ্য পাইছে মাজবাটৰ ৰেঞ্জাৰ মিণ্টু বড়োৱে

**ওদালগুৰি, ১৯ জুলাইঃ** ওদালগুৰি জিলাত ৪৭নং মাজবাট বিধান সভা সমষ্টিৰ বিভিন্ন স্থানত অবৈধ শিল-বালি আৰু কাঠ চোৰাং ব্যৱসায়ৰ বিৰুদ্ধে চলোৱা অভিযানত এইবাৰ পোহৰলৈ আহিছে অবৈধ শিল-বালি ব্যৱসায়ীৰ নতুন কৌশল। ওদালগুৰিৰ ধনশ্ৰী বন সংমণ্ডলৰ অন্তৰ্গত মাজবাট আঞ্চলিক বন বিষয়াৰ এক অভিযানত পোহৰলৈ আহে এই তথ্য।ৰাজ্যজুৰি অবৈধ খনন আৰু বনজ সম্পদ লুণ্ঠনৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে বন বিভাগে। তাৰেই অংশ হিচাপে মাজবাট বন আঞ্চলিক বিষয়াৰ অভিযানত মাজবাটৰ ৰাঙাপানী অঞ্চলৰ পৰা AS-17-C-7978 নম্বৰৰ বল্ডাৰ ভৰ্তি এখন ডাম্পাৰ জব্দ কৰা হয়।ডাম্পাৰখনৰ চালকে বল্ডাৰৰ চালান দাখিল কৰিলেও চালানখনত সন্দেহ প্ৰকাশ কৰে বন কৰ্মীসকলে। পিছত মাজবাট বন কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত ৰেঞ্জাৰ মিণ্টু বড়োৱে চালানখন খৰচি মাৰি পৰীক্ষা কৰি নিশ্চিত হয় যে এ আই এপ ব্যৱহাৰ কৰি নকল চালান প্ৰস্তুত কৰা হৈছিল।জাল চালানৰ সহায়ত ডাম্পাৰখন দলগাঁও অভিমুখে গৈ আছিল বুলি জানিব পৰা গৈছে। বন বিভাগে ডাম্পাৰখন জব্দ কৰি অধিক তদন্তৰ বাবে মাজবাট বন কাৰ্যালয়লৈ লৈ আনে।ইফালে একেদিনাই গোপন খবৰৰ ভিত্তিত অসম-অৰুণাচল সীমান্তৰ শোণিতপুৰ আৰু ওদালগুৰি জিলাৰ সংযোগস্থল আলাইশ্ৰী গাঁৱৰ জংঘলৰ কাষত অভিযান চলায় বন বিভাগে।অভিযানত জব্দ কৰা হয় এটা কাঠ ফলা মেচিন, তিনিটা গছ কটা মেচিন, এটা হোণ্ডা জেনেৰেটৰ, মেচিনত ব্যৱহৃত পেট্ৰ'ল-ডিজেল আৰু বহু সা-সামগ্ৰী। জব্দ কৰা সকলো সামগ্ৰী মাজবাট বন কাৰ্যালয়লৈ অনা হৈছে। ১জুলাইত অসমত এ আইৰ সহায়ত নকল চালান ব্যৱহাৰ কৰি অবৈধ শিল পৰিবহনৰ নতুন কৌশল পোহৰলৈ আনে ভাৰপ্ৰাপ্ত বন আঞ্চলিক বিষয়া মিণ্টু বড়োৱে । বন বিভাগে এই ধৰণৰ জালিয়াতিৰ বিৰুদ্ধে অধিক তীব্ৰতৰ ভাবে অভিযান চলোৱাৰ ইংগিত দিছে। মিণ্টু বড়োৰ প্ৰশংসনীয় কাৰ্যৰ বাবে মিণ্টু বড়োক ওদালগুৰি জিলা সচেতন নাগৰিক সমিতি আৰু ওদালগুৰি জিলা ন্যাস আৰু উন্নয়ন সংস্থাই শলাগ লৈছে।

# নলবাৰীত পানীৰ অভাৱত কৃষকৰ মাজত হাহাকাৰ ঃ বিকল কেইবাখনো অগভীৰ নলীনাদ আঁচনি


**বাতৰি কাকত, বৰনৰ্দ্দী , ১৯ জুলাইঃ** খৰাং বতৰৰ বাবে হাহাকাৰ লাগিছে ৰাজ্যৰ আন বহু জিলাৰ লগতে কৃষি চহকী জিলা নলবাৰীৰ কৃষকৰ মাজত । কিয়নো শালিধানৰ খেতি ৰোপণৰ সময়ত বহু কৃষকে পানীৰ অভাৱত হুমুনিয়াহ কাঢ়িব লগা অৱস্থা হৈ পৰিছে । কৃষকৰ এনে দুৰ্দশা মোকাবিলাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে জলসিঞ্চন বিভাগ । জলসিঞ্চন বিভাগৰ হেমাহিৰ বাবে নলবাৰীত বিকল হৈ আছে কেইবাখনো অগভীৰ নলীনাদ আঁচনি । অভিযোগ অনুসৰি অসম চৰকাৰৰ বিয়াগোম জলসিঞ্চন বিভাগৰ নলবাৰী,বৰক্ষেত্ৰী আৰু টিহু সংমণ্ডলৰ অধীনত থকা এনে একাধিক আঁচনি বৰ্তমানে অকামিলা হৈ আছে । ফলত কৃষি পথাৰত পানী যোগান সুবিধাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে কৃষক ৰাইজ । নলবাৰীত খেতি পথাৰত পানী যোগান ধৰাৰ নিমিত্তে বিগত তিনি-চাৰি বছৰত কোটি কোটি টকা ব্যয় কৰা হয় যদিও ইয়াৰ পৰা কৃষি চহকী জিলাখনৰ কৃষক ৰাইজ উপস্থিত নোহোৱাৰ অভিযোগ উত্থাপিত হৈছে । উল্লেখ্য যে যোৱা বছৰ তীব্ৰ খৰাং বতৰত জিলাখনৰ কৃষক সকলে জলসিঞ্চন বিভাগৰ এটুপি পানী নেদেখিলে । পানীৰ অভাৱত হাহাকাৰ কৰি শালিধান ৰোপণৰ আশা বাদ দিব লগা অৱস্থা হৈ পৰিছিল বহু কৃষকৰ । অভিযোগ অনুসৰি জিলাখনৰ বিভিন্ন অঞ্চলৰ লগতে দক্ষিণ-পশ্চিম নলবাৰী অঞ্চলৰ বিভিন্ন গাঁৱত স্থাপন কৰা বিভাগটোৰ কেইবাখনো অগভীৰ নলীনাদ আঁচনি বিকল হৈ আছে । জানিব পৰা মতে বলোৱা,গোৱালপাৰা, বগুৰিহাটী, ৰৌমাৰী, বাটসৰ, গদিৰা,ভৰশাঁলৰ লগতে ইফালে বেলশৰ,ককয়া,পিপলিবাৰী, জাগাৰা,নপ্তিপাৰা, বৰ্ণিবাৰীত লক্ষ লক্ষ টকা ব্যয়েৰে অগভীৰ নলীনাদ আঁচনি স্থাপন কৰা হৈছিল । কিন্তু বিভাগটোৰ পৰিচালনাৰ অভাৱত বহু আঁচনি কাগজ-কলমেহে চলি আছে । আঁচনিখনৰ পৰা কৃষকৰ কোনো কামত অহা নাই । আঁচনিখন খেতি পথাৰত পানী যোগান ধৰাৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে ব্যৰ্থ হোৱা বুলি এতিয়া কৃষকসকলৰ মুখে মুখে চৰ্চিত হৈছে । লক্ষ্যণীয় ভাবে জিলাখনৰ হেজাৰ-হেজাৰ কৃষকে আজিও আওপুৰণি পদ্ধতিৰে কৃষি কৰ্ম কৰি আহিছে । কৃষি সম্ভাৱনা পূৰ্ণ জিলাখনত বিগত সময়ত নতুনকৈ সৌৰশক্তিচালিত বহু জলসিঞ্চন আঁচনি স্থাপন কৰা হয় যদিও সেয়াও ভেকোঁভাওনাত পৰিণত হৈছে । জিলাখনত আজিও সন্তোষজনক অৱস্থাত ধান খেতি,পাচলি খেতি কৰা কৃষক আছে যদিও প্ৰকৃতিৰ ওপৰতে আশা কৰিবলগীয়া হয় । বৰষুণৰ পানীকে সম্পূৰ্ণ নিৰ্ভৰ কৰিবলগীয়া হয় । প্ৰতিবছৰেই গ্ৰীষ্ম কালত শালিধানৰ খেতিত পানী বিচাৰি হাহাকাৰ



কৰিব লগীয়া হয় অঞ্চল সমূহৰ বহু কৃষক । কাৰণ জিলাখনৰ নবৈব শতাংশ কৃষিভূমিতে নাই জলসিঞ্চনৰ ব্যৱস্থা । কৃষক ৰাইজৰ এনে সমস্যা মোকাবিলা কৰিবলৈ চৰকাৰৰ বিয়াগোম কৃষি বিভাগ,জলসিঞ্চন বিভাগ নীৰৱ-নিৰ্বিকাৰ ।

# ৰূপহীহাটৰ কোচগাঁৱৰ পৰা ১২ টা চোৰাং ছিলিণ্ডাৰ জব্দঃ আটক ১

**বাতৰি কাকত লাওখোৱা,১৯ জুলাইঃ** ৰূপহীহাট আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি কোচ গাঁৱত চোৰাং গেছ ছিলিণ্ডাৰৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ অভিযানত ১২ টাকৈ ভাৰত গেছ কোম্পানিৰ ছিলিণ্ডাৰসহ আটক কৰে এজন বেপাৰীক। ধৃত বেপাৰীজনৰ নাম গিয়াছ উদ্দিন। বেপাৰীজনে ছিলিণ্ডাৰসমূহ ক'লা বজাৰত অধিক দামত বিক্ৰী কৰি আহিছিল। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত বেপাৰীজনক জেৰা অব্যাহত ৰাখিছে।




# খখৰিশালত বিনামূলীয়া চিকিৎসা শিবিৰ

**বাতৰি কাকত, বৰনৰ্দী, ১৯ জুলাইঃ** গ্ৰাম্যাঞ্চলৰ সাধাৰণ ৰাইজৰ দুৱাৰমুখলৈ স্বাস্থ্যসেৱা কঢ়িয়াই নিয়াৰ লক্ষ্যৰে ৰাষ্ট্ৰীয় মোবাইল মেডিকেল ইউনিটে সোমবাৰে নলবাৰী জিলাৰ খখৰিশাল গাঁওস্থিত আয়ুস্মান মন্দিৰত এটি বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত কৰে। পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা শিবিৰত অঞ্চলটোৰ শতাধিক লোকে অংশগ্ৰহণ কৰি বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা, চিকিৎসকৰ পৰামৰ্শ আৰু প্ৰয়োজনীয় ঔষধ লাভ কৰে।শিবিৰত বিশেষভাৱে ৫০ বছৰৰ উৰ্ধ্বৰ ব্যক্তিসকলৰ স্বাস্থ্য পৰীক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ লগতে উচ্চ ৰক্তচাপ, মধুমেহ, ধূমপানজনিত স্বাস্থ্যসমস্যা আৰু অন্যান্য অসংক্ৰামক ৰোগত আক্ৰান্ত ব্যক্তিসকলৰো বিস্তৃত স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰা হয়। চিকিৎসকৰ পৰামৰ্শ অনুসৰি বহু ৰোগীৰ বিনামূলীয়াকৈ এক্স-ৰে পৰীক্ষা কৰা হয় আৰু প্ৰয়োজনীয় ঔষধ বিতৰণ কৰা হয়। এই সেৱাৰ জৰিয়তে বহু আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ লোকে উপকৃত হোৱা বুলি জানিব পৰা গৈছে। চিকিৎসা শিবিৰত ডাঃ খাইৰুল আলীৰ নেতৃত্বত স্বাস্থ্য বিভাগৰ এক অভিজ্ঞ চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ দলে সেৱা আগবঢ়ায়। দলটোত বৰষা বৰ্মন (অপথেলমিক সহায়ক), ইফতাৰা বেগম



(জি.এন.এম.), ৰূপজ্যোতি বৰ্মন (লেব'ৰেটৰি টেকনিচিয়ান), মহিদুল ইছলাম (ফাৰ্মাচিষ্ট), বিজয় কুমাৰ বৰ্মন (ৰেডিঅ'গ্ৰাফাৰ), অনুস্মিতা বৰ্মন (চি.এইচ.অ'), চম্পক বৰ্মন (এম.পি.ডব্লিউ.) কুসুম হালৈ (এ.এন.এম.), নৃপেন্দ্ৰ কলিতা, মনোজ বৰুৱা আৰু পংকজ ঠাকুৰীয়াসহ আন স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, আয়ুস্মান মন্দিৰৰ অন্তৰ্গত আশা কৰ্মী মজিদা বেগম, ৰীণা হালৈ, ৰহিমা বেগম, চায়েদা বেগম, ৰিজু বেগম আৰু চাকিৰা বেগমে পূৰ্বৰে পৰা অঞ্চলটোৰ বিভিন্ন ঘৰে ঘৰে গৈ শিবিৰৰ বিষয়ে প্ৰচাৰ চলোৱাৰ লগতে ৰোগীসকলক চিকিৎসা শিবিৰলৈ আহিবলৈ উৎসাহিত কৰে। তেওঁলোকৰ এই আন্তৰিক প্ৰচেষ্টাৰ ফলতেই বহু জ্যেষ্ঠ নাগৰিক আৰু দৰিদ্ৰ লোক চিকিৎসা শিবিৰত উপস্থিত হৈ বিনামূলীয়া স্বাস্থ্যসেৱা লাভ কৰিবলৈ সক্ষম হয়। স্থানীয় ৰাইজে ৰাষ্ট্ৰীয় মোবাইল মেডিকেল ইউনিটৰ এই জনমুখী পদক্ষেপক আদৰণি জনাই কয় যে, এনে স্বাস্থ্য শিবিৰে গ্ৰাম্যাঞ্চলৰ সাধাৰণ লোকসকলৰ বাবে যথেষ্ট আশীৰ্বাদস্বৰূপ। বহু সময়ত দূৰৱৰ্তী চিকিৎসালয়লৈ যোৱাত অসুবিধাৰ সন্মুখীন হোৱা লোকসকলে এনে শিবিৰৰ জৰিয়তে নিজৰ স্বাস্থ্য পৰীক্ষা কৰাৰ সুযোগ লাভ কৰিছে।সচেতন মহলে ভৱিষ্যতেও নিয়মীয়াকৈ এনে বিনামূলীয়া চিকিৎসা শিবিৰ আয়োজন কৰি অঞ্চলটোৰ বিশেষকৈ বয়োজ্যেষ্ঠ, আৰ্থিকভাৱে দুৰ্বল আৰু চিকিৎসা সেৱাৰ পৰা বঞ্চিত লোকসকলৰ স্বাস্থ্যসুৰক্ষা অধিক শক্তিশালী কৰাৰ বাবে স্বাস্থ্য বিভাগৰ ওচৰত আহ্বান জনায়।

# নদীত গা-ধূবলৈ গৈ সন্ধানহীন দুই ছাত্ৰৰ মৃতদেহ উদ্ধাৰ

**বিশেষ প্ৰতিনিধি, নাজিৰা,১৯ জুলাইঃ** নাজিৰা সমজিলা অন্তৰ্গত গেলেকী আৰক্ষী থানা অধীনৰ নামদাং নৈত অঘটন । গৰমত তৃষ্ণা নিবাৰণৰ বাবে নৈত গা-ধূবলৈ গৈ দুই ছাত্ৰ সন্ধানহীন । জানিব পৰা মতে অয়ন অৰ্জুন বৰা দিল্লী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ আৰু অনুৰাগ বৰুৱা যোৰহাট জে বি কলেজৰ ছাত্ৰ আছিল । তেওঁলোকৰ ঘৰ এজনৰ শিৱসাগৰ আৰু আনজনৰ জয়সাগৰত বুলি জানিব পৰা গৈছে । উৎকট গৰমে দহিছে ৰাজ্য, এতিয়া অসমত তীব্ৰ গ্ৰীষ্ম প্ৰবাহ । গৰমৰ পৰা কিছু পৰিত্ৰাণ পাবৰ বাবেই বহু লোকে নৈত নামি গা-ধূৱে । এই গা-ধূৱাই কাল হ'ল নেকি এই দুজন সম বয়সীয়া ছাত্ৰৰ । যদিও প্ৰথম অৱস্থাত দুয়োজন ছাত্ৰৰে কোনো সন্ধান ওলোৱা নাছিল । ইয়াৰ পূৰ্বেও নামদাং নৈৰ বিভিন্ন প্ৰান্তত এইদৰে বহু লোকে অকাল মৃত্যুক সাৱতি আহিছে । নৈখন চুবুৰীয়া ৰাজ্য নগা পাহাৰৰ পৰা ওলাই অহা আৰু ইয়াত কয়লা পানী পৰিবাহিত হোৱাৰ ফলত এই পানী সম্পূৰ্ণ বিশুদ্ধ নহয় আৰু নৈখনত মাছ-পুঠিও খুব কমহে দেখা পোৱা যায় । অভিযোগ অনুসৰি চাৰি বন্ধু একেলগে নামদাং নৈত গা-ধূবলৈ গৈ দুই ছাত্ৰ সন্ধানহীন হোৱা খবৰে অঞ্চলজুৰি চেপা উত্তেজনাই বিৰাজ কৰিছে । উল্লেখ্যে যে ঘটনাৰ সন্দৰ্ভত গেলেকী আৰক্ষী আৰু ডুবাৰু দলৰ অভিযানত ঘটনাস্থলীৰ কিছু দূৰত্বত প্ৰথমে অয়ন অৰ্জুন বৰাৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয় । যদিও আনজন ছাত্ৰৰ সন্ধান কিছু সময়ৰ ধৰি চলি থকাৰ পাছত অৱশেষত ডুবাৰুৰ নেৰা নেপেৰা প্ৰচেষ্টাৰ ফলত আনটো মৃতদেহো উদ্ধাৰ হয় । আনহাতে প্ৰায় ৩ ঘণ্টা ১৫ মিনিট ধৰি জিলা প্ৰশাসনে চলোৱা এই বিশেষ অভিযানত দুয়োজন ছাত্ৰৰে নিথৰ দেহ ডুবাৰু দলে উদ্ধাৰ কৰে । পাছত স্থানীয় আৰক্ষী প্ৰশাসনে মৃতদেহ দুটা চমজি লৈ তদন্ত অব্যাহত ৰাখিছে ।

# বঙাইগাঁৱৰ বিদ্যাপুৰত বিদ্যুৎস্পৃষ্ট হৈ এজনৰ মৃত্যু

**বঙাইগাঁও, ১৯ জুলাইঃ** বঙাইগাঁও সদৰ থানাৰ অন্তৰ্গত বিদ্যাপুৰৰ ফুলকুমাৰীত এক শোকাৱহ ঘটনা সংঘটিত হয় । বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু অঞ্চলটোৰ এজন ব্যক্তিৰ । মৃত ব্যক্তিজনৰ নাম শ্বাহজাহান আকন্দ । প্ৰাপ্ত বাতৰি মতে ব্যক্তিজনে নিজ বাসগৃহত বৈদ্যুতিক ফেন ভাল কৰি থকা সময়তে হঠাতে বিদ্যুৎস্পৃষ্ট হয় আৰু ঢলি পৰে । পিছত ব্যক্তিজনক ততাতৈয়াকৈ বিদ্যাপুৰ সমূহীয়া স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰে যদিও চিকিৎসকে ইতিমধ্যে তেওঁৰ মৃত্যু হোৱা বুলি ঘোষণা কৰে ।

# দিন দুপৰতেই নলবাৰী চহৰত চোৰৰ লুটপাত

**মজিবুৰ ৰহমান, নলবাৰী ,১৯ জুলাইঃ** দিন দুপৰতে চোৰে লুটপাত চলালে নলবাৰী চহৰত । চহৰখনৰ শান্তিপুৰৰ এটা পৰিয়ালত চোৰে চলালে লুটপাত । শান্তিপুৰ নিবাসী ব্যৱসায়ী মনোজ কুমাৰ দত্তৰ গৃহত চোৰে চলালে লুটপাত । পৰিয়ালৰ সদস্য গৃহত নথকাৰ সুযোগ লৈ গৃহৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰে । এফালৰ পৰা তচনচ কৰে গৃহৰ সামগ্ৰী । পিছত গডৰেজৰ লক ভাঙে যদিও সোণ গহণা নিয়াৰ সুবিধা নাপালে চোৰে । অৱশেষত গৃহৰ কাহৰ বাচন বৰ্তন আৰু দুটা গেছ টেংকি লৈ চোৰৰ দলটো উধাও হয় । পিছত গৃহলৈ আহি গৰাকী হতভম্ব হৈ পৰে । কিয়নো ব্যৱসায়ী মনোজ কুমাৰ দত্তৰ পত্নী মাত্ৰ আধা ঘণ্টাৰ বাবে বাহিৰলৈ ওলাই যোৱাৰ সুযোগতে চোৰৰ দলে চলাই লুটপাত । ইতিমধ্যে পৰিয়ালটোৰ গৃহত আৰক্ষীৰ লোক উপস্থিত হৈ ঘটনাৰ অনুসন্ধান আৰম্ভ কৰিছে ।

# নৈ-বিল-জলাশয়-পিনটি'ৰ অনাদৃত পানীমেটেকাৰে তৈয়াৰী সামগ্ৰীৰে বিশ্বমুখী যাত্ৰা এদল উদ্যমী মহিলাৰ

**বাতৰি কাকত বিশেষ,নগাঁও,১৯ জুলাইঃ** অসমীয়া সমাজত সচৰাচৰ সাধাৰণতে এটা ধাৰণা আছে যে গ্ৰামাঞ্চলৰ মহিলাসকল অৰ্থনৈতিকভাৱে পুৰুষ জনৰ ওপৰতেই নিৰ্ভৰশীল হৈ চলিব লাগে । কিন্তু, এই ধাৰণক অসাৰ প্ৰতিপন্ন কৰি নগাঁৱৰ এখন গাঁৱৰ এদল মহিলাই স্বনিৰ্ভৰশীভাৱে আৰম্ভ কৰিছে এক অৰ্থনৈতিক বিপ্লৱ । গাঁওখন হ'ল বৰচিলা । নগাঁও জিলাৰজিলা আয়ুক্ত দেৱাশীষ পশ্চিমাঞ্চলৰ তিৱা সম্প্ৰদায়কে ধৰি বিভিন্ন জাতি-জনগোষ্ঠীৰে পৰিবেষ্টিত বৰচিলাৰ মহিলাসকলে সম্প্ৰতি সুসংগঠিতভাৱে গঢ়ি তুলিছে গ্ৰাম্য অৰ্থনৈতিক বুনিয়াদ । মহিলাসকলৰ এই অৰ্থনৈতিক সবলীকৰণ প্ৰচেষ্টাৰ বাবে সমগ্ৰ অঞ্চলটোতে উজলি উঠিছে বৃহত্তৰ বৰচিলা গাঁওখন । উল্লেখযোগ্য যে,বৰচিলাৰ "দলংঘাট হেণ্ডিক্ৰাফট কো-অপাৰেটিভ ছ'চাইটি লিমিটেড' নামৰ অনুষ্ঠানটোত বৰচিলা অঞ্চলটোৰ পঞ্চাশগৰাকী উদ্যমী মহিলাই নৈ-বিল-পিটনি-জলাশয় আৰু সোনাই নদীত অনাদৃত হৈ পৰি থকা পানীমেটেকাৰ পৰা নিজহাতে বিভিন্ন বিধ সামগ্ৰী বনাই ৰাজ্যখনৰ লগতে ৰাজ্যৰ বাহিৰটো বিক্ৰী কৰি সকলোতে সমাদৃত হোৱাৰ ওপৰি লক্ষাধিক টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে । বৰচিলাৰ ওপৰি হালধিআটী, গাখজুৱা,দলংঘাটৰ এইসকল মহিলাই নিজৰ ঘৰুৱা কাম-কাজতে সীমাবদ্ধ নাথাকি অঞ্চলটোৰ বিল, পিটনি, জলাশয়,নৈ,সোনাই নদীৰ একঁকাল পানীত নামি বোকা-পানী গচকি,ঠেলাত বুজাই,কঢ়িয়াই আনি মহিলাসকলে পানীমেটেকা সমূহ নিজে সংগ্ৰহ কৰি আনি ছ'চাইটিৰ ঘৰত প্ৰথম পৰ্যায়ত মজুত কৰে । মহিলাসকলে পানীমেটেকা নিজে কাটি,কঢ়িয়াই,সংগ্ৰহ কৰি মেচিনত শুকোৱাই,ৰং সানি তেওঁলোকে বিভিন্ন সামগ্ৰী যেনে ফুলৰ টাব,কঠ, ঢাৰি,পাটী,ফাইল ক'ভাৰ,দলিচা,জুৱেলাৰী বেগ,টিফিন বেগ,ফ্লিলাস্কৰ বেগ,বজাৰ কৰা মোনা,মন্দিৰৰ ফলমুলৰ বেগ,মহিলা সকলৰ বাবে মুৱাইল বেগ,মানি বেগ বিভিন্ন সৰু ডাঙৰ বেগকে ধৰি নানাবিধ সামগ্ৰী তৈয়াৰ কৰে আৰু সেইসামগ্ৰী সমূহ নগাঁও-মৰিগাঁও জিলাৰ বিভিন্ন বজাৰত বিক্ৰী কৰাৰ ওপৰি ডিব্ৰুগড়-তিনিচুকীয়া-যোৰহাট-গুৱাহাটী-কাৰ্বি আংলং-তেজপুৰ-লক্ষীমপুৰ-ধেমাজীকে ধৰি অসমৰ বিভিন্ন স্থানত বিক্ৰী কৰি আহিছে । কেৱল যে অসমতেই বিক্ৰী হৈছে এইসমূহ সামগ্ৰীৰ তেনে নহয় । পানীমেটেকাৰে নিৰ্মিত এই সামগ্ৰী সমূহ পৰ্যায়ক্ৰমে অসমৰ বাহিৰত যেনে মুম্বাই,নতুন দিল্লী, ৰাজস্থান,



কেৰেলা,চেন্নাই,হায়দৰাবাদ,হিমাচল প্ৰদেশ আদিত অনুষ্ঠিত হোবা বিভিন্ন প্ৰদৰ্শনীত এই ছ'চাইটিখনৰ মহিলা সকলে অংশগ্ৰহণ কৰি আহিছে । ইয়াৰ ওপৰি উত্তৰ-পূৰ্বাঞ্চলৰ মেঘালয়,মনিপুৰ,অৰুণাচল প্ৰদেশ আদিতো অনুষ্ঠিতপ্ৰদৰ্শনী সমূহত এইসকল কৰ্মোদ্যমী মহিলাই অংশগ্ৰহণ কৰি সমাদৰ বুটলিবলৈ সক্ষম হৈছে । এই প্ৰদৰ্শনী সমূহত অংশগ্ৰহণেৰে দলংঘাট হেণ্ডিক্ৰাফট কো-অপাৰেটিভ ছ'চাইটি লিমিটেডৰ মহিলা সকলে বিগত বৰ্ষত প্ৰায় ১০ লাখ টকাৰ অধিক মূল্যৰসামগ্ৰী বিক্ৰী কৰিছে বুলি মহিলাসকলে জানিবলৈ দিছে । বছৰি সমিতিখনে ৯-১০ লাখ টকা উপাৰ্জন কৰে। এই ধনৰে সমিতিৰ অন্তৰ্ভুক্ত মহিলা সকলক পাৰিশ্ৰমিক দিয়াৰ লগতে এটা অংশ সমিতি খনত জমা ৰাখে। মহামাৰী কৰোনা তথা ল'কডাউনৰ সময়ত ছচাইটি খনলৈ কিছু স্থবিৰতা আহিছিল যদিও বৰ্তমান পুনৰ ঠন ধৰি উঠিছে মহিলাসকলৰ ছ'চাইটিখন । ছ'চাইটিখনৰ বৰ্তমানৰ সভানেত্ৰী চন্দ্ৰপ্ৰভা বৰদলৈ আৰু সম্পাদিকা মানসী বৰদলৈ ছ'চাইটিখনৰ আৰু বাণিজ্যিক সমন্বয়ক মুনমী দেউৰজাৰ নেতৃত্বত বহু কেইগৰাকী মহিলাই তাত নিজৰ নিজৰ কামত ব্যস্ত হৈ অৰ্থনৈতিক বুনিয়াদ গঢ়াৰ সপোন ৰচিছে । বয়সৰ জোখাৰে ষাঠিৰ উৰ্ধ্ব অঞ্জু বৰদলৈ,নন্দেমাই ৰাজবংশী,পদুমী ডেকাৰ লগতে আন মহিলাসকল ক্ৰমে বৈজয়ন্তী বৰদলৈ,তুলুমনি বৰদলৈ,প্ৰণামিকা ডেকা,মমী কাকতি ডেকা আদিয়ে কাৰ্যালয়ত দৈনিক পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৩-৪ বজা পৰ্যন্ত পানীমেটেকাৰে সামগ্ৰী তৈয়াৰত ব্যস্ত হৈ থাকে । উল্লেখ্য যে,কেৱল পানীমেটেকাৰ সামগ্ৰী প্ৰস্তুতেই নহয়,গাঁওখনৰ মহিলাসকলে বয়ন শিল্প,হাঁহ ,কুকুৰা,ছাগলী,জাৰ্ছী গৰু পোহপালন কৰিও যথেষ্ট লাভান্বিত হৈছে । ছ'চাইটিৰ সদস্য সকলে কয় যে-- হাঁহ-কুকুৰা পালন,গৰু-ছাগলীৰ গাখীৰ বিক্ৰী কৰি যি লাভাংশ পাই তাৰে আনৰ ওচৰত হাত নপতাকৈ চলি আছো । ছ'চাইটিৰ মহিলাসকলে লগতে জানিবলৈ দিয়ামতে তেওঁলোকে এতিয়া সকলো কথাতে স্বামীৰ মুখলৈ চাবলগীয়া নহয় । ২০১৮ চনৰ পৰা এই মহিলা সকল এই কামত নিয়োজিত হয় ।২০১৯ সমবায় আইন অনুসৰি সমিতিখন এন (এম) ৭ ২০১৯ -- ২০২০ নম্বৰত পঞ্জীয়ন হয়। অৰ্থনৈতিক বুনিয়াদ গঢ়ি তোলা এই মহিলা সকল সকলোৰে বাবে বিশেষকৈ কৰ্মসংস্থাপনৰ সমস্যা ভুগি থকা নৱপ্ৰজন্মৰ বাবে এক আদৰ্শ হিচাপে চিহ্নিত হৈছে।



# বঙাইগাঁৱত অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ

**বঙাইগাঁও ,১৯ জুলাইঃ**বঙাইগাঁৱৰ নিউ বঙাইগাঁও ৰেলৱে জংচনৰ পানীৰ টেংকিৰ সমীপত সোমবাৰে এজন অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ হয় । মৃতদেহটো পানী টেংকিৰ সন্মুখৰ জংঘলৰ মাজত পৰি থকা অৱস্থাত নিউ বঙাইগাঁও আৰক্ষীয়ে নিশা উদ্ধাৰ কৰে । প্ৰাপ্ত তথ্য অনুসৰি স্থানীয় একাংশ লোকে প্ৰথমে মৃতদেহটো জংঘলৰ মাজত পৰি থকা প্ৰত্যক্ষ কৰে আৰু লগে লগে নিউ বঙাইগাঁও আৰক্ষীক খবৰ দিয়ে। পিছত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে বঙাইগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে । উদ্ধাৰ হোৱা মৃত যুৱকজনৰ বয়স আনুমানিক ২৫ ৰ পৰা ৩০ বছৰ হ'ব । উল্লেখ্য যে স্থানীয় লোকে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে উক্ত ঠাইখিনি একাংশ নিচাসক্তৰ বাবে নিচাজাতীয় দ্ৰব্য সেৱনৰ স্থান হৈ পৰিছে । আনকি নিচাজাতীয় দ্ৰব্য সেৱনৰ বাবে বিভিন্নজনৰ উক্ত স্থানলৈ আগমণো ঘটে । কিন্তু কাৰোবাৰ চকুত পৰিলে নিচাসক্তসকলক খেদি পঠিয়ায় যদিও উক্ত ঠাইখিনিলৈ সাধাৰণতে লোকৰ অহা- যোৱা কৰিবলগীয়া নথকাত তাৰ সুবিধা গ্ৰহণ কৰি আহিছে । ইপিনে মৃতদেহ উদ্ধাৰৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে ।

# মানুহৰ নিকৃষ্টতম শত্ৰু ‘খং’!

অশ্বিনী কুমাৰ নাথ

মানুহৰ হৃদয়ত অংকুৰিত হৈ থকা আন এক চাৰিত্ৰিক দিশ হৈছে ‘খং’। খং হৈছে দুখৰ প্ৰতিক্ৰিয়া। মানুহৰ অন্তৰত আনক অনিষ্ট কৰাৰ প্ৰবৃত্তি সৃষ্টি হ’লেই প্ৰমাণিত হয় যে মানুহ জনৰ অন্তৰত খঙৰ উদ্ভৱ হৈছে। এই খং মানুহৰ মনত উদয় হলে ইবিলাকক আমি বাধা দি ৰাখিব পৰাটোৱে হৈছে উত্তম কাম। মানুহৰ বাবে ইয়ে হৈছে এক মহান গুণ। মানুহে অন্তৰত পাশৱিক ভাৱ প্ৰৱেশ কৰাত বাধা দিয়া উচিত। মনত পাশৱিক ভাৱ থকা মানুহে পাপৰ প্ৰতি ভয় নকৰে। পাশৱিকভাৱে মানুহৰ অন্তৰত খং আৰু ঈৰ্ষাৰ ভাৱ পোষণ কৰে। এই খং আৰু ঈৰ্ষাই হৈছে মানুহৰ নিকৃষ্টতম শত্ৰু।

যি মানুহৰ অন্তৰত খং আৰু ঈৰ্ষাই ঠাই পায়, সেই মানুহক প্ৰকৃততে মানুহ বুলি কব নোৱাৰি। যি মানুহৰ ক্ষণে প্ৰতি খং উঠে বা খঙৰ বশৱৰ্তী হয় সেই মানুহৰ প্ৰকৃততে মানৱীয়ত গুণ শূণ্য বুলি কোৱা হয়। এনেকুৱা খঙত অভীষ্ঠ ব্যক্তিয়ে কেতিয়াও দেৱত্বপ্ৰাপ্ত হ’ব নোৱাৰে। সেয়েহে সমাজৰ তথা পৃথিৱীৰ প্ৰতিজন মানুহে খং আৰু ঈৰ্ষা নিয়ন্ত্ৰণ কৰি ৰখাটো নিতান্তই প্ৰয়োজনীয় কথা বুলি আমি ভাবো। খং অকল যে মানুহৰ অন্তৰতে আছে এনে নহয়। জীৱ জন্তুৰ অন্তৰতো খং আছে। জীৱ জন্তুৰ দেহত অংকুৰিত খং আকৌ অতি ভয়াহক। সৰীসৃপ(সাপ)ৰ খঙে কেতিয়াবা মানুহক খুটিয়ই মৃত্যুমুখত পেলায়। সেইদৰে গজহস্তী (হাতী)ৰ খং উঠিলে কেতিয়বা নিজৰ পিঠিত উঠি চলাই লৈ ফুৰা মাউট বন্ধুজনকো শুৰেৰে নমাই আনি ফালি-চিৰি মাৰি পেলায়। সেইদৰে পোহনীয়া গাই গৰু জনীয়েও খং উঠিলে গৰাকীক গাখীৰ খিৰাব নিদিয়ে আৰু বেছি খং উঠিলে ভৰিৰ লঠিয়ায়। হালৰ হালুৱা পোহনীয় গৰু দুটিয়েও কেতিয়বা খং উঠিলে গৰাকীক চোঁচা মাৰ খেদি যায়। চৰাই চিৰিকটিয়েও কেতিয়বা খঙৰ ভমকত চুলীয়চুলিকৈ কজিয়া লাগে। ঠিক সেইদৰে আমাৰ নাৰী বা তিৰোতাসকলৰ খং আকৌ বহুত বেছি। নিজৰ গিৰিয়েকৰ লগত কাজিয়া কৰি জীৱন নিৰ্বাহ কৰাটো তেওঁলোকৰ নিত্য নৈমিত্তিক কাৰ্য বুলিয়েই ধৰিব পাৰি। আনহাতে ওচৰ-চুবুৰীয়ৰ স’তে কিবা কথাত কাজিয়া লাগিলে অতিপাত খঙৰ ভমকত চুলীয়াচুলিও লাগে। এই কাজিয়াৰো পৰিণতি একমাত্ৰ খং। কিন্তু এই খং কেনেকৈ দমাব পাৰি সেইটোহে চিন্তনীয় বিষয়। ইয়াৰ একমাত্ৰ মহৌষধবিধ হৈছে প্ৰেম। প্ৰেমেৰেহে অকল খং নাইকীয়া কৰিব পাৰি।




সি যি কি নহওঁক, মানুহে প্ৰথমতে খং দমাবলৈ অন্তৰত প্ৰেমভাৱ কৰ্ষণ কৰিব লাগিব। প্ৰেমভাৱ অবিহনে মানুহে জীৱনত শান্তি লাভ কৰিব নোৱাৰে। প্ৰেম আৰু শান্তি দুয়োটা একেলগ হ’লেহে মানুহে জীৱনত পৰিপূৰ্ণতা লাভ কৰিব পাৰে। মানুহৰ অন্তৰত যেতিয়া প্ৰেম আৰু শান্তি দুয়োটাই থাকিব, তেতিয়া মানুহৰ অন্তৰৰ পৰা খং, হিংসা-দ্বেষ দূৰতে বিদূৰ হ’ব আৰু আনকি অনিষ্ট কৰাৰ প্ৰবৃত্তি অন্তৰত নজন্মিব। মানুহৰ বাবে ইয়েই হৈছে এক মহান গুণ।

পণ্ডিতসকলে মত পোষণ কৰে যে খঙৰ মানুহ আৰু পশু বা জীৱ-জন্তুৰ মাজত কোনো প্ৰভেদ নাথাকিব। সত্য, ধৰ্ম, শান্তি, প্ৰেম আৰু অহিংসা এই পাঁচটা মানৱীয় মূল্যবোধ মানুহৰ পঞ্চ প্ৰাণৰ দৰে। যি মানুহ এই পাচটা মূল্যবোধৰ অধিকাৰী হ’ব পাৰে, সেই মানুহেহে নিজকে প্ৰকৃতাৰ্থত মানুহ বুলি কোৱাৰ যোগ্যতা অৰ্জন কৰে। কৰ্মস্পৃহা, খং, লোভ, মোহ, অহংকাৰ, ঈৰ্ষা আদি মানুহ আৰু পশুৰ উমৈহতীয়া চাৰিত্ৰিক বৈশিষ্ট্য। যিবিলাক মানুহৰ খং দমাবৰ ক্ষেত্ৰত কোনো নিয়ন্ত্ৰণ নাই, সেইবোৰ আচলতে মানুহৰূপী পশু। পশু এটাৰ খং, ভোক তথা কামস্পৃহা স্বাভাৱিকতে থাকে আৰু ইবিলাকে জীৱন পৰিচালিত কৰে বাধাহীনভাৱে। এটা পশু বা জন্তুৰ দয়া বা কাৰুণ্যৰ দৰে গুণ নাথাকে। কিন্তু মানুহৰ ক্ষেত্ৰত ইবিলাক বাধ্যতামূলকভাৱে প্ৰধান গুণ হোৱা উচিত।

*সৰীসৃপ(সাপ)ৰ খঙে কেতিয়াবা মানুহক খুটিয়ই মৃত্যুমুখত পেলায়। সেইদৰে গজহস্তী (হাতী)ৰ খং উঠিলে কেতিয়বা নিজৰ পিঠিত উঠি চলাই লৈ ফুৰা মাউট বন্ধুজনকো শুৰেৰে নমাই আনি ফালি-চিৰি মাৰি পেলায়। সেইদৰে পোহনীয়া গাই গৰু জনীয়েও খং উঠিলে গৰাকীক গাখীৰ খিৰাব নিদিয়ে আৰু বেছি খং উঠিলে ভৰিৰ লঠিয়ায়। হালৰ হালুৱা পোহনীয় গৰু দুটিয়েও কেতিয়বা খং উঠিলে গৰাকীক চোঁচা মাৰ খেদি যায়। চৰাই চিৰিকটিয়েও কেতিয়বা খঙৰ ভমকত চুলীয়চুলিকৈ কজিয়া লাগে। ঠিক সেইদৰে আমাৰ নাৰী বা তিৰোতাসকলৰ খং আকৌ বহুত বেছি।*

খঙৰ বাখ্যা গীতা উপনিষদত উল্লেখ আছে যে খং বাঘ সিংহতকৈও বহুগুণে শক্তিশালী আৰু ভয়াৱহ। কাৰণ এটা বাঘ বা সিংহৰ খং ক্ষণস্থায়ী। এই দুইটা ভয়াৱহ বনৰীয়া জন্তুৱে কেইমিনিটমানৰ ভিতৰতে যাকে তাকে মাৰি খাদ্যৰূপে খাই পেলাব পাৰে। কিন্তু মানুহে খঙৰ ভাৱ কেইবা মাহ কিম্বা কেইবাবছৰো মনত পুহি ৰাখে। মানুহে এনেকি পুৰুষানুক্ৰমে খং মনত পুহি ৰখাৰো দৃষ্টান্ত আছে। খঙে মানুহৰ ঐক্য আৰু সহনশীলতাৰ ভাৱ নাশ কৰে। সেইবাবেই কোৱা হয় যে খং মানুহৰ ভয়াৱহ কিম্বা নিকৃষ্টতম শত্ৰু। ভাৰতবৰ্ষৰ দৰে পৱিত্ৰ স্বাধীন দেশ এখনৰ প্ৰকৃত সৌন্দৰ্য হৈছে ধৈৰ্য অথবা সহনশীলতা। এই পৱিত্ৰ দেশখনত সকলো বিধিবিধানৰ ক্ষেত্ৰত সত্যত অনুগত হৈ থকাটোৱেই হৈছে শ্ৰেষ্ঠ তপস্যা। ভাৰতবৰ্ষৰ দৰে দেশখনৰ মধুৰ ভাৱ হৈছে পিতৃ-মাতৃ তথা ভাই ভনী সকলোৰে প্ৰতি খঙৰ সলনি প্ৰেমভাৱ পোষণ কৰা। এই প্ৰেমতহে প্ৰকৃত মধুৰতালুপ্ত হৈ থাকে। সেইবাবে আমি প্ৰেম আৰু সহনশীলতাক মাতৃ আৰু পিতৃৰ দৰে ব্যৱহাৰ কৰি খং পৰিহাৰ কৰা উচিত। মানুহৰ হৃদয়ত অংকুৰিত খঙৰ আন এক বিপৰীত দিশ হৈছে হাঁহি। হাঁহিক খং আতৰোৱাৰ এক মহৌষধ বুলিও কোৱা হয়। অতি খঙাল মানুহকো এটি হাঁহিয়ে অতি নমনীয় তথা সহনশীল কৰি তোলে। আকৌ মানুহৰ হাঁাহি প্ৰেমেৰে পৰিপূৰ্ণ হৈ থাকে। সেই হাঁহিয়ে মানুহৰ হৃদয়ত খঙৰ সলনি আনন্দ বিকিৰণ কৰে। অৱশ্যে ইয়াটো এটা কথা আছে মানুহৰ হৃদয়খন বা অন্তৰখন শুদ্ধ হ’লেহে, প্ৰেমভাৱ থাকিলেহে মানুহ খং ভাৱৰ সলনি হাঁহি ধেমালিৰে হাস্যবদনে থাকিবলৈ সমৰ্থবান হয়।



কথিত আছে যে ‘খং নামে চণ্ডাল’। এই প্ৰৱচন ফাকিয়েও খঙৰ প্ৰতিকূল বাৰ্ত্তাই বহন কৰে। সেয়ে মানুহে খং পৰিহাৰ কৰি শাস্ত্ৰত, ভাগৱতত কোৱাৰ দৰে ‘মন্ধষ্যানাং দৈৱ স্বৰূপম’, অৰ্থাৎ মনুস্য ভগৱান স্বৰূপ হৈ জীয়াই থাকিবলৈ চেষ্টা কৰাটো নিতান্তই প্ৰয়োজনীয় কথা হ’ব।

# বিশিষ্ট সাহিত্যিক চিন্তাবিদ শশী শৰ্মা

কনক কলিতা

বিগত ১৯৫৭ চনৰ পৰাই দেশত গণতন্ত্ৰৰ নামত ধনতন্ত্ৰ তথা মাফিয়াৰাজ চলিছে। ১৯৫৭ চনৰ দুই তাৰিখ ভাৰতবৰ্ষৰ তদানীন্তন প্ৰধানমন্ত্ৰী আছিল জৱাহৰলাল নেহেৰু। নেহেৰুৰ কু-শাসনৰ ফলত বঞ্চিত হ’বলৈ ওলাইছিল ৰাজ্যবাসী। অসমৰ মধ্যমণি গুৱাহাটীত তেল শোধানাগাৰ, ৰে’ল কাৰ্যালয় আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰথমখন দলঙৰ দাবী উত্থাপন কৰিছিল কমিউনিষ্ট পাৰ্টিকে ধৰি বিভিন্নজন নেতাই। প্ৰধানমন্ত্ৰীৰ লগতে সাংসদ হেম বৰুৱাই অসমৰ প্ৰতি কোনোধৰণৰ গুৰুত্ব দিয়া নাছিল। কমিউনিষ্ট পাৰ্টিৰ নেতা দুৰ্গা প্ৰসাদ শৰ্মাসহ সাতজনীয়া দলৰ সভাপতি বৰ্ত্তমানৰ বিশিষ্ট সাহিত্যিক চিন্তাবিদ শশী শৰ্মাৰ নেতৃত্বত ৩ আগষ্টত প্ৰথম সত্যাগ্ৰহ আৰম্ভ কৰে। নেতাৰ দেশ নহয় জনতাৰ দেশ। দেশৰ হকে প্ৰাণ আহুতি দিবলৈ কৰেংগে য়া মৰেংগে শ্ল’গানেৰে আন্দোলনত জপিয়াই পৰিছিল। লক্ষ যাৰ মহৎ দৃষ্টি যাৰ ক্ষীপ্ৰ যি জন সবাতোকৈ মহৎ আন্দোলনৰ মুল কাণ্ডাৰী শশী শৰ্মাক সাতমাহ পোন্ধৰ দিন সশ্ৰম কাৰাদণ্ড বিহে এই মন্তব্য শশী শৰ্মাৰ তেওঁৰ নলবাৰীৰ নিজগৃহত নৰিয়াপাটিৰ পৰা বিশিষ্ট সাংবাদিক বিহগী মিডিয়া গ্ৰুপ অসমৰ সঞ্চালক তথা ৰঘুনাথ চৌধাৰী সাহিত্য সভাৰ সম্পাদক কনক কলিতা অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নলবাৰী জিলাৰ সাংগঠনিক সম্পাদক নুৰ ইছলামসহ কেইবাজনো যুৱনেতাৰ আগত। সাহিত্যিক শশী শৰ্মাই আৰু কয় যে হাঁহি হাঁহি মই কয়েদীৰ পোছাক পিন্ধি কাৰাগাৰত সোমাইছিলো। কাৰাগাৰৰ অন্তিম সময়ত জেইলত কয়েদীসকলে জেইলৰ ভিতৰত সাহিত্য, সংস্কৃতি আৰু ৰাজনীতিৰ ওপৰত এটা অনুষ্ঠানৰ আয়োজন কৰিছিল। দিনজোৰা কাৰ্যসূচীত ৰাতিপুৱা বন্তি প্ৰজ্বলন, ভাগৱত পাঠৰ অন্তত দেশৰ অপায় অমংগলৰ হেতু নাগাৰা নামেৰে অনুষ্ঠানটি এক গাম্ভীৰ্যপূৰ্ণ কৰি তুলিছিল আবেলি মুকলি সভাত জেইলৰ ভাষণৰ অন্তত কয়েদি সকলে শশী শৰ্মাক অসমৰ সংস্কৃতিৰ ওপৰত এটা ভাষণ দিবলৈ আহবান জনায়। সকলো কয়েদিৰ হাত চাপৰি কয়েদিৰ মাজত কয়েদিৰ সাজ পিন্ধি বহি আছিল শশী শৰ্মা। শৰ্মাক জেইলৰে মঞ্চলৈ আমন্ত্ৰণ জনালে। সকলোৰে আহবানত শৰ্মাই কয়েদীৰ সাজ পিন্ধিয়ে সম্পূৰ্ণ এঘণ্টা অসমৰ সাহিত্য-সংস্কৃতিৰ বিষয়ত তত্বগধুৰ ভাষণ দিয়ে ৰাইজৰ জাউৰিয়ে জাউৰিয়ে হাত চাপৰি পৰিল। লক্ষ্য থাকিলে দৃষ্টি নেহেৰায়, দৃষ্টি যাৰ দেশ সেৱা সাহিত্যিক চিন্তাবিদ শৰ্মাৰ ভাষণত আপ্লুত জেইলৰে ক’লে— এই মুহূৰ্তত তোমাক কি লাগে, শৰ্মাই ক’লে মই ইকনমিক্সৰ ছাত্ৰ মই ইকনমিক্সত মেজৰৰ পৰীক্ষা দিব খোজো জেইলৰে ক’লে তুমি অসমীয়াত মেজৰৰ পৰীক্ষা দিয়া মোৰ ছোৱালী প্ৰীতিৰ কিতাপখিনি আনি আজি সন্ধিয়াই তোমাক দিম। পৰীক্ষাত শৰ্মাই সূক্ষ্যাতিৰে উত্তীৰ্ণ হ’ল। অৱশেষত বিদায়ী বেলাত সকলো কয়েদীয়ে হুকহুকাই কান্দিছিল চকুলো টুকিছিল জেইলৰে। শৰ্মাৰ অকস্মাৎ অসুখ হোৱাত জি এন আৰ চিত ভৰ্তি কৰিছিল তেওঁ আৰোগ্য হোৱাত বৰ্ত্তমান নলবাৰীৰ নিজ গৃহত নৰিয়াপাটিত। শৰ্মাৰ খবৰ ল’বলৈ প্ৰতিদিনে শতাধিক বন্ধু বৰ্গ। অলপতে আমি কেইবাজনো সাংবাদিক যুৱ ছাত্ৰ পৰিষদৰ নেতা শৰ্মাৰ খবৰ ল’বলৈ গৈছিলো। কিছু আনন্দ কিছু হতাশা নিৰাশাৰ মাজতে আমাক বহুতো কথাই কৈছিল এই সন্ধিক্ষণতে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নলবাৰী জিলাৰ সভাপতি মৃণাল তালুকদাৰ, সম্পাদক গৌতম শৰ্মাই শশী শৰ্মাৰ সুস্বাস্থ্য আৰু দীৰ্ঘ জীৱনৰ কামনা কৰি শৰ্মালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

***কাৰাগাৰৰ অন্তিম সময়ত জেইলত কয়েদীসকলে জেইলৰ ভিতৰত সাহিত্য, সংস্কৃতি আৰু ৰাজনীতিৰ ওপৰত এটা অনুষ্ঠানৰ আয়োজন কৰিছিল। দিনজোৰা কাৰ্যসূচীত ৰাতিপুৱা বন্তি প্ৰজ্বলন, ভাগৱত পাঠৰ অন্তত দেশৰ অপায় অমংগলৰ হেতু নাগাৰা নামেৰে অনুষ্ঠানটি এক গাম্ভীৰ্যপূৰ্ণ কৰি তুলিছিল আবেলি মুকলি সভাত জেইলৰ ভাষণৰ অন্তত কয়েদি সকলে শশী শৰ্মাক অসমৰ সংস্কৃতিৰ ওপৰত এটা ভাষণ দিবলৈ আহ্বান জনায়***

কবিতা কবিতা

## পূৰ্ণিমাৰ লুইত

ড° দ্বীপেন্দ্ৰ কুমাৰ নাথ

শৰতৰ মাজনিশা  
পূৰ্ণিমাৰ লুইতত  
জলপৃষ্ঠ উঠলি উঠিছে।  
মাছমৰীয়াসকলে  
উচ্চস্বৰে গাইছে  
জীৱনৰ এৰি অহা  
দিনবোৰৰ গাঁথা।  
পোৱা নোপোৱা  
দুখ-বেদনা, হা-হুতাশ  
আৰু মানৱতাবোধৰ জ্ঞান।  
পুঠিমাছৰ বাকলিৰ দৰে  
ঢৌৰ তৰংগত জিলিকিছে  
সিহঁতৰ জীৱনৰ ভৱিষ্যত।  
শুনা গৈছিল দোঁতাৰাত  
ভাঁহি অহা দেহ-বিচাৰৰ গীত  
মাছমৰীয়াৰ নাঁও  
তুলুঙা হ’লেও  
মাছ ধৰিবই  
সিঁহতে ভয় নকৰে  
ভৰা লুইতৰ ঢৌ।

## শিল

দীপক শৰ্মা

শিল  
হাতুৰিৰ কোৰত  
হয় খণ্ড-বিখণ্

শিলৰ সহায়ত  
নিৰ্মাণ হৈছে  
ইটোৰ পিছত সিটো  
অট্টালিকা

শিলৰ দৰে হৈছে  
মানুহৰ মন-মগজু  
হেৰাই গৈছে প্ৰকৃত প্ৰেম-ভালপোৱা  
মানৱতা-ত্যাগ  
সহিষ্ণুতা

## বৰদৈচিলা

— ভাৰতী কলিতা

বৰদৈচিলা এইবেলি আহিবা  
একুৰা জুই লৈ  
নাশিবই লগিব এই ঘোৰ  
অমানিশা!

তুমিয়ে পোহৰ নতুন যুগৰ  
তুমিয়ে প্ৰেৰণা আমাৰ মনত  
সৃষ্টিৰ শুভ লগনত  
বৰদৈচিলা এইবেলি  
আহিবা নকৰিবা  
আমাৰ মনত  
এই ঘোৰ অমানিশা

## অৱধাৰিত

প্ৰান্তিক

ফাট দিয়া ৰ’দত  
বৰষুণৰ সময়  
মাটি লৈ চালো জুমি  
ঘাঁহ জোৰ ভাঁজত  
সাঁচি থওঁ  
আকাশে বেলি হেৰুৱাই  
চোতালৰ একাঁঠু পানীত  
(কেৱল ঘাঁহে মাটিৰ সোৱাদ জানে)

## জুৰীয়াত ভয়ংকৰ পথ দুৰ্ঘটনা, নিহত এজন

**বাতৰি কাকত, ৰূপহীহাট ,১৯ জুলাই ঃ** জুৰীয়াত ভয়ংকৰ পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে নগাঁও জিলাৰ জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত জেঙনীত টাটা মেজিক বাহনৰ লগত স্কুটীৰ মুখামুখি কৈ হোৱা সংঘৰ্ষ ফলত থিতাতে নিহত হয় স্কুটি চালক জন। নিহত হোৱা লোকজন আক্কাছ আলী বুলি জানিব পৰা গৈছে। দগাঁও আৰক্ষী ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

# পুনৰ ভাঙিলে ডিপোতাত বনৰীয়া হাতীয়ে যাতায়াত কৰা অংশত বনবিভাগে স্থাপন কৰা পকী ফলক

**বাতৰি কাকত,তেজপুৰ,১৯ জুলাই ঃ** তেজপুৰ ঢেকিয়াজুলি সংযোগী ১৫নেম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষত ডিপোতা দলং আৰু ছাগলী আহতৰ সমীপত বনবিভাগে স্থাপন কৰা দুখন পকীফলক নিশা অচিনাক্ত দুৰ্বৃত্তই ভাঙি পেলাইছে।উল্লেখযোগ্য যে,এই অংশৰে নামেৰী আৰু সোণাইৰূপাই বনাঞ্চলৰ পৰা শীতকালত বনৰীয়া হাতীৰ জাকে ব্ৰহ্মপুত্ৰৰ পাৰৰ আৰিমৰা চাপৰিলৈ অহাযোৱা কৰে। এই পথেৰে বনৰীয়া হাতীৰ অহাযোৱা কৰি থকাৰ বিপৰীতে পৰৱৰ্তী সময়ত ইয়াৰ কাষৰীয়া অঞ্চলত উদ্যোগ স্থাপন কৰা হয়।কৃষিভূমিৰ শ্ৰেণী পৰিৱৰ্তনৰে ইয়াত উদ্যোগ গঢ়ি উঠাৰ বিপৰীতে ২০১৩-১৪ত বনবিভাগে ইয়াৰে বাছি থকা অংশ বনৰীয়া হাতীৰ অহাযোৱা কৰিডৰ হিচাপে চিহ্নিত কৰি দুমূৰে দুখন পকী ফলক স্থাপন কৰে শোণিতপুৰ বনসংমণ্ডলে।উল্লেখযোগ্য যে,বনৰীয়া হাতীৰ বাবেই এই অংশৰ পথাৰত কৃষক ৰাইজে খেতি কৰিব নোৱৰাত বহু লোকেই তেওঁলোকৰ ম্যাদী ভূমি বিক্ৰী কৰাৰ পাছত এই কৃষি ভূমিৰ শ্ৰেণী পৰিৱৰ্তন কৰি উদ্যোগৰ কাম আৰম্ভ হয়।আনহাতে হস্তীকৰিডৰ হিচাপে আনুষ্ঠানিকভাৱে চিহ্নিত কৰাৰ পূৰ্বে বন বিভাগ আৰু বন্যপ্ৰাণী সংৰক্ষণৰে জড়িত ডব্লিউডব্লিউএফে এক জৰীপ চলাই ১৫নেম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষৰ এই অংশক বনৰীয়া হাতীৰ অহাযোৱা কৰা পথ হিচাপে চিহ্নিত কৰি পকী ফলক দুখন স্থাপন কৰে আৰু তেতিয়া এই সীমাৰ ভিতৰত পৰা অংশত একাধিক উদ্যোগ স্থাপনৰ পৰিকল্পনা বন্ধ হৈ পৰে।আনহাতে একাংশ লোকেও ইয়াৰ আওঁতাৰ ভিতৰত পৰা ম্যাদী ভূমি বিক্ৰী কৰিব নোৱৰা হয়।ইপিনে বনৰীয়া হাতীৰ জাক বিন্দুকুৰিহৈ এই অংশৰে আৰিমৰা চাপৰিলৈ অহাৰ পিছত শীতকালি বিহগুৰি,বেছেৰীয়া,মোৱামাৰী আদি অঞ্চলৰ কৃষিপথাৰ তহিলং কৰাকলৈ স্থানীয় একাংশ লোক এই হস্তী কৰিডৰকলৈ ক্ষোভিত হৈ আছে।কিন্তু ইতিমধ্যে শোণিতপুৰত বনৰীয়া হাতীয়ে ব্যৱহাৰ কৰা আন কিছু পথ আৰু আশ্ৰয়স্থল বিভিন্ন উদ্যোগ নিৰ্মাণৰ লগতে গৃহ তথা পকী দেৱাল নিৰ্মাণৰ বাবে বন্ধ হৈ পৰাত বনৰীয়া হাতী অহাযোৱা কৰিবলৈ একমাত্ৰ ডিপোতাৰ কৰিডৰটোৱেই আছে।কিন্তু বৰ্তমান এই কৰিডৰটো বাতিল কৰাৰ দাবীত এখন কমিটিও গঠন কৰা হৈছে।ডিপোতাৰ হস্তীকৰিডৰ বাতিল কৰি ইয়াত উদ্যোগ স্থাপন আৰু



ভূমি ক্ৰয় বিক্ৰয়ৰো পোষকতা কৰি আহিছে একাংশই।এনে পৰিস্থিতিৰ মাজতে যোৱা ছেপ্টেম্বৰ মাহত নিশা অচিনাক্ত দুৰ্বৃত্তই ডিপোতা দলঙৰ সমীপৰ বন বিভাগে স্থাপন কৰা এখন পকী ফলক এক্সকেভেটৰৰ সহায়ত ভাঙি পেলাই।কিন্তু কিছুদিন পাছতে পুনৰ বনবিভাগে শোণিতপুৰ জিলা প্ৰশাসনৰ নিৰ্দেশত সেই স্থানত পূৰ্বৰ ফলকখনতকৈ আকাৰত সৰু আন এখন পকী ফলক স্থাপন কৰে।কিন্তু যোৱানিশা এইখন ফলকৰ লগতে ছাগলী আহতৰ তলৰ সমীপৰ আনখন পকীফলকো কোনো দুৰ্বৃত্তই এক্সকেভেটৰৰ সহায়ত ভাঙি পেলাই।যি সময়ত ৰাজ্যৰ বনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাই ৰাজ্যৰ বন্যপ্ৰাণী আৰু বনাঞ্চলৰ সুৰক্ষাৰ বাবে নতুন পৰিকল্পনাৰ বিষয়ে ৰাজ্যৰ বিধানসভাত প্ৰকাশ কৰিছে সেই সময়ত তেজপুৰৰ তথা শোণিতপুৰৰ একমাত্ৰ বনৰীয়া হাতী অহাযোৱা কৰা পথ হিচাপে চিহ্নিত বনবিভাগে স্থাপন কৰা দুখন পকীফলক কোনে এইদৰে ভাঙিপেলালে সেইলৈ ৰহস্যৰ সৃষ্টি হৈছে।প্ৰথম অৱস্থাত একাংশ লোকে হস্তীকৰিডৰটোৰ বিৰোধিতা কৰাৰ বাবে চৰকাৰী নিৰ্দেশত বনবিভাগেই এই দুখন পকীফলক ভাঙি পেলোৱা বুলি বিভিন্ন জনে ধাৰণা কৰিছিল যদিও শোণিতপুৰ পশ্চিম বনসংমণ্ডলৰ প্ৰাধিকাৰীয়ে বনবিভাগে ফলক দুখন আঁতৰোৱা নাই বুলি প্ৰকাশ কৰিছে।এনে অৱস্থাত দুবাৰকৈ বিভাগীয় ফলক দুখন ভাঙিপেলোৱা এই অচিনাক্ত দুৰ্বৃত্তৰ বিৰুদ্ধে ৰাজ্যৰ বনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ বিভাগে কেনে ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

### ঐতিহাসিক সৰাগুৰি চাপৰিৰ হজৰত আজান পীৰ দৰগাহৰ অস্তিত্বৰ প্ৰতি ভাবুকি

# ব্ৰহ্মপুত্ৰৰ বানৰ তাণ্ডৱ আৰু খহনীয়া অব্যাহত ঃ জিলা আয়ুক্তৰ পৰিদৰ্শন



**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ১৯ জুলাই ঃ** শিৱসাগৰ জিলাৰ অন্তৰ্গত ঐতিহাসিক সৰাগুৰি চাপৰিত অৱস্থিত হজৰত আজান পীৰ দৰগাহৰ কাষতে থকা ব্ৰহ্মপুত্ৰ নদীৰ তীব্ৰ গৰাখহনীয়াই দৰগাহখনৰ লগতে বৃহত্তৰ অঞ্চলটোৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। উল্লেখ্য যে, বিগত ২ বছৰৰো অধিক কাল ধৰি বাৰিষাৰ সময়ত ব্ৰহ্মপুত্ৰ নদীৰ প্ৰৱল বানে খহনীয়াৰ সৃষ্টি কৰাৰ ফলত শ শ বিঘা কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। ব্ৰহ্মপুত্ৰ নদীৰ এনে প্ৰচণ্ড খহনীয়া আৰু কালৰূপ দেখি আতংকিত হৈ পৰা সৰাগুৰি, গটঙা, মামল গড়ভগা আদি বৃহৎ অঞ্চলৰ ৰাইজে ঈশ্বৰৰ ওপৰত শৰণাপন্ন হৈ পূজা অৰ্চনা আৰম্ভ কৰাও দেখা গৈছে। আহোম ৰাজত্বকালত স্বৰ্গদেউ গদাধৰ সিংহই হজৰত আজান পীৰৰ আধ্যাত্মিক শক্তি প্ৰত্যক্ষ কৰি দিখৌ দিচাং আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থল সৰাগুৰি চাপৰিত মঠ নিৰ্মাণ কৰি চুফি সাধক গৰাকীক থকাৰ ব্যৱস্থা কৰি দিছিল। তেতিয়াৰে পৰা ৪০০ বছৰৰো অধিক সময় সৰাগুৰি চাপৰিৰ আজান পীৰ দৰগাহলৈ ব্ৰহ্মপুত্ৰ নদীয়ে গঢ়া খহনীয়া আৰু ভাবুকিৰ সৃষ্টি কৰা নাছিল। কিন্তু বৰ্তমান ব্ৰহ্মপুত্ৰৰ বুকুত সৃষ্টি হোৱা প্ৰৱল বানপানীয়ে বিভিন্ন অঞ্চল প্লাৱিত কৰি কৃষিভূমি নষ্ট কৰাৰ লগতে হজৰত আজান পীৰ দৰগাহ আৰু সৰাগুৰিৰ হাজাৰ হাজাৰ ৰাইজৰ কৃষিজীৱি ৰাইজক আতংকিত কৰি তুলিছে। এনে জটিল পৰিস্থিতিৰ নিৰীক্ষণৰ বাবে শিৱসাগৰ জিলাৰ আয়ুক্ত মৃদুল যাদৱে অতিৰিক্ত আয়ুক্ত মিনাক্ষী পাৰ্মে আৰু চক্ৰ বিষয়া মিত্ৰাবৃন্দা গগৈৰ সৈতে সমগ্ৰ বান আক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি স্থানীয় ৰাইজৰ সৈতে আলোচনা কৰি পৰিস্থিতিৰ বুজ লয়। ইয়াৰ পিছতেই চক্ৰ বিষয়া মিত্ৰাবৃন্দা গগৈয়ে হজৰত আজান পীৰ দৰগাহত উপস্থিত হৈ দৰগাহ সমিতিৰ সভাপতি আলহাজ হাৰুনল ৰচিদ আৰু উপ সভাপতি খাইৰুদ্দিন আহমেদৰ সৈতে বিপদসংকুল পৰিস্থিতিৰ দৰগাহখনৰ সংৰক্ষণ সম্পৰ্কে বিভিন্ন দিশ আলোচনা কৰে। দৰগাহৰ লগতে সমগ্ৰ অঞ্চলটোত সৃষ্টি হোৱা বানৰ তাণ্ডৱৰ পৰা ৰক্ষা পাবলৈ দৰগাহ পৰিচালনা সমিতিয়ে স্থানীয় ৰাইজৰ সহযোগত ইছলাম ধৰ্মৰ নিয়ম অনুসৰি পৰম কৰুণাময় আল্লাহৰ ওচৰত দোৱা প্ৰাৰ্থনা কৰে।

# শিমলুগুৰিত ড্ৰাগছসহ যুৱক-যুৱতী আটক

**বাতৰি কাকত নাজিৰা,১৯ জুলাই ঃ** নাজিৰা সমজিলাৰ শিমলুগুৰিত ড্ৰাগছসহ যুৱক-যুৱতীক আটক কৰে আৰক্ষীয়ে । জানিব পৰা মতে অসম নাগালেণ্ড সীমান্ত এলেকাৰ বিহুবৰ শিলনীৰ দিশৰ পৰা এ এছ ০৪ এজি ৫৬৭৩ নম্বৰৰ এখন স্কুটীত আহি থকা এহাল যুৱক যুৱতীক শিমলুগুৰি আৰক্ষীয়ে এক গোপন তথ্যৰ ভিত্তিত ৰখাই লৈ তালাচী চলোৱাত ড্ৰাগছখিনি উদ্ধাৰ কৰিবলৈ সক্ষম হয় । আটকাধীন যুৱক যুৱতী শিৱসাগৰ লক্ষ্মীনগৰৰ ৰিতুল আলী আৰু বৰষা গগৈ বুলি জানিব পৰা গৈছে । ইফালে উদ্ধাৰ হোৱা ড্ৰাগছখিনিৰ ওজন প্ৰায় ১৮ গ্ৰাম বুলি আৰক্ষী সুত্ৰে জানিবলৈ দিয়ে । উল্লেখ্য যে কিছুদিনৰ পৰা নাজিৰা সমজিলাৰ বিভিন্ন প্ৰান্তত ড্ৰাগছ , ভাং আদি বৃদ্ধি পাব ধৰিছে । বিশেষকৈ চুবুৰীয়া ৰাজ্যৰ নাগালেণ্ডৰ পৰা এই ড্ৰাগছ সৰবৰাহ হোৱাৰ অভিযোগ উঠে যদিও প্ৰকৃততে ড্ৰাগছ আৰু ভাংসমূহ যোগান ধৰা প্ৰকৃত ব্যৱসায়ীকেইজনক আটক কৰিব নোৱাৰালৈকে মাৰাত্মক এই ড্ৰাগছৰ বেহা বন্ধ কৰিব পৰা নাযাব বুলি সচেতন লোকে মত প্ৰকাশ কৰে । ড্ৰাগছ সৰবৰাহ আৰু সেৱনকাৰী ইমানেই বৃদ্ধি পাইছে যে বহু ছাত্ৰ, যুৱক যুৱতী এই বেহুত সোমাই নিজক ধ্বংসৰ পথলৈ লৈ গৈছে । এই ক্ষেত্ৰত বহু পিতৃ মাতৃয়ে ডাগ্ৰছ আসক্ত সন্তানক লৈ চিন্তিত হব লগা হৈছে । ড্ৰাগছমুক্ত এটা পৰিবেশ গঢ়ি তুলিব নোৱাৰালৈকে উঠি অহা আমাৰ যুৱ প্ৰজন্মৰ ভৱিষ্যতৰ প্ৰতি শংকা নামি আহিছে বুলিও সচেতন লোকে প্ৰকাশ কৰে । আনহাতে আৰক্ষীৰ জেৰাত আটকাধীন যুৱক যুৱতীদ্বয়ে উদ্ধাৰ হোৱা ড্ৰাগছখিনি নাগিনীমৰাৰ পৰা অনা বুলি স্বীকাৰ কৰে ।

# অনুসূচীত জাতি যুৱ ছাত্ৰ পৰিষদৰ সভাপতি ৰুবুল দাসক সকিয়নি

**বাতৰি কাকত কামপুৰ, ১৯ জুলাই ঃ** নগাঁও জিলাৰ কামপুৰৰ বাৰে গোগা নামঘৰত ৰহা সমষ্টিৰ অন্তৰ্গত কেইবাখনো নামঘৰ সমিতিৰ বিষয়ববীয়াই সংবাদ মেলৰ আয়োজন কৰে। সংবাদমেলত নামঘৰ সমিতিৰ বিষয়ববীয়া সকলে অনুসূচীত জাতি যুৱ ছাত্ৰ পৰিষদৰ সভাপতি ৰুবুল দাসক তীব্ৰ সমালোচনা কৰে।উল্লেখ্য যে বিগত পাঁচ বছৰত ৰহা সমষ্টিৰ বিধায়ক শশী কান্ত দাসে ভুৱা আঁচনিৰ জৰিয়তে বিধায়ক পুঁজিৰ ৪৮-৪৩ লাখ টকাৰ বৃহৎ কেলেংকাৰী কৰা বুলি এখন সংবাদমেলত উল্লেখ কৰিছিল। ৰুবুল দাসৰ এই অভিযোগৰ পিছত ৰহা সমষ্টিত বিধায়ক পুঁজিৰ পৰা অনুদান লাভ কৰা নামঘৰ সমিতি সমূহ ক্ষোভিত হৈ পৰি এই সংবাদমেলৰ আয়োজন কৰি ৰুবুল দাসক পূৰ্বলৈ এনে অপপ্ৰচাৰৰ পৰা বিৰত থাখিবলৈ সকিয়নি প্ৰদান কৰে।সংবাদমেলখনত কামপুৰৰ বাৰেগোগাৰ দিলীপ লস্কৰ, চাপৰমুখ দীঘলদৰীৰ বিশ্ব ডেকা, চাপৰমুখ আটি গাঁৱৰ ঈশ্বৰ , গুইমাৰীৰ বিশ্ব দাসকে ধৰি কেঁকুৰীবাৰী , দৰঙীয়াল গাঁও ,আদি এলেকাৰ নামঘৰ সমিতি সমূহৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

# নীট পৰীক্ষাত নগাঁৱৰ লালনচ কোচিং ক্লাছেচৰ সফলতা

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ১৯ জুলাই ঃ** সদ্য ঘোষিত সৰ্বভাৰতীয় নীট পৰীক্ষাত নগাঁৱৰ নালনছ কোচিং ক্লাছেচে বিশেষ সফলতা লাভ কৰিছে। এইবাৰৰ নীট পৰীক্ষাত শিক্ষানুষ্ঠানটোৰ পৰা পৰীক্ষাত অৱতীৰ্ণ মুঠ ৩৬ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত বৰ্তমানলৈকে ১১ গৰাকী শিক্ষাৰ্থীয়ে নীট পৰীক্ষাত সফলতা লাভ কৰি মেডিকেলত নাম ভৰ্তি কৰাৰ যোগ্যতা অৰ্জন কৰাৰ কৰাৰ খবৰে শিক্ষানুষ্ঠানখনৰ লগতে নগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰে আতাউৰ ৰহমান (প্ৰাপ্ত নম্বৰ-৫৮৭), মমিতা দাসশ্চপ্ৰাপ্ত নম্বৰ-৫৪৪ , প্ৰতিশ্ৰুতি বৰা(প্ৰাপ্ত নম্বৰ-৫১৫) , তাজুদ্দিন আনচাৰী (প্ৰাপ্ত নম্বৰ-৫১৪) , আলফাজ আছতাৰ আহমেদ(প্ৰাপ্ত নম্বৰ-৫০৩) , হেলিনা চুলতানা আহমেদ (প্ৰাপ্ত নম্বৰ-৪৮৭) , তনুশ্ৰী মণ্ডল (প্ৰাপ্ত নম্বৰ-৪৭৭,এচ চি), জেনিফা ইছলাম (প্ৰাপ্ত নম্বৰ-৪৬৬, পি ডব্লিউ বি ডি) আৰু কীছতিমা শইকীয়া (প্ৰাপ্ত নম্বৰ-৩৬৯,এচ টি)য়ে এম বি বি এচ পাঠ্যক্ৰমত নাম ভৰ্তি কৰাৰ যোগ্যতা লাভ কৰাটো নিশ্চিত হৈছে। আনহাতে, মামন চহৰীয়াই ৪৭০ নম্বৰ আৰু ৰিমী কলিতাই ৪২০ নম্বৰ লাভ কৰি আয়ুৰ্বেদিক চিকিৎসা বিজ্ঞানত নাম ভৰ্তিৰ যোগ্যতা অৰ্জন কৰিছে। শিক্ষানুষ্ঠানখনত অনুষ্ঠিত এক সভাত কৃতী ছাত্ৰ-ছাত্ৰী সকলৰ লগতে তেওঁলোকৰ সুযোগ্য অভিভাৱকসকলকো গামোচা আৰু ফুলৰ থোপাৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত বৰ্তমানৰ অধ্যায়নৰ ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক ক্ৰমে ইমতিয়াজ আহমেদ, আশীষ পাণ্ডে, মমপী মণ্ডলকে ধৰি বহু কেইগৰাকী শিক্ষক কৰ্মচাৰী উপস্থিত থাকে। শিক্ষানুষ্ঠানৰ পৰিচালন সঞ্চালক ৰাজশ্ৰী ভট্টাচাৰ্যই জানিবলৈ দিয়া মতে, মেডিকেলৰ লগতে চিকিৎসা বিজ্ঞানৰ অন্যান্য পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে কাউঞ্চিলিং কাৰ্য অব্যাহত আছে। সেয়েহে নগাঁৱৰ লালনচ কোচিং চেন্টাৰৰ পৰা আৰু অধিক শিক্ষাৰ্থীয়ে স্থান লাভ কৰাৰ সম্ভাৱনা আছে।


# শিৱসাগৰৰ শ্ৰী শ্ৰী সত্য নাৰায়ণ মন্দিৰত বাৰ্ষিক পূজাৰ ব্যাপক প্ৰস্তুতি

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ১৯ জুলাই ঃ** ঐতিহাসিক শিৱসাগৰ নগৰৰ আমোলাপট্টিস্থিত শ্ৰী শ্ৰী সত্য নাৰায়ণ মন্দিৰত পৰম্পৰাগতভাৱে অহা ২১ জুলাইত শ্ৰী শ্ৰী সত্য নাৰায়ণ দেৱৰ বাৰ্ষিক পূজা-উৎসৱ ভক্তি আৰু ধৰ্মীয় আড়ম্বৰেৰে অনুষ্ঠিত হ'ব। এই উপলক্ষে মন্দিৰ চৌহদত ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে।জানিব পৰা মতে, ১৯৪৩ চনৰ ২০ জুলাইত প্ৰয়াত ৰামপ্ৰসাদ বৰঠাকুৰে শ্ৰী শ্ৰী সত্য নাৰায়ণ দেৱৰ স্থায়ী প্ৰতিমা আনি প্ৰতিষ্ঠা কৰাৰ লগতে মন্দিৰ নিৰ্মাণৰ বাবে এডোখৰ মাটি দান কৰিছিল। ইয়াৰ পিছত স্থায়ী মন্দিৰ স্থাপন হোৱাৰ পাছৰে পৰা অসমীয়া পঞ্জিকাৰ ৪ শাওন, অৰ্থাৎ ২১ জুলাইৰ দিনটোত নিয়মীয়াভাৱে হোম-যজ্ঞ, পূজা-অৰ্চনা আৰু বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ মাজেৰে এই পূজা অনুষ্ঠিত হৈ আহিছে। এইবাৰো পৰম্পৰা অক্ষুণ্ণ ৰাখি ৮৪ সংখ্যক বাৰ্ষিক পূজা উদযাপনৰ বাবে সকলো আয়োজন সম্পূৰ্ণ কৰা হৈছে। প্ৰতি বছৰে এই পূজা উপলক্ষে শিৱসাগৰৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অগণন ভক্তই মন্দিৰলৈ আহি শৰাই, বন্তি, অৰিহণা আৰু নৈবেদ্য আগবঢ়াই শ্ৰী শ্ৰী সত্য নাৰায়ণ দেৱৰ আশীৰ্বাদ লাভৰ উদ্দেশ্যে পূজা-অৰ্চনা কৰে আৰু সকলোৰে মঙ্গল, সুখ-শান্তি আৰু সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনায়। মন্দিৰ পৰিচালনা সমিতিৰ সভানেত্ৰী যোগদা দেৱী আৰু সম্পাদক দেৱব্ৰত বৰঠাকুৰে অহা ২১ জুলাই, অসমীয়া পঞ্জিকাৰ ৪ শাওনৰ এই পৱিত্ৰ পূজা-উৎসৱত সকলো ভক্তপ্ৰাণ ৰাইজক উপস্থিত থাকি পূজাৰ কাৰ্যসূচী সফল কৰি তুলিবলৈ আন্তৰিক আহ্বান জনোৱাৰ লগতে সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে।

## এন টি ডাঞ্চ একাডেমী- নৱ প্ৰভাতৰ উদ্যোগত আয়োজিত নৃত্য প্ৰতিযোগিতাৰ সফল সামৰণী

**বাতৰি কাকত,ধমধমা,১৯ জুলাই ঃ** নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এন টি ডাঞ্চ একাডেমী আৰু নৱ প্ৰভাতৰ উদ্যোগত আয়োজিত এদিনীয়া অসমীয়া গীতৰ আধাৰত একক আধুনীক নৃত্য প্ৰতিযোগিতাৰ সফল সামৰণি হয়। নলবাৰী জিলা পুথিভঁৰালত আয়োজিত সদৌ অসম ভিত্তিত অসমীয়া গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে বিশিষ্ট অভিনেতা-সমাজ সেৱক ধীৰেন কুমাৰ বৰ্মনে।ইয়াৰ পিছত যুৱ কবি ধৰ্মেন্দ্ৰ বেজবৰুৱাই আতঁ ধৰা সম্বোৰ্ধনা সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে নৱ প্ৰভাতৰ সভাপতি মৃদুল কলিতাই। সভাত উপস্থিত থাকে নতুন স্বদেশ কাকতৰ মুখ্য সম্পাদক দ্বীপজ্যোতি ডেকা,বিশিষ্ট কবি-সাহিত্যিক কন্দৰ্প কুমাৰ দাস,সমাজ সেৱিকা বিভা ৰানী দাস,বিশিষ্ট বিহুৱতী ধনীষ্ঠা ডেকা,যুৱ সাংবাদিক ভাস্কৰ জ্যোতি ডেকা,প্ৰাক্তন এন ৱাই কে বিষয়া গোপী দাস,বিশিষ্ট ঢুলীয়া ফনীন্দ্ৰ নাথ,সংগীত পৰিচালক নীল কাশ্যপ,নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি দেৱজিৎ হালৈ আদি।ভাষন প্ৰসংগত আটাইকেইগৰাকী ব্যক্তিয়ে উদ্যোক্তা সকলক ধন্যবাদ জনাই আৰু নৃত্য কলা সন্দৰ্ভত ভাষন ৰাখে।ইয়াৰ পিছত অৰ্ধশতাধিক প্ৰতিযোগীয়ে প্ৰতিযোগিতাখনত অংশ গ্ৰহণ কৰে।উল্লেখ্য প্ৰতিযোগিতাখনত বিচাৰক হিচাপে উপস্থিত থাকে জনপ্ৰিয় কৰিউগ্ৰাফাৰ অসীম গগৈ,অপূৰ্ব কোৱঁৰ আৰু লক্ষ্যজ্যোতি দাস ।আনহাতে বিচাযকৰ বিচাৰ মতে প্ৰতিযোগিতাখনত প্ৰথম বিজয়ী হয় নিলোৎপল ৰাজবংশী ,দ্বিতীয় স্বাস্বতী পাঠক আৰু তৃতীয় যুটীয়াভাৱে কৃতাঞ্জলী ডেকা আৰু কৌশিক ৰাজে লাভ কৰে।উক্ত বিজয়ী প্ৰতিযোগী সকলক অহা ২৬জুলাই দেওবাৰে দিনৰ ভাগত অনুষ্ঠিত হ'ব লগা সভাত পুৰষ্কাৰ সমূহ বিতৰণ কৰা হ'ব বুলি উদ্যোক্তা সকলে জনাই।উল্লেখ্য উক্ত নৃত্য প্ৰতিযোগিতা আৰম্ভ হোৱাৰ পূৰ্বে প্ৰায় পঞ্চাশ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে হাৰ্টথ্ৰব জুবিন গাৰ্গৰ বচা-বচা গীত কেইটামানত নৃত্য কৰি প্ৰাণৰ শিল্পী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনাই।

# গেলেকীত অহৰ্নিশে নিৰ্গত গেছ ঃ জনস্বাস্থ্যলৈ কঢ়িয়াইছে ভাবুকি



**বাতৰি কাকত,নাজিৰা ,১৯ জুলাই ঃ** নাজিৰাৰ গেলেকী বুলিলেই তৈলক্ষেত্ৰৰ বাবে এক চিনাকিৰ পৰিচয় বহন কৰি আহিছে সমগ্ৰ অসমতে তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে। কিন্তু বিভাগৰ দায়িত্বহীনতা সত্তৱ দশকৰ পৰাই আজি লৈকে একে পাইপৰ জৰিয়তে নিজৰ কৰ্ম কৰি আহিছে অ' এন জি চি নামৰ নৱৰত্ন কোম্পানীটোৱে। ফলত অনাগত দিনবোৰত গেলেকী ৰাইজৰ বাবে আৰু বিপদ অহাতো প্ৰায় নিশ্চিত। সেইয়েহে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ,আনডিভাইদড অল কণ্ট্ৰেকচুৰেল ৱৰ্কাচ ইউনিয়ন জি.এন.আৰ. এল অ'এন জি চি এলৰ উদ্যোগত,গেলেকী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ সহযোগত বিনামূলীয়া চিকিৎসা সেৱা শিবিৰ আয়োজন কৰিছে । প্ৰতিদিনে অ' এন জি চিয়ে ন-ন কৌশল অৱলম্বন কৰিও বৰ্তমানলৈকে ৰোধ কৰিব পৰা নাই গেলেকীৰ নপাম বাৰুৱতী বিষ্ণুপুৰ আদৰ্শ গাঁৱত নিৰ্গমণ হৈ থকা বিষাক্ত গেছ। ৩জুলাইৰ পৰাই নিৰ্গমণ হৈ আহিছে এই গেছ। প্ৰথমতে বাহনৰ সহায়েৰে চিমেন্টিংৰ জৰিয়তে গেছ নিৰ্গমণ বন্ধৰ প্ৰয়াস চলাই ব্যৰ্থ হোৱাৰ পিছত শ্ৰমিকৰ জৰিয়তে নিৰ্গমণ ৰোধৰ প্ৰয়াস কৰিছিল অ' এন জি চিয়ে। কিন্তু সকলো ক্ষেত্ৰতে বিফল অ' এন জি চি। এটা স্থানত বন্ধ কৰিলে অন্যস্থানত নিৰ্গত হয় এই গেছ । আনহাতে পৰিত্যক্ত ৰিগসমূহতো অ' এন জি চিয়ে চিমেণ্টিং কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও শংকিত হৈ আছে স্থানীয় অঞ্চলবাসী। নাজিৰাৰ গেলেকীত গেছ নিৰ্গমণক লৈ শংকিত হৈ থকাৰ সময়তে সংঘটিত হৈছে আন এক ঘটনা। গেছ নিৰ্গমণ স্থলীৰ প্ৰভাৱিত অঞ্চলৰ লোকৰ মাজত বিনামূলীয়া চিকিৎসা সেৱা অনুষ্ঠিত কৰাৰ স্থানতে এটা গাতৰ পৰা নিৰ্গমণ হোৱা গেছত সংঘটিত হয় অগ্নি কাণ্ড। অগ্নি নিৰ্বাপক বাহিনীৰ লোকৰ তৎপৰতাত নিৰ্বাপিত হয় জুই । গেলেকীৰ সুৰুজমুখী প্ৰাথমিক বিদ্যালয়ত সংঘটিত হয় এই ঘটনা। গাতটোত মাতিদি বন্ধ কৰে অ' এন জি চিৰ লোকে। বিশিষ্ট চাহ খেতিয়ক তথা 'গ্ৰীণ টী' উৎপাদনৰ উদ্যোগ পৰিচালনাৰে অগ্ৰসৰ হোৱা ব্যৱসায়ী বসন্ত দুৱৰাৰ ব্ৰয়লাৰ ফাৰ্মত ভূমিৰপৰা প্ৰথমে চকুত লগাকৈ গেছৰ বুৰবুৰণি বাহিৰ হোৱা ঘটনাৰ পাচতেই বিষয়টো অ' এন জি চিৰ কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰা হয় । অ' এন জি চিয়ে বিভাগীয়ভাৱে নিৰ্মাণ আৰু তত্বাৱধান বিভাগ (CNM) ৰ পৰা গেছ ওলোৱা স্থানত পৰ্যবেক্ষণ আৰু নিয়ন্ত্ৰণৰ প্ৰচেষ্টা চলায় যদিও সেই স্থানত উপস্থিত হৈ পৰিস্থিতিৰ কোনো নিয়ন্ত্ৰণ হোৱা দেখা পোৱা নগ'ল । ইফালে বিষুওপুৰ, কলীয়াপানী, গোবিন্দপুৰ নামঘৰ, স্থানীয় শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়ৰ দমকল আদিত গেছৰ প্ৰাদুৰ্ভাৱ ঘটাৰ লগতে একেদৰেই ভূগৰ্ভৰপৰা গেছৰ নিৰ্গমন আৰম্ভ হৈছে । স্থানীয় গাঁওবাসী ৰাইজে জনোৱামতে তেওঁলোকে শৰীৰত খজুৰতী আৰু পোৰণি অনুভৱ কৰিবলৈ ধৰিছে । চকুত জ্বলন-পোৰণো ৰাইজে অনুভৱ কৰাৰ বিপৰীতে অক্স এন জি চিৰ এই ক্ষেত্ৰত জনসাধাৰণৰ প্ৰতি কোনো স্বাস্থ্যসন্মত তৎপৰতা পৰিলক্ষিত হোৱা নাই । অনাগত দিনবোৰত আৰু কিমান ভয়ংকৰ ৰূপ ল'ব অ' এন জি চিৰ দায়িত্বহীনতাৰ বাবে তাক লৈও চিন্তিত সচেতন মহল।

# জাগীৰোড আৰক্ষীৰ সফলতা,চাইবাৰ ক্ৰাইমত জড়িত দুই অপৰাধীক কাৰাগাৰলৈ নিক্ষেপ



**বাতৰি কাকত,জাগীৰোড, ১৯ জুলাই ঃ** বিভিন্ন কূট-কৌশল অৱলম্বন কৰি সহজ-সৰল ৰাইজৰ নথি-পত্ৰ জালিয়াতি তথা প্ৰলোভনেৰে নথি সংগ্ৰহ কৰি চাইবাৰ ক্ৰাইম কৰি অৱশেষত আৰক্ষী জালত পৰে দুই কুখ্যাত অপৰাধী। এই চাঞ্চল্যকৰ ঘটনা সংঘটিত হয় জাগীৰোডত। জাগীৰোড আৰক্ষীয়ে গোপন সূত্ৰ পম খেদি চলোৱা এক অভিযানত ধৃত দুই কুখ্যাত চাইবাৰ অপৰাধী দুটা বৰপেটা জিলাৰ ভালুকি গাঁৱৰ জিয়াৰুল হক আৰু বাক্সা জিলাৰ মৈৰাঝাৰ গাঁৱৰ আকতাৰ আলী বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে। ইপিনে দুই অপৰাধী চাইবাৰ ক্ৰাইমৰ মাষ্টাৰমাইণ্ড আকতাৰ আলীৰ চি এছ পি চেন্টাৰৰ পৰা দুয়োৱে চলাইছিল অপৰাধৰ এক বৃহৎ ক'লা সাম্ৰাজ্য । ইতিমধ্যে জাগীৰোড আৰক্ষী থানা ১৬৩ /২৬ নম্বৰৰ এক গোচৰ ৰুজু কৰি আৰক্ষীয়ে দুয়োকে জেল হাজোতলৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে জাগীৰোড আৰক্ষীৰ এনে কাৰ্যত স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰে যদিও জাগীৰোডৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহত অদ্যপি অব্যাহত থকা গৰু চোৰৰ তাণ্ডৱে দুখীয়া কৃষক ৰাইজৰ নিদ্ৰা হৰণ কৰি আহিছে দিনে- প্ৰতিদিনে। সেয়ে এই ক্ষেত্ৰত অৱশ্যে জাগীৰোড আৰক্ষীৰ নিৰ্লিপ্ত ভূমিকাও ৰহস্যজনক বুলি ৰাইজৰ মাজত চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে। সেয়ে দুখীয়া কৃষকৰ গো-ধন সমূহ এছাম দুষ্ট চক্ৰই এনেদৰে ঘৰৰ গোহালীৰ পৰা গো-ধন চোৰি কৰা চক্ৰক উৎখাত কৰিবলৈয়ো জাগীৰোড আৰক্ষীলৈ ৰাইজে বাৰম্বাৰ অনুৰোধ কৰি আহিছে যদিও কিন্তু কাৰ্যতঃ এই ক্ষেত্ৰত জাগীৰোড আৰক্ষী সম্পূৰ্ণ ৰূপে বিফল হৈ আহিছে। সেয়ে খেতিয়ক ৰাইজে শীঘ্ৰে এনে গৰু চুৰি চক্ৰক গ্লেপ্তাৰ কৰি উচিত শাস্তি প্ৰদান কৰিবলৈ ভুক্তভোগী ৰাইজে আহ্বান জনাইছে।

# সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে সংসদ ভৱনত সৰ্বদলীয় বৈঠক

অনুষ্ঠিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু আৰু ৰাজ্যসভাৰ নেতা জে পি নাড্ডাই অংশগ্ৰহণ কৰে। বৈঠকৰ পাছত শ্ৰীৰিজিজুৱে অধিৱেশনৰ কামকাজ সুকলমে পৰিচালনাৰ বাবে আৰু এই সময়ছোৱাত গঠনমূলক আলোচনা অনুষ্ঠিত কৰিবলৈ সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।ইয়াৰ আগেয়ে আজি বৈঠক আৰম্ভ হোৱাৰ পাছতে বিৰোধী পক্ষৰ সদস্যসমূহে বিভিন্ন বিষয় লৈ প্ৰতিবাদ সাব্যস্ত কৰি বৈঠক ত্যাগ কৰে। পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱা মৈত্ৰই কয় যে কংগ্ৰেছ, ডি এম কে, জে এম এম, তৃণমূল কংগ্ৰেছ আৰু আম আদমী পাৰ্টীকে ধৰি বিৰোধী পক্ষৰ আটাইকেইটা দলে প্ৰতিবাদ কৰি বৈঠকৰ পৰা ওলাই আহিছে। তেওঁ লগতে বৈঠকত উপস্থিত থকা এন চি পি আই কোনো স্বীকৃতিপ্ৰাপ্ত সংসদীয় দল নহয় বুলি অভিযোগ তোলে। অৱশ্যে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছত কংগ্ৰেছ সাংসদ জয়ৰাম ৰমেশ, চিপিআইএমৰ নেতা জন ব্ৰিটাছ, জে এ এ এমৰ মহুৱা মাজি আৰু তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱা মৈত্ৰই পুনৰ বৈঠকত ভাগ লয়। সংসদৰ বৰ্ষাকালীন অধিবেশনত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক উত্থাপন কৰা হ'ব। আজিৰ বৈঠকত চৰকাৰে সদন নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ৰাজনৈতিক দলৰ ওচৰত সহযোগিতা বিচাৰে। কাইলৈ আৰম্ভ হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিবেশনৰ ১৩ আগষ্টত সামৰণি পৰিব।

# জম্মু-কাশ্মীৰৰ ৰাজৌৰীত হাহাকাৰ পৰিস্থিতি

বানৰ সোঁতে উটুৱাই লৈ গৈছে ৪ শতাধিক বাহন। আনহাতে, বতৰৰ প্ৰতিকূলতাৰ বাবে সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে পবিত্ৰ অমৰনাথ যাত্ৰা। এতিয়াও সন্ধান নাই ২৫০খন বাহনৰ ধাৰহাল নদীৰ বাঢ়নী পানীৰ বাবে হাহাকাৰ। বন্ধ কৰি দিয়া হৈছে পবিত্ৰ অমৰনাথ যাত্ৰা। প্ৰকৃতিৰ কৰাল গ্ৰাসত জম্মু-কাশ্মীৰ। ৰাজৌৰী জিলাত এতিয়া কেৱল হাহাকাৰ পৰিস্থিতি। ধাৰহাল নদীৰ বাঢ়নী পানীয়ে ধাৰণ কৰিছে এক প্ৰলয়ংকৰী ৰূপ। নদীখনৰ ভয়ংকৰ সোঁতে নিমিষতে উটুৱাই লৈ গ'ল ইখনৰ পিছত সিখনকৈ প্ৰায় ৪০০ বাহন। পুৱতি নিশা হঠাতে আহে পানীৰ এই প্ৰবল ধল। বাঢ়নী পানীৰ এই ধলে সম্পূৰ্ণৰূপে নিশ্চিহ্ন কৰি পেলালে বেল্লাৰ এটা সমগ্ৰ বাছ আস্থান। আস্থানটোত পাৰ্কিং কৰি থোৱা শ শ বাহন মুহূৰ্তৰ ভিতৰতে ধ্বংসস্তূপত পৰিণত হয়।

# খুমটাই সমষ্টিৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৃষি মন্ত্ৰী পীযুষ হাজৰিকা

এক আলাপত মিলিত হয়। অঞ্চলটোৰ কৃষকসকলে কৰি অহা পৰম্পৰাগত কৃষি আৰু কৃষক সকলৰ অভাৱ অভিযোগ সম্পৰ্কে জানিবলৈ প্ৰয়াস কৰে। আধুনিক উন্নত পদ্ধতিৰে কৃষি কৰাৰ বাবেও আহ্বান জনায়। খেতিয়ক সকলৰ কৃষি পথাৰলৈ অহা-যোৱা কৰা জৰাজীৰ্ণ পথসমূহ উন্নত কৰি এই সমস্যা আৰু কৃষি পথাৰত জলসিঞ্চনৰ ব্যৱস্থা সু-ব্যৱস্থা সোনকালে ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস কৃষকসকলক প্ৰদান কৰে। অৱশ্যে মন্ত্ৰীগৰাকীৰ যোগেদি এই সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত কেনেদৰে আগবাঢ়িব সেয়া সকলোৱে আগ্ৰহেৰে বাট চাই ৰব আৰু সোনকালে ব্যৱস্থা গ্ৰহণ কৰিলে কৃষকসকল যথেষ্ট উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰিছে।

# ওদালগুৰিত খুচুৰা সাৰ ব্যৱসায়ী সন্থাৰ সভা

এই সন্দৰ্ভত কৃষিমন্ত্ৰী পীযূষ হাজৰিকাই শেহতীয়াকৈ কঠোৰ সতৰ্কবাণী জাৰি কৰিছে। মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিছে যে চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া এম আৰ পিতকৈ অধিক দামত সাৰ বিক্ৰী কৰিলে বা কোনো কৃষকক অন্য সামগ্ৰী ল'বলৈ বাধ্য কৰিলে সংশ্লিষ্ট ব্যৱসায়ীৰ বিৰুদ্ধে লাইচেন্স বাতিল কৰাৰ লগতে কঠোৰ ফৌজদাৰী ব্যৱস্থা লোৱা হ'ব। লগতে কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীক বজাৰ আৰু গুডামসমূহ নিয়মীয়াকৈ নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিছে। চৰকাৰৰ এই পদক্ষেপক আদৰণি জনাইছে সদৌ অসম খুচুৰা সাৰ বিক্ৰেতা ওদালগুৰি জিলা সমিতিয়ে। এই প্ৰসংগত ১৮ জুলাইত শনিবাৰে সদৌ অসম খুচুৰা সাৰ ব্যৱসায়ী সন্থাৰ সহকাৰী সম্পাদক ৰতন ঘিমৰেৰ সভাপতিত্বত ওদালগুৰিৰ আস্থা এনজিঅক্স ত এখন সাধাৰণ সভা অনুষ্ঠিত কৰে। সভাত উপস্থিত থাকি খুচুৰা সাৰ ব্যৱসায়ী সমিতিৰ নেতৃবৰ্গই চৰকাৰৰ এই সিদ্ধান্তৰ শলাগ লয় আৰু কৃষিমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। সভাত উপস্থিত থকা জিলা সভাপতি পূৰ্ণ চহৰীয়া, জিলা সম্পাদক দিপক ছেত্ৰী আৰু ৰাজ্যিক সম্পাদক ৰাজেশ শৰ্মাই কয় যে, 'সাৰৰ বজাৰত চলি থকা অনিয়ম আৰু অসাধু ব্যৱসায়ীৰ কাৰ্যই সৰ্বসাধাৰণ কৃষকক বিভ্ৰান্ত কৰিছে। চৰকাৰৰ এই কঠোৰ নিৰ্দেশনাই বজাৰত এক সুস্থ পৰিৱেশ ঘূৰাই আনিব বুলি আমি আশাবাদী। লগতে খুচুৰা সাৰ বিক্ৰেতা সকলেও স্বীকাৰ কৰে যে, কিছুসংখ্যক অসাধু চক্ৰই সাৰৰ কৃত্ৰিম নাটনি দেখুৱাই আৰু টেগিঙৰ জৰিয়তে কৃষকক হাৰাশাস্তি কৰি আহিছে, যাৰ বিৰুদ্ধে চৰকাৰে লোৱা ব্যৱস্থাক তেওঁলোকে পূৰ্ণ সমৰ্থন জনাইছে। চৰকাৰৰ এই নিৰ্দেশনা প্ৰতিজন ব্যৱসায়ীয়ে কঠোৰভাৱে মানি চলা উচিত বুলিও সভাত মত প্ৰকাশ কৰা হয়।ৰ

# বিহামপুৰ-বগলচ ৰোডৰ নিৰ্মাণকাৰ্যত ব্যাপক দুৰ্নীতিৰ অভিযোগ

কৰি তুলিছে। প্ৰাপ্ত তথ্য মতে, অসম চৰকাৰৰ ২০২০-২১ বৰ্ষৰ 'চি আৰ আই এফ' আঁচনিৰ অধীনত এই ১৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটোৰ নিৰ্মাণৰ আধাৰশিলা ২৩ ফেব্ৰুৱাৰী ২০২১ চনতে স্থাপন কৰিছিল তদানীন্তন মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে। কিন্তু অতি পৰিতাপৰ বিষয় যে, আধাৰশিলা স্থাপনৰ প্ৰায় চাৰি বছৰ পাছতো পথটোৰ কামে আশানুৰূপ গতি নল'লে। সুদীৰ্ঘ পাঁচ বছৰ পূৰ্বে আৰম্ভ হোৱা এই নিৰ্মাণকাৰ্যৰ অতি লেহেমিয়া গতিৰ বাবে স্থানীয় ৰাইজ তথা যাতায়াতকাৰীসকলে বছৰ বছৰ ধৰি তীব্ৰ হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে। দৈনিক শতাধিক যানবাহন চলাচল কৰাৰ উপৰিও বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু বজাৰ-সমাৰলৈ অহা হাজাৰ হাজাৰ লোকৰ বাবে এই পথছোৱাই একমাত্ৰ ভৰসা। অভিযোগ উঠিছে যে, কামৰ আৱণ্টন পোৱা সংশ্লিষ্ট ঠিকাদাৰগৰাকীয়ে কোটিটকীয়া পথটোৰ পকীকৰণ কোনোমতে সম্পূৰ্ণ কৰিলে যদিও বহু ঠাইত আজিলৈকে চাইডবামৰ কাম সম্পূৰ্ণ নকৰিলে। ইয়াৰ ফলত নতুনকৈ নিৰ্মিত পথটোৰ দুই কাষ ঠায়ে ঠায়ে খহি যাবলৈ ধৰিছে, যাৰ বাবে যিকোনো সময়তে ডাঙৰ দুৰ্ঘটনা ঘটাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। ঠিকাদাৰগৰাকীয়ে কেৱল অধিক মুনাফা লাভৰ বাবেই এনেধৰণৰ অনিয়মৰ আশ্ৰয় লোৱা বুলি স্থানীয় ৰাইজে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। আটাইতকৈ দুৰ্ভাগ্যজনক কথাটো হ'ল, সমগ্ৰ বিষয়টোক লৈ বিভাগীয় কৰ্তৃপক্ষই এক ৰহস্যজনক নিৰ্বিকাৰ ভূমিকা পালন কৰিছে। বিভাগীয় উদাসীনতাৰ বিৰুদ্ধে এতিয়া সমগ্ৰ অঞ্চলটোতে তীব্ৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে অতি শীঘ্ৰে পথটোৰ বাকী থকা কামখিনি গুণগতভাৱে সম্পন্ন কৰিবলৈ চৰকাৰ তথা জিলা প্ৰশাসনক দাবী জনাইছে।

# এজাক বৰষুণ আহিলে পানীত ডুব যায়কঠিয়াতলী

ৰাইজৰ অভিযোগ, ফেব্ৰুৱাৰী মাহৰ পৰা লেহেমীয়া গতিত কাম কৰাৰ ফলত পথৰ দুয়োকাষে থকা বাসগৃহ সমুহত একাঠু পৰ্যন্ত পানী। লাচিত নগৰলৈ সোমাই যোৱা প্ৰথম উপপথৰ কেইবা ঘৰো মানুহৰ ঘৰৰ ভিতৰত কৃত্ৰিম বানত ঘৰৰ বয়-বস্তু, বিচনাৰ কাপোৰ কানি, অন্যান্য সা-সামগ্ৰী পানী ডুবি নষ্ট হোৱাৰ ঠিকাদাৰৰ প্ৰতি ক্ষোভ উজাৰিছে ভূক্তভোগী লোক সকলে। ৰাইজে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক ঠিকাদাৰৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে বিধায়কৰ হস্তক্ষেপ বিচাৰিছে।

# পুনৰ মহানগৰ আৰক্ষীৰ এনকাউণ্টাৰ

কুখ্যাত চোৰ আজনবী আলীক এনকাউণ্টাৰ গুৱাহাটী আৰক্ষীৰ। চুৰি কৰা সামগ্ৰীৰ ঘাটি দেখুৱাবলৈ নিয়াৰ সময়তে আৰক্ষীৰ বেহু ফালি পলায়নৰ চেষ্টা কৰিছিল আজনবীয়ে। প্ৰথমে গুলীবিদ্ধ আজনবীক গুৱাহাটীৰ চৰকাৰী আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয়লৈ নিয়া হৈছিল, তাপ পিছকে গুৱাহাটী চিকিৎসা মহবিদ্যালয়ত ভৰ্তি কৰা হয়। জানিব পৰা অনুসৰি সোঁ ভৰিৰ কলাফুলত গুলী লাগিছে আজনবীৰ। জানিব পৰা অনুসৰি ধপাত, চিগাৰেট, গুটখা আদি চুৰি কৰিছিল আজনবী আলীয়ে। কিছুদিন পূৰ্বে মালিগাঁৱৰ এখন দোকানৰ পৰা ধপাত, চিগাৰেট, গুটখা চুৰি কৰিছিল আজনবীয়ে। চুৰি কৰা সামগ্ৰী উদ্ধাৰৰ বাবে শনিবাৰে নিশা আজনবীক লগত লৈ গৈছিল আৰক্ষীয়ে। আৰক্ষীৰ অভিয়ানৰ সময়তে পলায়ন চেষ্টা কৰাৰ সময়তে গুলীবিদ্ধ হয় আজনবী।

# দিখৌ নদীৰ মথাউৰিৰ খহনীয়াই নাজিৰালৈ আনিছে ভয়ংকৰ বিপদ

ভয়ংকৰ বিপদৰ সংকেত কঢ়িয়াই অনাত ভীতিগ্ৰস্ত হৈ পৰিছে জনগণ । দিখৌ নদীৰ কাষৰীয়া অঞ্চলৰ মথাউৰি প্ৰান্তে প্ৰান্তে ভয়াবহ ভাৱে খহনীয়া সৃষ্টি কৰিছে। নাজিৰাৰ বিহুবৰ বৰশিল, লক্ষ্মীজান, সোন্দৰ পুখুৰী , বাউলী মৈদাম , মাউৎ গাওঁ , কুমাৰ গাওঁ , কমাৰ গাওঁ, ওপৰ নাজিৰা, নাজিৰা নগৰৰ আমোলাপট্টি, ন- মাটিৰ গৰখীয়া দ'ল, মঠিয়াছিগা, মেছাগড় গোহাঁই চুক, বগীদল পানীচুকী আদিৰ বিভিন্ন প্ৰান্তৰ দিখৌৰ মথাউৰি চপৰা চপৰে খহিব ধৰিছে । নাজিৰাৰ বিভিন্ন প্ৰান্তৰ লগতে নগৰৰ ৭ নং ৱাৰ্ডৰ আমোলাপট্টিৰ দিখৌৰ মথাউৰিৰ এটা অংশ চপৰা চপৰে খহি আহিব ধৰাত কাষৰীয়া অঞ্চলৰ ৰাইজে ভয়ংকৰ বিপদৰ আশংকাত ভুগিছে। স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষক বহুবাৰ আবেদন নিবেদন কৰাৰ পিছতো আজি পৰ্যন্ত কোনো খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত কোনো ধৰণৰ সু-ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। যোৱা নিশাৰে পৰা মুষলধাৰ বৰষুণ আৰু দিখৌ নদীৰ জলধাৰা ফেনে - ফুতুকাৰে বাঢ়ি অহাত মথাউৰি খহনীয়া অংশই নাজিৰাবাসী লৈ ভয়াবহ বিপদৰ সংকেত কঢ়িয়াই আনিছে। তেনে পৰিস্থিতিত বিভাগীয় কৰ্তৃপক্ষই কোনো ধৰণৰ সু-ব্যৱস্থা গ্ৰহণ নকৰাত আজি পুৱাৰে পৰা স্থানীয় ৰাইজে দিখৌৰ মথাউৰিয়েদি যান - বাহন চলাচল বন্ধ কৰিব লগা পৰিস্থিতিৰ উদ্ভৱ হৈছে। ইয়াৰ পিছতো চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে ৰাজপথত জনগণে গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সকীয়াই দিছে।ছ

# নগাঁও পৌৰসভা পৃষ্ঠপোষকতাতে নেহেৰুবালিৰ পৰিবেশ বিনষ্ট হোৱাৰ উপক্ৰম

১৩ মে' পৰা আৰম্ভ হোবা তথা জুনৰ মাহৰ শেষলৈ সমাপ্ত হোবা বানিজ্যিক মেলাৰ বাবে প্ৰায় ডেৰমাহে নগাঁও নেহৰুবালী পথাৰখন মেলাৰ বাবে আবদ্ধ হৈ আছিল। কেৱল একাংশ লোকৰ নিজ স্বাৰ্থ সিদ্ধিৰ বাবেই দৰাচলতে এই মেলাখনি প্ৰতিবছৰে আয়োজন কৰি অহা হয় বুলি নগাঁৱৰ সচেতন মহলে দাবী কৰিছে। প্ৰতিবছৰে প্ৰায় পঞ্চাশ লাখৰো অধিক টকাৰ ব্যৱসায়ীক লাভালাভেৰে আয়োজন কৰা হয় এই মেলা খনি । নগাঁও জিলা প্ৰশাসন আৰু নগাঁও পৌৰসভাৰ অনুমতি সাপেক্ষে আয়োজন কৰি অহা মেলাখনিৰ আয়োজকে মেলাখনি আয়োজন কৰে থিকেই। কিন্তু মেলাৰ শেষ হোবা মাহৰ পাচত মাহ ধৰি নেহৰুবালী পথাৰত মেলাৰ পেন্দেলৰ বাহঁ,লেতেৰা আৰ্বজনা,খালী সুৰাৰ বটল,পৰিত্যক্ত কাঠ-মামৰে ধৰা গজাল-বাহঁৰ টোকোৰা,ভঙাডাছবিন-ডাছবিনৰ ৰিং আদিৰে ভৰি আছে নেহৰুবালীৰ চুককুন। প্ৰতিদিনে পুৱা আৰু সন্ধিয়া নেহৰুবালীত এতিয়া নগৰৰ নাগৰিকৰ শাৰীৰিক ব্যামৰ বাবে খোজ কঢ়াৰো যেন বৰ্তমান এক সুস্থ পৰিবেশ নাই মেলা শেষ হোবাৰ পাছতো। লেতেৰা আৰ্বজনাৰে ভৰি থকা নেহৰুবালীত খোজ কঢ়াৰ সময়ত জ্যেষ্ঠ নাগৰিক সকলৰ লগতে কনকন শিশু সকলে নাকত ৰুমাল দি হে খোজ কাঢ়িব লগা পৰিস্থিতি হৈছে। অন্যহাতে, দিনৰ পোহৰত সদায় আবেলিবেলা বিদ্যালয়-মহাবিদ্যালয়ৰ যুৱকসকলে পূৰ্বতে যেনেদৰে নেহৰুবালীৰ মাজত খেলাধূলা কৰি শাৰীৰিক বিকাশৰ এক পৰিবেশ গঢ়ি তুলিছিল। এতিয়া তাৰো কোনো এক পৰিবেশ নাই। ইয়াতে উল্লেখ কৰিব লাগিব যে নেহৰুবালীত সন্ধিয়াৰ সময়ত লাইটৰ যি ব্যৱস্থা আছিল সেই লাইটৰ ব্যৱস্থাটোও বৰ্তমান এক মামৰে ধৰা পৰিলক্ষিত হৈছে। বৰ্তমান বহুকেইটা লাইট নজলে। পোহৰৰ ব্যৱস্থা অতি নিম্নমানৰ হোবাত সন্ধিয়া খোজ কাঢ়িবলৈ অহা জ্যেষ্ঠ নাগৰিকসকলৰ লগতে মহিলা যুৱতী সকল বহু সমস্যাৰ সন্মুখীন হবলগীয়া হৈছে। মুঠৰ ওপৰত যেন নেহৰুবালী খেলপথাৰ এতিয়া পৌৰসভাৰ একাংশ উঠিৰজা বহিৰজাৰ বাবে একপ্ৰকাৰ ধন ঘটাৰ বাবে এটা সোনৰ কনী পৰা হাহঁলৈ হে পৰ্যবসিত হৈছে । এক কথাত কবলৈ গলে এতিয়া যেন নগাঁও পৌৰসভাৰ একান্ত পৃষ্ঠপোষকতাতে নেহৰুবালী সুন্দৰ পৰিবেশ বিনষ্ট হোৱা দেখিবলৈ পোবা গৈছে। ঘন- হাবি বনে সমগ্ৰ নেহৰুবালীৰ পৰিবেশ একপ্ৰকাৰ অপৰিস্কাৰ কৰি তুলিছে। মেলাত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ব্যৱসায়ী সকলৰ বাবে আয়োজক মণ্ডলীয়ে যি পকী কলপাৰৰ ব্যৱস্থা কৰিছিল সেইয়াও বৰ্তমান তেনে অৱস্থাতেই পৰিত্যক্ত অৱস্থা পৰি থকা দেখা পোবা গৈছে। এইসকলোবোৰ বিষয়ে দেখি শুনিও যেন এতিয়া নগাঁও পৌৰসভাৰ পৌৰপতি তথা উপ- পৌৰপতিৰ কোনো যেন দায়িত্ব নাই সেইয়া একপ্ৰকাৰ পৰিস্কাৰ হৈ উঠিছে। নগাঁৱৰ ঐতিহাসিক নেহৰুবালী খেলপথাৰখন একাংশৰ বাবে বৰ্তমান যেন কেৱল মাত্ৰ ধন ঘটাৰ আহিলালৈহে পৰিনত হৈছে। এইক্ষেত্ৰত নগাঁৱৰ সচেতন ৰাইজে নগাঁও পৌৰসভাৰ লগতে নগাঁও জিলা প্ৰশাসনক অতি শীৰ্ঘে নগাঁৱৰ ঐতিহাসিক নেহৰুবালীৰ পূৰ্বৰ পৰিস্কাৰ- পৰিচন্নতাৰ লগতে নগাঁৱৰ ৰাইজৰ সান্ধ্য ভ্ৰমণৰ তথা খোজ কঢ়াৰ এক সুন্দৰ পৰিবেশলৈ ঘুৰাই আনিবলৈ দাবী জনাইছে। এইক্ষেত্ৰত নগাঁৱৰ জিলা আয়ুক্ত গৰাকীৰ প্ৰতক্ষ্য হস্তক্ষেপ দাবী কৰিছে নগাঁৱৰ সচেতনমহলে।৫

# বৰদৌলগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নাগেশ্বৰ চহৰীয়াৰ দেহাৱসান

নাগেশ্বৰ চহৰীয়াৰ শনিবাৰে পুৱা প্ৰায় ১০.৩০ বজাত আকস্মিক মৃত্যু হোৱা খবৰে সমগ্ৰ ছিপাঝাৰ-দৰংবাসীক ম্ৰিয়মান কৰি তুলিছে। উল্লেখ্য যে এইগৰাকী ব্যক্তিয়ে ডিব্ৰুগড়ত থকা জী-জোঁৱাইৰ ঘৰলৈ ফুৰিবলৈ গৈছিল আৰু তাত কালি উচ্চ ৰক্তচাপজনিত কাৰণত হঠাৎ অসুস্থ হৈ পৰাত তেওঁক অসম মেডিকেল কলেজ হস্পিতালত ভৰ্তি কৰা হয়। কিন্তু চিকিৎসাধীন অৱস্থাত শনিবাৰে পুৱা তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ১৯৭৫ চনত মঙলদৈ উপ-কোষাগাৰত কনিষ্ঠ গণনা সহায়ক পদত যোগদান কৰা এইগৰাকী ব্যক্তিয়ে কেইবাটাও বিভাগীয় পদোন্নতি লাভ কৰাৰ উপৰি তেজপুৰ সদৰ কোষাগাৰ, ওদালগুৰি উপ-কোষাগাৰত কাৰ্যনিৰ্বাহ কৰে। পৰৱৰ্তী সময়ত ২০১৩ বৰ্ষত তেওঁ মঙলদৈ কোষাগাৰৰ পৰা অধীক্ষক হিচাপে সুখ্যাতিৰে অৱসৰ গ্ৰহণ কৰে। চৰকাৰী চাকৰি কৰি থকা সময়তো তেওঁ বিভিন্ন সামাজিক-সাংস্কৃতিক কামত জড়িত আছিল। বৰদৌলগুৰি সাহিত্য সভাৰ দীৰ্ঘকালৰ বাবে সভাপতিৰ আসন অলংকৃত কৰা এইগৰাকী ব্যক্তি ফুটকিতলী যুৱ কল্যাণ সংঘৰ প্ৰতিষ্ঠাকালৰ সম্পাদক, সদৌ অসম কোষাগাৰ কৰ্মচাৰী সন্থাৰ মঙলদৈ শাখাৰ সম্পাদক, সদৌ অসম কোষাগাৰ কৰ্মচাৰী সন্থাৰ সভাপতিৰ গুৰু দায়িত্ব বহন কৰাৰ লগতে বৰদৌলগুৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ বিদ্যাপীঠ, বৰদৌলগুৰি উচ্চ মাধ্যমিক বিদ্যালয়, ছিপাঝাৰ জনতা মহাবিদ্যালয়, বৰদেউল জাতীয় বিদ্যালয়, পাৰামাউণ্ট ইংলিছ স্কুল, বিহুভাঙা উচ্চ মাধ্যমিক বিদ্যালয়, বৰ আঠিয়াবাৰী প্ৰাথমিক বিদ্যালয়, ফুটকিতলী প্ৰাথমিক বিদ্যালয়, ছিপাঝাৰ মহাবিদ্যালয়, অৱসৰী কল্যাণ মঞ্চ, ফুটকিতলী থলগিৰি মন্দিৰ, দীঘিৰপাৰ হৰি মন্দিৰ , বৰদৌলগুৰি সাৰ্বজনীন দুৰ্গাপূজা, বিহুভাঙা দুৰ্গাপূজা, বিহুভাঙা শিৱ মন্দিৰ, দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলন আদিৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত আছিল। বৰদৌলগুৰি সাহিত্য সভা, ছিপাঝাৰ সাহিত্য সভা, দৰং জিলা সাহিত্য সভা আৰু অসম সাহিত্য সভাৰ আজীৱন সভ্য, সকলোৱে ব্যক্তিগৰাকীয়ে বিভিন্ন আলোচনী, স্মৃতিগ্ৰন্থত লেখা-মেলা কৰি আহিছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ। মৃত্যুৰ সময়ত তেওঁ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী পত্নী নীলিমা বৰুৱাসহ এগৰাকী পুত্ৰ-বোৱাৰী, দুগৰাকী কন্যা, জোঁৱাই, নাতি-নাতিনী এই সংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত সংশ্লিষ্ট সকলো অনুষ্ঠান, ছিপাঝাৰ শাখা লেখিকা সমাৰোহ সমিতি, বৰদৌলগুৰি যুথ ক্লাৱ, অনুভৱ প্ৰকাশন, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, সংগঠন, দৰং জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ হাজৰিকা, মঙলদৈ বণিক সন্থাৰ সভাপতি মুকুল চন্দ্ৰ ডেকা, ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰে।

# কোন দিশে ধাৱমান অসমীয়া কৃষক !

বোকা দিয়া শালি খেতিপথাৰৰ আলিৰ ওপৰত বহি চাহ -জলপান খাই।তেনে সময়ত গৃহিণীজনীৰ লগত নিজৰ খেতিকলৈ বিভিন্ন ৰসভৰা কথাৰ অবতৰণা কৰে।ওচৰত কোনো কৃষকে হাল বাই থাকিলে চাহ খাবলৈ নিমন্ত্ৰণ জনাই আৰু তেনে সময়ত খেতিৰ লৈ কথা পাতে।আলিৰ মূৰত থৈ দিয়া জুইৰ উকুৰাতো হাততলৈ বিড়ি ঘোপা আছিল চিৰাচৰিত দৃশ্য। বোকা কৰা মাটিত মৈ দি সমান কৰাৰ পিছত আলি দিয়া দোবলত উলু খেৰেৰে গোট গোটকৈ বন্ধা কঠীয়া পেলাই দি ৰোৱনীক ৰোপণৰ নিমন্ত্ৰণ জনাই। যাৰ পিছত এফালে কৃষকে মাটি চহোৱাত মজগুল থকাৰ বিপৰীতে আনফালে ৰোৱনীয়ে বোকা দিয়া পথাৰত কঠীয়া ৰোপণত লাগি পৰে। তেনে সময়ত ৰোৱনী সকলে বিভিন্ন ৰস কথাৰ আলোচনা কৰে, হাঁহি ধেমালি আদিৰো মিলন ঘটাই ।যি দৃশ্য অতি মনোৰম আৰু আজি সেই দৃশ্য বাৰিষাৰ খেতি পথাৰত পাবলৈ নাই। কিন্তু আধুনিকতাৰ গ্ৰাসত পৰি আজি অতীতৰ ককাহঁতৰ যি পৰম্পৰা সেইবোৰ কৰ্ম দৃশ্য আজি বিলুপ্ত। খেতি পথাৰত আজি হালোৱা গৰুৰ পৰিৱৰ্তে ট্ৰেট্ৰৰ-পাৱাৰটিলাৰৰ দপদপনি। বাৰিষাৰ ভৰপক খেতি পথাৰত চৌদিশে আজি কৃষক -হালোৱাৰ শব্দৰ বিপৰীতে ট্ৰেক্টৰ -পাৱাৰটিলাৰৰ কাণতাল মাৰি ধৰা বিকট শব্দ। যান্ত্ৰিকতাৰ ধামখুমীয়াত কৃষক ৰাইজ সংপৃক্ত হৈ আজি গোহালিৰ হালোৱা গৰু হালো হেৰুৱাই পেলাইছে।আজিৰ বাৰিষাৰ খেতিপথাৰত তাহানিৰ মাদকতা ভৰা দৃশ্য শব্দ দেখিবলৈ শুনিবলৈ নাই। বোকাদিয়া পথাৰত মৈ দিয়া সময়ত পুঠি -খলিহনা,কাৱৈ, মোৱা, দৰিকণা, বটিয়া ধৰাৰ মনোমোহা দৃশ্য আজি অতীত।ট্ৰেক্টৰ -পাৱাৰটিলাৰৰ চকাত খেতি পথাৰৰ পানীত থকা সৰু বৰ থলুৱা মাছ কাছ ধ্বংস হ'ল। পথাৰৰ ট্ৰেক্টৰ -পাৱাৰটিলাৰৰ বিকট শব্দৰ বাবে আজি পথাৰ শুৱনি কৰা বগলী জাকো দেখিব নোপোৱা হৈ পৰিল।দেখিবলৈ নাই। বৰটোকোলাও কবলৈ দুখ লাগে আজিৰ কৃষকে আধুনিকতাৰ লগত মিলি যাবলৈ গৈ হালোৱা গৰুৰে মাটি চাহ কৰিবলৈ যেন লাজ কৰা হৈ পৰিছে।যিটো অসমীয়াৰ বাবে অতিকৈ দুখজনক।আজিৰ নৱ প্ৰজন্মই হালোৱা গৰুৰে কিদৰে মাটি চহাই তাক জানিবলৈ মিউজিয়াম হলত গৈ চোৱাৰ সময় সমাগত।কোন দিশে গতি কৰিছে আজিৰ অসমীয়া কৃষক ৰাইজ।

# নাজিৰাৰ শিমলুগুৰিত আৰক্ষীৰ অভিযানত ড্ৰাগছসহ এহাল যুৱক-যুৱতীক গ্ৰেপ্তাৰ

কৰা হয়। কিছুসময়ৰ পাছত উক্ত স্কুটিখন নাকা পইণ্টত উপস্থিত হৈ আটক কৰা হয়। তেওঁলোকৰ কৰ্মী অনুসন্ধান চলোৱাৰ সময়ত তেওঁলোকৰ হাতৰ পৰা এটা গোলাপী ৰঙৰ ধঁপাতৰ পাত্ৰত মুঠ ১৮ গ্ৰাম সন্দেহযুক্ত হেৰ'ইন আৰু এটা ২ চি এম আকাৰৰ প্লাষ্টিকৰ শিশি, মুঠ তিনিটা আঙুলিৰ আকাৰৰ প্লাষ্টিকৰ শিশি, এটা টুপিবিহীন, দুটা চিৰিঞ্জ, এখন স্কুটি, ক'লা ৰঙৰ বেগ, দুটা স্মাৰ্টফোন সকলো আইনী আনুষ্ঠানিকতা পালন কৰি স্বতন্ত্ৰ সাক্ষীৰ উপস্থিতিত জব্দ স্মাৰক প্ৰস্তুত কৰি উদ্ধাৰ হোৱা সামগ্ৰীসমূহ জব্দ কৰে। ই-সাক্ষ্যৰ জৰিয়তে

# নীটত নগাঁৱৰ ডাছোৱানী ইনষ্টিটিউটৰ শিক্ষাৰ্থীৰ সাফল্য

**বাতৰি কাকত, নৰ্নৈ, ১৯ জুলাই** প্ৰত্যেক বছৰৰ দৰে এই বছৰো সদ্যঘোষিত সৰ্বভাৰতীয় মেডিকেল প্ৰবেশ পৰীক্ষাত নগাঁৱৰ অগ্ৰণী শিক্ষানুষ্ঠান ডাছোৱানী ক্লাছেছৰ সফলতাৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। প্ৰতিষ্ঠানখনৰ পৰা এই বছৰত মুঠ অবতীৰ্ণ হোৱা ১০০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০০জনেই মেডিকেল প্ৰবেশ পৰীক্ষাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে নীটত সফলতা লাভ কৰা সৰ্বমুঠ ২১ গৰাকী ছাত্ৰছাত্ৰীয়ে চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰ সুবিধা লাভ কৰিব।ইপিনে নীটত সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত সৰ্বোচ্চ নাম্বাৰ লাভ কৰা কেইজনমান ছাত্ৰ-ছাত্ৰী হৈছে ক্ৰমে নাছিফ আহমেদ ৫৭৭(সাধাৰণ),ছামিম আলম ৫৪৪ (সাধাৰণ),অকুৰ কলিতা ৫৩৪ (সাধাৰণ),অন্যন্যা ৰয় ৫৮৮ (সাধাৰণ),হিতেশ ঘোষ ৪৮৫ (অ বি চি-এন চি এন (সাধাৰণ),বিনীত পুকায়স্থ প্ুৰৰ, (সাধাৰণ) প্ৰতিষ্ঠানখনৰ পৰিচালক ড° প্ৰাঞ্জল কুমাৰ বৰাই জনোৱা মতে- প্ৰতিষ্ঠানখনৰ উত্তৰণৰ বাবে ৰাজস্থান কোটাৰ পৰা অহা ৮জন বিশেষ অভিজ্ঞ শিক্ষকে পাঠদান কৰে। পুৱা ৯ বজাৰ পৰা আবেলি ৪ বজালৈ নিয়মিত পাঠদান আৰু সাপ্তাহিক মূল্যায়নৰ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নিয়ে বুলি পৰিচালক ড° প্ৰাঞ্জল কুমাৰ বৰাই অৱগত কৰে। ১৮ বছৰৰ অভিজ্ঞতাৰে শিক্ষাদান আগবঢ়োৱা ডাছোৱানীৰ এই সাফল্যই জিলাখনলৈ এক সুনাম কঢ়িয়াই অনাৰ লগতে প্ৰতিষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱকসকলৰ মাজত এক আনন্দৰ পৰিৱেশ বিৰাজ কৰিছে।

## 'কিমান যে কথা কিমান যে স্মৃতি' উন্মোচন

# আপোচহীন জাতীয়তাবাদী নেতা গৌতম দাসৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান



**গুৱাহাটী, ১৯ জুলাই ঃ** সদ্য প্ৰয়াত বিশিষ্ট জাতীয়তাবাদী নেতা গৌতম দাসৰ এখন স্মতিচাৰণ সভা কালি তেওঁৰ মৎস্য স্পৰ্শৰ দিনটোৰ সৈতে সংগতি ৰাখি মহানগৰীৰ বেলতলাস্থিত দ্যা মেজেষ্টি লনত অনুষ্ঠিত হয়।এই সভাত আপোচহীন জাতীয়তাবাদী নেতা গৌতম দাসৰ স্মৃতিত প্ৰকাশিত ধ্ৰুৱজ্যোতি দাস (ৰতন) আৰু নৃপেন শৰ্মা সম্পাদিত 'গৌতম দাস, কিমান যে কথা কিমান যে স্মৃতি' শীৰ্ষক স্মাৰক গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে অসম আন্দোলনৰ নেতা, অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী অতুল বৰাই। ভাষণ প্ৰসংগত তেওঁ অসম আন্দোলনৰ সময়ত বৃহত্তৰ দিছপুৰ অঞ্চলত আন্দোলন সংগঠিত কৰা অন্যতম হোতা সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতা গৌতম দাসৰ অবদানৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। তেওঁ অজাতশত্ৰু, বিশিষ্ট সমাজকৰ্মী গৰাকীৰ জীৱনৰ বিভিন্ন কৰ্মৰ বিষয়ত আলোকপাত কৰে। নৃপেন শৰ্মা আৰু ৰমেন দাসে আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিত শিল্পী তথা গৌতম দাসৰ সংগ্ৰামী সতীৰ্থ সদানন্দ গগৈয়েও বক্তব্য আগবঢ়ায়। স্মাৰক গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াছে গৌতম দাস অনুৰাগী সমাজ আৰু তেওঁৰ পৰিয়ালবৰ্গই। অনুষ্ঠানত বিমল প্ৰসাদ চৌধুৰী, ত্ৰিদিপ শৰ্মা, লৱ ৰাভা, ধৰনী তালুকদাৰ, মুকুল দাস, অপূৰ্ব কুমাৰ শৰ্মা, অলকেশ দাস, দীলিপ নেওগ, ৰূপজ্যোতি দাস, প্ৰদীপ পাটোৱাৰী, বিপুল ৰাভা, আজিজুৰ ৰহমান শইকীয়া প্ৰমুখ্যে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি তথা প্ৰয়াত গৌতম দাসৰ পৰিয়ালবৰ্গ, আত্মীয়-স্বজন আৰু ভালেমান গুণমুগ্ধ উপস্থিত থাকে। অনুষ্ঠানটি সামগ্ৰিকভাৱে পৰিচালনা কৰে গৌতম দাসৰ পুত্ৰ পঁপুৰ দাস আৰু ভাগিন বিজয় কুমাৰ দাসে (মুন্না)। শলাগৰ শৰাই আগবঢ়ায় প্ৰয়াত গৌতম দাসৰ বায়েক কমলা দাস বৰা।

# কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰীয়ে মুকলি কৰিলে বি ডব্লিউ এফ বিশ্ব বেডমিণ্টনৰ শুভংকৰ-থীম ছং

## নতুন দিল্লীৰ অনুষ্ঠানত উপস্থিত থাকে বাইৰ সভাপতি ড° হিমন্ত বিশ্ব শৰ্মা

**নতুন দিল্লী, ১৯ জুলাই ঃ** অহা ১৭-২৩ আগষ্টলৈ নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগা ৩০ সংখ্যক বি ডব্লিউ এফ বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপ-২০২৬ ৰ শুভংকৰ আৰু থীম ছং কালি মুকলি কৰা হয়। ভাৰতীয় বেডমিণ্টন সন্থা (বাই)ৰ সভাপতি তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিত কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী ডাঃ মনছুখ মান্দবিয়াই আনুষ্ঠানিকভাবে এয়া মুকলি কৰে। নতুন দিল্লীত হোৱা এই অনুষ্ঠানত উপস্থিত থাকে কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, বাইৰ সচিব সঞ্জয় মিশ্ৰ, দেশৰ কিংবদন্তী শ্বাটলাৰ পুলেলা গোপীচান্দ আদি। অনুষ্ঠানত ভাষণ দি ক্ৰীড়ামন্ত্ৰী ডাঃ মান্দবিয়াই কয়, 'দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দূৰদৰ্শী নেতৃত্বত ভাৰতে বিশ্বৰ ক্ৰীড়া ৰাষ্ট্ৰ হিচাপে আত্মপ্ৰকাশ কৰাৰ দিশে আগবাঢ়িছে। আমি ধাৰাবাহিকভাবে বিশ্বৰ কেবাখনো বৃহৎ ক্ৰীড়া ইভেণ্ট সফলতাৰে আয়োজন কৰিছো। বি ডব্লিউ এফ বিশ্ব চেম্পিয়নশ্বিপ এই যাত্ৰাৰ আন এক গৌৰৱময় মাইলৰ খুঁটিৰূপে চিহ্নিত হ'ব। ভাৰতীয় বেডমিণ্টনৰ ক্ৰমবৰ্ধমান উত্তৰণ আৰু বিশ্বমানৰ ক্ৰীড়া আন্তঃগাঁথনি সৃষ্টি লগতে খেলুৱৈসকলৰ বাবে অধিক সুযোগ প্ৰদানৰ দিশত চৰকাৰৰ অটল প্ৰতিশ্ৰুতি থাকিব।' ইফালে, ড° শৰ্মাই কয় '১৭ বছৰৰ পাছত ভাৰতলৈ বি ডব্লিউ এফ বিশ্ব চেম্পিয়নশ্বিপৰ প্ৰত্যাৱৰ্তন আমাৰ খেলৰ বাবে এক ল্যাণ্ডমাৰ্ক মুহূৰ্ত আৰু ভাৰতীয় বেডমিণ্টন কিমান দূৰ আগবাঢ়িছে এয়া তাৰেই প্ৰতিফলন। আজি ভাৰতে বেডমিণ্টনত বিশ্বৰ অন্যতম শক্তিশালী দেশ হিচাপে স্বীকৃতি লাভ কৰিছে। নতুন প্ৰজন্মক অনুপ্ৰাণিত কৰা খেলুৱৈ সৃষ্টি কৰিছে। আমি নিশ্চিত যে চেম্পিয়নশ্বিপে আমাৰ দেশত বেডমিণ্টনৰ বাবে এক স্থায়ী উত্তৰাধিকাৰ এৰি যাব লগতে অগণন ভাৰতীয় যুৱক-যুৱতীক ৰেকেট তুলি ল'বলৈ অনুপ্ৰাণিত কৰিব।

## কেইসপ্তাহ খেলপথাৰৰ পৰা আঁতৰত থাকিব উইম্বলডন ৰানাৰ্ছ-আপ কেৰোলিনা মুচোভা



**লণ্ডন, ১৯ জুলাই ঃ** শেহতীয়াকৈ সমাপ্ত হোৱা উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ মহিলা একক শাখাৰ ৰানাৰ্ছ-আপ কেৰোলিনা মুচোভা আগন্তুক কেইসপ্তাহমানৰ বাবে খেলপথাৰৰ পৰা আঁতৰত থাকিব। শেহতীয়া এক সৰু অস্ত্ৰোপচাৰৰ বাবে তেওঁ এই সিদ্ধান্ত ল'বলগীয়া হৈছে। চেক গণৰাজ্যৰ ২৯ বছৰীয়া খেলুৱৈগৰাকীয়ে তেওঁৰ ছচিয়েল মিডিয়া একাউণ্টৰ জৰিয়তে এই কথা সদৰী কৰে। তেওঁ জনায়-মোৰ এটা সৰু অস্ত্ৰোপচাৰ হৈছে, যাৰ বাবে মই কেইসপ্তাহমান কৰ্ক্টৰ পৰা আঁতৰত থাকিব লাগিব। অস্ত্ৰোপচাৰ সফল হৈছে আৰু মই ইতিমধ্যে সুস্থ হৈ উঠাৰ বাবে কাম আৰম্ভ কৰিছোঁ। এই শাৰীৰিক সমস্যাৰ বাবে মুচোভাই অহা ২১ পৰা ১৩ আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া ক্ৰমবৰ্ধমান গুৰুত্বপূৰ্ণ 'ডব্লিউ টি এ টৰন্টো টুৰ্ণামেণ্ট'ত অংশগ্ৰহণ কৰিব নোৱাৰিব। বৰ্তমান বিশ্ব ৰেংকিঙৰ ষষ্ঠ স্থানত থকা মুচোভাই যোৱা সপ্তাহত উইম্বলডনৰ এক ৰোমাঞ্চকৰ ফাইনেল মেচত নিজৰে দেশৰ লিণ্ডা নোস্কোভাৰ বিৰুদ্ধে তিনি ছেটৰ যুঁজত পৰাস্ত হৈছিল। তেওঁৰ আঘাতৰ প্ৰকৃতি স্পষ্টকৈ জানিব পৰা হোৱা নাই যদিও, অহা ৩০ আগষ্টৰ পৰা আৰম্ভ হ'বলগীয়া বছৰৰ অন্তিম গ্ৰেণ্ড শ্লেম (ইউ এচ অ'পেন)ৰ পূৰ্বে তেওঁ সম্পূৰ্ণ সুস্থ হৈ উঠিব বুলি অনুৰাগীসকলে আশা প্ৰকাশ কৰিছে।

## বিশ্বকাপত ২২টা গ'লেৰে কিলিয়ান এমবাপ্পেৰ নতুন বিশ্ব অভিলেখ

### ২০২৬ৰ বিশ্বকাপত ১০টা গ'লৰে গ'ল্ডেন বুটৰ শীৰ্ষত



**মায়ামী, ১৯ জুলাই ঃ** ২০২৬ চনৰ ফিফা বিশ্বকাপৰ এক ৰোমাঞ্চকৰ তৃতীয় স্থানৰ মেচত ইংলেণ্ডে ফ্ৰান্সক ছ-চ্ছ্ৰ ব্যৱধানত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। এই পৰাজয়ৰ পিছতো ফ্ৰান্সৰ অধিনায়ক কিলিয়ান এমবাপ্পেৰ বাবে এই মেচখন ঐতিহাসিক হৈ ৰ'ব, কাৰণ তেওঁ বিশ্বকাপৰ ইতিহাসত সৰ্বাধিক গ'লদাতা হিচাপে এক নতুন বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। মেচখনত ফ্ৰান্সৰ অধিনায়ক কিলিয়ান এমবাপ্পেই দুটা গ'ল দি বিশ্বকাপৰ ইতিহাসত তেওঁৰ মুঠ গ'লৰ সংখ্যা ২২টালৈ বৃদ্ধি কৰে। ইয়াৰ সৈতে তেওঁ লিয়েনেল মেছিক (২১টা গ'ল) পিছ পেলাই বিশ্বকাপৰ সৰ্বকালৰ সৰ্বাধিক গ'লদাতা হিচাপে পৰিগণিত হয়। এই চলিত বিশ্বকাপত তেওঁ বৰ্তমানলৈকে সৰ্বাধিক ১০টা গ'ল দিছে। খেলৰ প্ৰথমাৰ্ধতে ইংলেণ্ডে ৪-০ ব্যৱধানত অগ্ৰগতি লাভ কৰি ফ্ৰান্সক ত্ৰাসৰ সৃষ্টি কৰে। ইংলেণ্ডৰ হৈ বুকায়ো ছাকাই এক আকৰ্ষণীয় হেট্ৰিক অৰ্জন কৰে। আনহাতে, জুড বেলিংহামেও মেচখনত নিজৰ সপ্তমটো গ'ল দি ইংলেণ্ডক বিজয়ৰ দিশে আগুৱাই লৈ যায়। প্ৰথমাৰ্ধত পিছ পৰি থকাৰ পিছত দ্বিতীয়াৰ্ধত ফ্ৰান্সে তীব্ৰ প্ৰত্যাহ্বান জনায়। এমবাপ্পেৰ দুটা গ'লৰ উপৰি ব্ৰেডলী বাৰকোলা আৰু ওচমান ডেম্বেলেই এটাকৈ গ'ল দি স্ক'ৰ ৪-৬ লৈ আনে, যদিও তেওঁলোকৰ এই প্ৰচেষ্টা পৰ্যাপ্ত নাছিল।

## বিশ্বকাপৰ উত্তেজনাৰ মাজতে কৰ্মক্ষেত্ৰত ব্যাপক উৎপাদনশীলতা হ্ৰাস

### মেচৰ বাবে কাৰ্যালয়ত কৰ্মচাৰীৰ অনুপস্থিত থকাৰ বাবে আমেৰিকাত ১১৭০ কোটি ডলাৰৰ লোকচান

**নিউয়ৰ্ক, ১৯ জুলাই ঃ** ফিফা বিশ্বকাপ ২০২৬-ক লৈ সমগ্ৰ বিশ্বতে তীব্ৰ উন্মাদনা দেখা গৈছে। কিন্তু এই ক্ৰীড়া মহোৎসৱৰ বাবে এতিয়া বিশ্ব অৰ্থনীতিত বৃহৎ লোকচানৰ আশংকা কৰা হৈছে। এক শেহতীয়া প্ৰতিবেদন অনুসৰি, মেচসমূহ চোৱাৰ বাবে কৰ্মচাৰীসকল কৰ্মক্ষেত্ৰত অনুপস্থিত থকাৰ বাবে কেৱল আমেৰিকাতেই প্ৰায় ১১.৭ বিলিয়ন (১১৭০ কোটি) ডলাৰৰ উৎপাদনশীলতা লোকচান হৈছে। একে সময়তে, গোলকীয়ভাৱে এই লোকচানৰ পৰিমাণ প্ৰায় ১৭ বিলিয়ন (১৭০০ কোটি) ডলাৰ হ'ব পাৰে বুলি অনুমান কৰা হৈছে। মানৱ সম্পদ ছফ্টৱেৰ প্ৰতিষ্ঠান 'UKG' আৰু কৰ্মক্ষেত্ৰ ব্যৱস্থাপনা প্লেটফৰ্ম 'Envoy' ৰ তথ্য অনুসৰি, লাখ লাখ কৰ্মচাৰীয়ে খেল চাবলৈ কাৰ্যালয়লৈ দেৰিকৈ আহিছে, সোনকালে ঘৰলৈ উভতিছে বা সম্পূৰ্ণৰূপে ছুটী লৈছে।আমেৰিকা যুক্তৰাষ্ট্ৰৰ দলটো বেলজিয়ামৰ হাতত পৰাজিত হোৱাৰ পিছদিনা, অৰ্থাৎ ৭ জুলাইত আমেৰিকাৰ কাৰ্যালয়সমূহত উপস্থিতিৰ হাৰ ২৬ শতাংশ লৈ হ্ৰাস পায়। ছুপাৰ বোল প্ৰতিযোগিতাৰ পিছৰ দিনটোৰ তুলনাত এই হাৰ প্ৰায় ১০ গুণ বেছি আছিল। ক্লায়েণ্ট মিটিং, সাক্ষাৎকাৰ আৰু ব্যৱসায়িক বৈঠকৰ দৰে কাৰ্যসূচীসমূহো ৩২ শতাংশ লৈ হ্ৰাস পায়। বিশ্বকাপৰ আয়োজক চহৰসমূহৰ যান-জঁট আৰু কৰ্মচাৰীৰ অনুপস্থিতিৰ সতে মোকাবিলা কৰিবলৈ জে পি মৰ্গান চেজ, গোল্ডমেন ছেক্স আৰু এছ এণ্ড পিৰ দৰে বৃহৎ কোম্পানীসমূহে মেচ থকা দিনবোৰত কৰ্মচাৰীসকলক ঘৰৰ পৰাই কাম কৰিবলৈ উৎসাহিত কৰিছিল।

## ফ্ৰান্সৰ প্ৰশিক্ষক ডিদিয়েৰ দেশচাম্পছৰ বিদায়ত কিলিয়ান এমবাপেৰ আৱেগিক পোষ্ট

**মিয়ামি, ১৯ জুলাই ঃ** ফ্ৰান্স ফুটবল দলৰ মুখ্য প্ৰশিক্ষক ডিদিয়েৰ দেশচাম্পছৰ কাৰ্যকাল সমাপ্ত হোৱাৰ পৰিপ্ৰেক্ষিতত তাৰকা ফুটবলাৰ কিলিয়ান এমবাপেই তেওঁলৈ গভীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। দেশচাম্পছৰ দীৰ্ঘ ১৪ বছৰীয়া সফল যাত্ৰাৰ অন্ত পৰাৰ মুহূৰ্তত এমবাপেই ছচিয়েল মিডিয়া প্লেটফৰ্ম এক্স-ত এক আৱেগিক পোষ্ট শ্বেয়াৰ কৰে।পোষ্টটোত এমবাপেই প্ৰশিক্ষকগৰাকীক তেওঁৰ অনন্য অৱদানৰ বাবে ধন্যবাদ জনোৱাৰ লগতে আশা কৰা ধৰণে এক বিদায় উপহাৰ দিব নোৱাৰাৰ বাবে দুখ প্ৰকাশ কৰে। তেওঁ উল্লেখ কৰিছে যে বিগত ১৪ বছৰ ধৰি তেওঁ এই দলটোলৈ যি অৱদান আগবঢ়ালে, তাক কথাত প্ৰকাশ কৰা অতি কঠিন। দেশৰ এগৰাকী অন্যতম শ্ৰেষ্ঠ কিংবদন্তীৰ সৈতে কাম কৰিবলৈ পাই মই নিজকে সৌভাগ্যবান বুলি ভাবো। উল্লেখ্য যে, মিয়ামত অনুষ্ঠিত হ'বলগীয়া ইংলেণ্ডৰ বিৰুদ্ধে তৃতীয় স্থানৰ মেচখনৰ পূৰ্বে এমবাপেই



দেশচাম্পছক তেওঁৰ ভৱিষ্যতৰ যাত্ৰাৰ বাবে শুভেচ্ছা জনায়। ২০১২ চনৰ জুলাই মাহৰ পৰা ফ্ৰান্স দলৰ দায়িত্বত থকা দেশচাম্পছৰ নিৰ্দেশনাত ফ্ৰান্সে ২০১৮ চনৰ বিশ্বকাপ জয় কৰাৰ লগতে ২০১৬ চনৰ ইউৰো কাপ আৰু ২০২২ চনৰ বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল।

### অন্ত পৰিল দুবছৰীয়া খিতাপ অপেক্ষাৰ

## জাপান অ'পেন ছুপাৰ ৭৫০ খিতাপ জয় পি ভি সিন্ধুৰ



**টকিঅ', ১৯ জুলাই ঃ** ভাৰতীয় বেডমিণ্টন তাৰকা পি ভি সিন্ধুৱে দেওবাৰে টকিঅ'ত অনুষ্ঠিত জাপান অক্সপেনৰ ফাইনেলত এক অনবদ্য প্ৰদৰ্শন দাঙি ধৰি তেওঁৰ কেৰিয়াৰৰ প্ৰথমটো ছুপাৰ ৭৫০ খিতাপ অৰ্জন কৰে। এই জয়েৰে দুটা বছৰ ধৰি চলি থকা তেওঁৰ খিতাপ অপেক্ষাৰ অন্ত পৰে। দুবাৰৰ অলিম্পিক পদক বিজয়ী ৩১ বছৰীয়া সিন্ধুৱে জাপানৰ ঘৰুৱা খেলুৱৈ তথা তিনিবাৰৰ বিশ্ব চেম্পিয়ন আকানে য়ামাগুছিক পৰাস্ত কৰে। এক আক্ৰমণাত্মক খেলৰ প্ৰদৰ্শন কৰি সিন্ধুৱে য়ামাগুছিক পোনপটীয়া খেলত ২১-১৭, ২১-১৭ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ সৈতে জাপান অ'পেন জয় কৰা তেওঁ প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে পৰিগণিত হয়। ২০১৯ চনৰ বিশ্ব চেম্পিয়নশ্বিপৰ পাছত সিন্ধুৰ এইটোৱেই আটাইতকৈ ডাঙৰ খিতাপ জয়। ইয়াৰ পূৰ্বে তেওঁ ২০২৪ চনত ছৈয়দ মোডী ইণ্টাৰনেচনেলত অন্তিমটো খিতাপ জিকিছিল।সমগ্ৰ খেলখনত সিন্ধুৱে নেটৰ নিখুঁত ব্যৱহাৰ আৰু নিজৰ শক্তিশালী স্মেছৰ জৰিয়তে খেলখন সম্পূৰ্ণ নিয়ন্ত্ৰণত ৰাখে, যাৰ ফলত য়ামাগুছিয়ে প্ৰত্যাৱৰ্তন কৰাৰ কোনো সুযোগ নাপালে। বিগত চাৰি বছৰত সম্পূৰ্ণ হোৱা খেলত য়ামাগুছিক পৰাস্ত কৰিব নোৱাৰা সিন্ধুৰ বাবে এই জয় এক ঐতিহাসিক মুহূৰ্ত হৈ ৰ'ব।

## বিশ্বকাপত ফ্ৰান্সক হৰুৱাই ইংলেণ্ডে লাভ কৰিলে ব্ৰঞ্জৰ পদক

### ইংলেণ্ডৰ তাৰকা খেলুৱৈ বুকাঅ' ছাকাইৰ হেট্ৰিক গ'ল



**মিয়ামি, ১৯ জুলাই ঃ** ২০২৬ বিশ্বকাপৰ এক ৰোমাঞ্চকৰ আৰু ঐতিহাসিক তৃতীয় স্থানৰ খেলত ইংলেণ্ডে ফ্ৰান্সক ৬-৪ গ'লৰ ব্যৱধানত পৰাজিত কৰে। এই খেলখনৰ জৰিয়তে ইংলেণ্ডে ১৯৬৬ চনৰ পিছত বিশ্বকাপত নিজৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন দাঙি ধৰে। আনহাতে, পৰাজয়ৰ পিছতো ফ্ৰান্সৰ তাৰকা খেলুৱৈ কিলিয়ান এমবাপেই বিশ্বকাপৰ ইতিহাসত সৰ্বাধিক গ'লদাতা হিচাপে এক নতুন বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হয়। ইংলেণ্ডৰ তাৰকা খেলুৱৈ বুকাঅ' ছাকাই দুৰ্দান্ত প্ৰদৰ্শন কৰি খেলখনত তিনিটা (হেট্ৰিক) গ'ল দিয়ে। মেচখনৰ শেষৰ ফালে এটি সুন্দৰ গ'ল দি জূড বেলিংহামে এটা বিশ্বকাপত ৭টা গ'ল দিয়া প্ৰথমগৰাকী ইংৰাজ খেলুৱৈৰ গৌৰৱ অৰ্জন কৰে। ইংলেণ্ডৰ হৈ আন দুটি গ'ল ডেক্লান ৰাইচ আৰু এজৰি কন্সাই কৰে। খেলখনত ফ্ৰান্সৰ হৈ এমবাপেই দুটা গ'ল কৰে। ইয়াৰ লগে লগে বিশ্বকাপৰ ইতিহাসত তেওঁৰ মুঠ গ'লৰ সংখ্যা ২২টালৈ বৃদ্ধি পায় আৰু তেওঁ লিয়নেল মেছিক পিছ পেলাই বিশ্বকাপৰ সৰ্বকালৰ সৰ্বাধিক গ'লদাতা হিচাপে পৰিগণিত হয়। ইয়াৰ উপৰিও চলিত বিশ্বকাপত ঝ্ৰাটা গ'ল দি তেওঁ (গ'ল্ডেন বুট)ৰ দৌৰত আগবাঢ়ি আছে। খেলৰ প্ৰথমাৰ্ধত ইংলেণ্ডে ৪-০ গ'লত অগ্ৰগতি লাভ কৰিছিল। কিন্তু দ্বিতীয়াৰ্ধত ফ্ৰান্সে তীব্ৰ প্ৰতিদ্বন্দিতা আগবঢ়াই এমবাপে, বাৰকোলা আৰু ডেম্বেলেৰ গ'লৰ সহায়ত স্ক'ৰ ৪-৩ লৈ আনিছিল। অৱশ্যে শেষ ৰক্ষা নহ'ল। এই খেলখন ফ্ৰান্সৰ প্ৰশিক্ষক দিদিয়াৰ দেশচাম্পছৰ বাবে অন্তিমখন খেল আছিল, যিয়ে দীৰ্ঘ ১৪ বছৰ ধৰি দলটোক প্ৰশিক্ষণ দিছিল। ছেমিফাইনেলত ফ্ৰান্স স্পেইনৰ হাতত আৰু ইংলেণ্ড আৰ্জেন্টিনাৰ হাতত পৰাজিত হৈ এই ব্ৰঞ্জৰ পদকৰ খেলখন খেলিবলগীয়া হৈছিল।

## ২০২৬ বিশ্বকাপত ডি-বক্সৰ বাহিৰৰ পৰা গ'ল কৰাৰ হাৰ দুগুণ বৃদ্ধি

### বিশ্বকাপৰ মুঠ গ'লৰ ১৬ শতাংশই আহিছে বক্সৰ বাহিৰৰ

**নিউয়ৰ্ক, ১৯ জুলাই ঃ** ২০২৬ চনৰ উত্তৰ আমেৰিকা বিশ্বকাপত ডি-বক্সৰ বা পেনাল্টী এৰিয়াৰ বাহিৰৰ পৰা গ'ল কৰাৰ প্ৰৱণতা পূৰ্বৰ কাটাৰ বিশ্বকাপৰ তুলনাত দুগুণ বৃদ্ধি পাইছে। ফিফাৰ কাৰিকৰী অধ্যয়ন গোটে প্ৰকাশ কৰা তথ্য অনুসৰি, এই বিশ্বকাপৰ মুঠ গ'লৰ ১৬ শতাংশই আহিছে বক্সৰ বাহিৰৰ পৰা, আনহাতে ২০২২ চনত ইয়াৰ হাৰ আছিল মাত্ৰ ৮ শতাংশ। ফুটবল বিশেষজ্ঞসকলৰ মতে, বৰ্তমান দলসমূহে গ'লপোষ্টৰ সুৰক্ষাৰ বাবে অতি গভীৰভাৱে ৰক্ষণাত্মক খেল খেলাৰ ৰণনীতি লৈছে। ইয়াৰ ফলত ফৰৱাৰ্ড খেলুৱৈসকলে দূৰৈৰ পৰাই শ্বট ল'বলৈ বাধ্য হৈছে আৰু সফলতাও লাভ কৰিছে। ফিফাৰ কাৰিকৰী গোটৰ সদস্য তথা আমেৰিকাৰ প্ৰাক্তন প্ৰশিক্ষক জুৰ্গেন ক্লিঞ্চমেনে কয়-ডি-বক্সৰ ভিতৰত ৮-৯ জনকৈ খেলুৱৈ গোট খাই থকাৰ বাবে গ'লকীপাৰসকলে দূৰৈৰ পৰা অহা বল দেখা পোৱাত অসুবিধা হয়। সেয়েহে বাহিৰৰ পৰা শ্বট ল'লে গ'ল হোৱাৰ সম্ভাৱনা বাঢ়ি যায়। আনহাতে, ফিফাৰ ফুটবল উন্নয়ন প্ৰধান আৰ্চেন ভেংগাৰে খেলুৱৈসকলৰ দীৰ্ঘদূৰত্বৰ শ্বটসমূহৰ তীব্ৰ গতি আৰু গুণগত মানৰ প্ৰশংসা কৰে। চলতি বিশ্বকাপত আৰ্জেণ্টিনাই এই কৌশলৰ সৰ্বাধিক প্ৰয়োগ কৰিছে। দলটোৱে এতিয়ালৈকে বক্সৰ বাহিৰৰ পৰা ৫টা দৰ্শনীয় গ'ল দিছে। ইয়াৰ ভিতৰত ইংলেণ্ডৰ বিৰুদ্ধে ছেমিফাইনেলত এঞ্জো ফাৰ্নাণ্ডেজে আৰু চুইজাৰলেণ্ডৰ বিৰুদ্ধে জুলিয়ান আলভাৰেজে কৰা গ'ল উল্লেখনীয়। আনহাতে, শনিবাৰে অনুষ্ঠিত হোৱা তৃতীয় স্থানৰ বাবে খেলা খেলখনত ইংলেণ্ডৰ ডেক্লান ৰাইচেও বক্সৰ বাহিৰৰ পৰা এটা সুন্দৰ গ'ল কৰে, য'ত ইংলেণ্ডে ফ্ৰান্সক ৬-৪ ব্যৱধানত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক জয় কৰে।



এ বি পাব্লিকেশ্বনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০, বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ড, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা ■ সম্পাদকঃ অনিল বৰ্মন